# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/709 | Language of work: Assamese |
| Author (s) / Editor (s): Abdus Sattar (1st issue)<br>Poreshmalla Borua (2nd and 3rd issue) | |
| Title: অসম সাহিত্য সভা পত্রিকা | |
| Transliterated Title: Asama Saāhaitaya Sabhaā Pataraikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha. Jorhat |
| Year: 1972 | Edition: |
| Size: 23½ cms. 3+75+3+76+4+100 pages | Genre: Magazine |
| Volumes: 29 - 3 issue | Condition of the original: Not bad |
| Remarks: 1st. vol. was published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

# অসম সাহিত্য সভা পত্ৰিকা




সম্পাদক : পৰেশমল্ল বৰুৱা

# অসম সাহিত্য সভা পত্ৰিকা

উনত্ৰিংশ বছৰ | ১৮৯৩ শক ॥ ১৯৭২ চন | দ্বিতীয় সংখ্যা

সম্পাদক ঃ পৰেশচন্দ্ৰ বৰুৱা

অসম সাহিত্য সভা

প্ৰকাশক :
শ্ৰীযতীন্দ্ৰনাথ গোস্বামী
প্ৰধান সম্পাদক, অসম সাহিত্য সভা
যোৰহাট—অসম।

বেটুপাতৰ শিল্পী—শ্ৰীকামাখ্যা দত্ত

মুদ্ৰক :
শ্ৰীনিতাই গোস্বামী
গোস্বামী প্ৰিণ্টিং হাউচ
গুৱাহাটী-১

বেচ—২·০০ টকা

## সূচীপত্ৰ


১। অসম সাহিত্য সভাৰ বা-বাতৰি :
(ক) অসম সাহিত্য সভাৰ ১৯৭২-৭৩ চনৰ কাৰ্য্য-নিৰ্বাহক সমিতিৰ সদস্যসকল ... ১
(খ) কাৰ্য্য-নিৰ্বাহক সমিতিৰ ১৯৭১-৭২ চনৰ ৫ম অধিবেশন ... ... ২
(গ) চলিত বছৰৰ কাৰ্য্য-নিৰ্বাহক সমিতিৰ ১ম অধিবেশন ... ... ৬
(ঘ) অসম সাহিত্য সভাৰ উনচত্বাৰিংশ ধুবুৰী অধিবেশনত গৃহীত শোক প্ৰস্তাৱ ... ... ১২
(ঙ) অসম সাহিত্য সভাৰ উনচত্বাৰিংশ ধুবুৰী অধিবেশনত গৃহীত অন্যান্য প্ৰস্তাৱ ... ... ১৩
(চ) অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশন ( এটী সমীক্ষা ) ... ১৫
—শ্ৰীডিম্বেশ্বৰ শৰ্মা
২। কুৰি শতিকাৰ প্ৰথম দশকৰ 'অসমীয়া ব্যাকৰণ' প্ৰণেতা ৺লোকনাথ শৰ্মা ... ... ২২
—শ্ৰীহিতেন্দ্ৰনাথ ভট্টাচাৰ্য্য
৩। অনন্ত ঠাকুৰৰ শ্ৰীৰাম-কীৰ্ত্তন আৰু কলাপচন্দ্ৰদ্বিজৰ ৰামায়ণ-চন্দ্ৰিকা ... ... ৩০
—শ্ৰীমতী কেশদা মহন্ত
৪। আধুনিক অসমীয়া কবিতা ... ... ৩৭
—শ্ৰীপৰেশমল্ল বৰুৱা
৫। কবিৰ দৃষ্টিত কবিতা :
(ক) দিনেশ গোস্বামী ... ... ৪৫
(খ) নিৰ্ম্মলপ্ৰভা বৰদলৈ ... ... ৫১
(গ) হীৰেণ ভট্টাচাৰ্য্য ... ... ৫৪
৬। প্ৰথম অসমীয়া অভিধানৰ পাতনিখন ... ... ৫৬
—শ্ৰীবিশ্বেশ্বৰ হাজৰিকা
৭। গ্ৰন্থ সমালোচনা ... ... ৫৯
৮। সম্পাদকীয় ... ... ৭১

## ॥ অসম সাহিত্য সভা পত্ৰিকা ॥

**: সম্পাদনা সমিতি :**

শ্ৰীহেম বৰুৱা—সভাপতি, অসম সাহিত্য সভা।

শ্ৰীযতীন্দ্ৰনাথ গোস্বামী—প্ৰধান সম্পাদক, অসম সাহিত্য সভা।

শ্ৰীনৰকান্ত বৰুৱা। শ্ৰীনিৰ্ম্মলপ্ৰভা বৰদলৈ।

শ্ৰীবীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য। শ্ৰীকেশৱ মহন্ত।

শ্ৰীপৰেশমল্ল বৰুৱা—পত্ৰিকা সম্পাদক ( আহ্বায়ক )।

## আমাৰ কেইখনমান সাহিত্যৰ কিতাপ


১। বৌদ্ধ ধৰ্ম আৰু সাহিত্য—সম্পাদক ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা ৪·০০

২। শিক্ষক সাৰথি—শ্ৰীদেবেন্দ্ৰনাথ ভট্টাচাৰ্য্য বি-এ, বি-টি ৪·৫০

৩। নাটক আৰু অভিনয় প্ৰসঙ্গ—শ্ৰীসত্যপ্ৰসাদ বৰুৱা ৭·০০

৪। তত্ত্ব-কথা—৺লক্ষ্মীনাথ বেজবৰুৱা ৫·০০

৫। কোঁৱৰ বিদ্ৰোহ—ডঃ সূৰ্য্যকুমাৰ ভূঞা ২·৫০

৬। কথা-গীতা—সম্পাদক ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা ৩·০০

৭। অসমীয়া পুৰণি সাহিত্য—ডঃ বাণীকান্ত কাকতি ২·০০

৮। সাহিত্য আৰু প্ৰেম— " ২·০০

৯। অসমীয়া ভাষা আৰু সংস্কৃতি—ডঃ বিৰিঞ্চিকুমাৰ বৰুৱা ৭·০০

১০। অসমৰ লোক সংস্কৃতি— " ১৫·০০

১১। প্ৰাথমিক প্ৰতিবিধান—ডঃ ললিতকুমাৰ বৰুৱা ৪·০০

১২। অসমীয়া কবিতাৰ ছন্দ—শ্ৰীমহেন্দ্ৰ বৰা ৪·০০

১৩। ফুল তৰা গান—শ্ৰীমহেন্দ্ৰ বৰা ৩·০০

১৪। অসমীয়া জন-সাহিত্য—ডঃ প্ৰফুল্লদত্ত গোস্বামী ৩·৫০

১৫। সীমান্তৰ মাটি আৰু মানুহ—শ্ৰীলীলা গগৈ ৫·০০

১৬। কৌতুক আৰু কাইথেলী অঙ্ক—শ্ৰীদণ্ডীৰাম দত্ত ৫·০০

১৭। দৃষ্টি আৰু দৰ্শন—৺ভবানন্দ দত্ত ৫·০০

১৮। মৰহা ফুলৰ কৰণি— ৬·০০

১৯। মনোবিজ্ঞানৰ চমু আভাস—শ্ৰীপ্ৰফুল্ল মহন্ত ৪·০০

২০। সীতাহৰণ কাব্য—৺ভোলানাথ দাস ৪·০০

২১। শেৱালি—৺ৰত্নকান্ত বৰকাকতি ৩·০০

২২। ব্যৱহাৰিক অৰ্থবিজ্ঞান—শ্ৰীপ্ৰভাসচন্দ্ৰ গোস্বামী ৭·০০

**লয়াৰ্ছ বুক ষ্টল : গুৱাহাটী**


## অসম সাহিত্য সভাৰ বা-বাতৰি

**অসম সাহিত্য সভাৰ ১৯৭২-৭৩ চনৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সদস্য সকল।**

সভাপতি :—শ্ৰীহেম বৰুৱা

উপ-সভাপতি :—ডঃ মহেশ্বৰ নেওগ

প্ৰধান সম্পাদক :—শ্ৰীযতীন্দ্ৰনাথ গোস্বামী

কোষাধ্যক্ষ :—শ্ৰীৰমা বৰঠাকুৰ

পত্ৰিকা সম্পাদক :—শ্ৰীপৰেশমল্ল বৰুৱা

সহকাৰী সম্পাদক :—শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা ( যোৰহাট )

সহকাৰী সম্পাদক :—শ্ৰীপ্ৰসন্নৰাম দাস ( গুৱাহাটী )

**সদস্য সকল :—**

(১) শ্ৰীমতী চাথী তেৰণপী ( মিকিৰ পাহাৰ )
(২) শ্ৰীবিপিন ৰাজবংশী ( কাছাৰ )
(৩) শ্ৰীচফিয়ুৰ ৰহমান হাজৰিকা ( গাৰো পাহাৰ )
(৪) শ্ৰীশিৱানন্দ শৰ্ম্মা ( গোৱালপাৰা )
(৫) শ্ৰীফণীন্দ্ৰনাথ ব্ৰহ্ম ( " )
(৬) শ্ৰীঅম্বিকাচৰণ সৰকাৰ ( " )
(৭) শ্ৰীমতী অমিয়া চক্ৰৱৰ্ত্তী ( দৰং )
(৮) শ্ৰীচন্দ্ৰধৰ গোস্বামী ( দৰং )
(৯) শ্ৰীৰাম গোস্বামী ( ডিব্ৰুগড় )
(১০) শ্ৰীকমলেশ্বৰ বৰা ( নগাওঁ )
(১১) শ্ৰীভগৱান মৰল ( কামৰূপ )
(১২) শ্ৰীঅৱনীন্দ্ৰচন্দ্ৰ বৰা ( " )
(১৩) শ্ৰীশ্ৰীমান চক্ৰৱৰ্ত্তী ( " )
(১৪) শ্ৰীব্ৰজপতি মহন্ত ( " )

# অসম সাহিত্য সভা

## ১৯৭১-৭২ চনৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ৫ম অধিবেশন

**তাং ৬।৪।৭২, সন্ধ্যা ৬-৪৫**

**স্থান: মহকুমা পৰিষদ ভৱন, ধুবুৰী।**

**উপস্থিত সভ্যসকল**

১। শ্ৰীগিৰিধৰ শৰ্ম্মা, ২। শ্ৰীচন্দ্ৰকান্ত বৰকাকতী, ৩। শ্ৰীসূৰ্য্যকান্ত ফুকন, ৪। শ্ৰীমহেশ্বৰ নেওগ, ৫। শ্ৰীচন্দ্ৰধৰ গোস্বামী, ৬। শ্ৰীনাৰায়ণ ঘাটোৱাৰ, ৭। শ্ৰীকমলেশ্বৰ শইকীয়া, ৮। শ্ৰীভগগিৰি ৰায়চৌধুৰী, ১০। শ্ৰীঅমলকুমাৰ দাস, ১০। শ্ৰীজীৱন সিংহ, ১১। শ্ৰীৰাম গোস্বামী, ১২। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, ১৩। শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা, ১৪। শ্ৰীআব্দুছ ছাত্তাৰ।

সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাই উপস্থিত থাকিব নোৱাৰিব বুলি লিখিতভাৱে জনোৱাত শ্ৰীচন্দ্ৰকান্ত বৰকাকতীৰ প্ৰস্তাৱ অনুযায়ী কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে শ্ৰীমহেশ্বৰ নেওগক সভাপতি নিৰ্ব্বাচন কৰি সভাৰ কাম চলায়।

১। সভাই অসম সাহিত্য সভাৰ গোৱালপাৰা অধিবেশনৰ সভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীখগেন্দ্ৰনাথ নাথ, বিখ্যাত ভাৰতীয় বৈজ্ঞানিক ডঃ বিক্ৰম সৰাভাই, নাট্যকাৰ শ্ৰীলক্ষ্মীকান্ত দত্ত, পদ্মশ্ৰী শ্ৰীমতী চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু প্ৰাক্তন মন্ত্ৰী শ্ৰীদুৰ্গেশ্বৰ শইকীয়াৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি স্বৰ্গগত আত্মাৰ শান্তিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়।

২। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ ৪ৰ্থ অধিবেশনৰ কাৰ্য্য-বিৱৰণি সভাই গ্ৰহণ কৰে।

৩। প্ৰধান সম্পাদকে সম্পাদকীয় প্ৰতিবেদন সভাত পাঠ কৰে আৰু সভাই সৰ্ব্বসম্মতিক্ৰমে গ্ৰহণ কৰে।

৪। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ তৃতীয় অধিবেশনত নতুন হিচাপ পৰীক্ষক (কাৰ্ণানি এণ্ড কোং, যোৰহাট) নিয়োগ কৰা সম্পৰ্কত উদ্ভৱ হোৱা পৰিস্থিতি প্ৰধান সম্পাদকে ব্যাখ্যা কৰে। সভাই হিচাপ পৰীক্ষকৰ দ্বাৰা পৰীক্ষিত হিচাপ নতুন বছৰৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিত দাঙি ধৰিবলৈ প্ৰধান সম্পাদকক নিৰ্দ্দেশ দিয়ে আৰু বৰ্ত্তমান সভাপতি, প্ৰধান সম্পাদক, ধনভঁড়ালী আৰু মুখ্য-সহকাৰীৰ চহীৰে দাঙি ধৰা হিচাপ বিষয় বাছনি সভাত পাঠ কৰিবলৈ সম্পাদকক অনুমতি দিয়ে।

৫। শাখা-সভাসমূহৰ পৰা প্ৰস্তাৱসমূহ শৃঙ্খলাবদ্ধ কৰি বিষয় বাছনি সভাত দাঙি ধৰিবৰ কাৰণে তলত নাম দিয়া সভ্যসকলেৰে এখনি উপ-সমিতি গঠন কৰি দিয়া হয়—

(১) শ্ৰীগিৰিধৰ শৰ্ম্মা, (২) শ্ৰীআব্দুছ ছাত্তাৰ, (৩) শ্ৰীচন্দ্ৰধৰ গোস্বামী, (৪) শ্ৰীকমলেশ্বৰ শইকীয়া, (৫) শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা (আহ্বায়ক)।

৬। নিয়মাৱলী সংশোধন সম্পৰ্কে অহা প্ৰস্তাৱ আৰু সমৰ্থনসমূহক উপ-সমিতিয়ে জুকিয়াই থোৱা দৰেই বিষয় বাছনি সভাত দাঙি ধৰিবলৈ স্থিৰ কৰা হয়।

৭। ন-শিকাৰুৰ বাবে গ্ৰন্থ প্ৰণয়ন সম্পৰ্কত উপ-সমিতিয়ে দিয়া প্ৰতিবেদন সভাই নীতি হিচাবে গ্ৰহণ কৰে। এই গ্ৰন্থসমূহ কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে অগ্ৰাধিকাৰ দি এখন এখনকৈ ক্ৰমান্বয়ে প্ৰকাশ কৰিব।

সম্প্ৰতি 'চাহবাগিচাৰ বনুৱাৰ কাহিনী' আৰু 'ৰামায়ণৰ কাহিনী' বাতৰি কাকতত জাননী দি প্ৰতিযোগিতাৰ ভিত্তিত নিৰ্ব্বাচন কৰিবলৈ সভাই স্থিৰ কৰে।

'গুৰু গ্ৰন্থচাহাব'ৰ অসমীয়া সংস্কৰণ এটি প্ৰকাশৰ ওপৰত গুৰুত্ব দি শ্ৰীচন্দ্ৰকান্ত বৰকাকতীয়ে কয়।

সভাই শিখ ধৰ্ম্মগুৰুসকলৰ (অন্ততঃ দহজনৰ) জীৱন-চৰিত্ৰমূলক ১৫০ পৃষ্ঠা মানৰ এখনি গ্ৰন্থ প্ৰণয়ন কৰি প্ৰকাশ কৰিবলৈ স্থিৰ কৰে। এই সম্পৰ্কে ব্যৱস্থা কৰিবলৈ তলত নাম দিয়া সকলেৰে এখনি উপ-সমিতি গঠন কৰি দিয়া হয়—

(১) সভাপতি, (২) প্ৰধান সম্পাদক, (৩) শ্ৰীকমল সিং, (৪) শ্ৰীৰূপ সিং, (৫) শ্ৰীজীৱন সিং।

৮। লোকগীত সংকলন সম্পৰ্কে উপ-সমিতিৰ আঁচনি প্ৰধান সম্পাদকে পাঠ কৰে। সভাই লোকগীত সংগ্ৰহ অৰু প্ৰকাশৰ আঁচনি নীতি হিচাবে গ্ৰহণ কৰে। জিলা পৰ্য্যায়ত সংগ্ৰহ কাৰ্য্য আৰম্ভ কৰি ক্ৰমান্বয়ে খণ্ড-খণ্ডকৈ প্ৰকাশ কৰা হব। সকলো জিলাতে লোকগীত সংগ্ৰহ কাৰ্য্য চলি থাকিব যদিও প্ৰথম পৰ্যায়ত গোৱালপাৰা জিলাৰ গীতৰ খণ্ডটো প্ৰকাশ কৰিবলৈ সভাই স্থিৰ কৰে। শাখা-সভাৰ উপৰিও ব্যক্তিগত লোকৰ পৰা এই গীতবোৰ সংগ্ৰহ কৰা হব।

এই সম্পৰ্কে স্থিৰ নীতি গ্ৰহণ কৰিবলৈ তলত নাম দিয়া লোকসকলেৰে এখন উপ-সমিতি গঠন কৰা হয়—

(১) সভাপতি, (২) প্ৰধান সম্পাদক, (৩) ডঃ মহেশ্বৰ নেওগ (৪) শ্ৰীশিৱানন্দ শৰ্ম্মা, (৫) চৈয়দ আব্দুল মালিক, (৬) শ্ৰীবীৰেন্দ্ৰনাথ দত্ত।

৯। আথৰ-জোটনি সমিতিৰ প্ৰতিবেদন প্ৰধান সম্পাদকে পাঠ কৰে। সভাই সমিতিৰ সিদ্ধান্ত অনুযায়ী অহা মে' মাহৰ ভিতৰতে আথৰ-জোটনি আলোচনা চক্ৰটো বহুৱাবলৈ স্থিৰ কৰে। উক্ত সমিতিৰ আগৰ সভ্যসকলৰ লগত শ্ৰীতীৰ্থনাথ শৰ্ম্মাক আজিৰ সভাই সদস্য মনোনীত কৰে।

১০। প্ৰধান সম্পাদকে গ্ৰন্থপঞ্জী সংকলন সম্পাদকীয় কামৰ অগ্ৰগতিৰ কথা সভাক জনায়। সভাই সংগ্ৰাহক দুজন—শ্ৰীলীলা গগৈ আৰু ড: কেশৱানন্দ গোস্বামীক গ্ৰন্থ আকাৰে সংগ্ৰহখিনি প্ৰস্তুত হোৱাৰ পিচত ৫০০.০০ (পাঁচ শ) টকাকৈ মাননি দিবলৈ স্থিৰ কৰে। লিপিকাৰ শ্ৰীমতী লতিকা ভূঞাক ১৫০.০০ (এশ পঞ্চাশ) টকা মাননি দিবলৈ স্থিৰ কৰা হয়।

১১। 'পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী'ৰ সংকলক আৰু 'পৰমাচাৰ্য্য হেমচন্দ্ৰ গোস্বামী'ৰ লিখক

প্ৰবীণ সাহিত্যিক শ্ৰীবেণুধৰ শৰ্ম্মাক সভাই তেখেতৰ আশাশুধীয়া পৰিশ্ৰমৰ বাবে ধন্যবাদ জনায়। সভাই তেখেতক ১৫০০'০০ (এহেজাৰ পাঁচশ) টকাৰ নগদ মাননি আৰু প্ৰথমখন গ্ৰন্থৰ ২৫খন আৰু দ্বিতীয়খন গ্ৰন্থৰ ১০০খন মাননি হিচাবে তেখেতলৈ আগবঢ়াবলৈ স্থিৰ কৰে।

১২। সভাই বিচাৰক মণ্ডলীৰ সিদ্ধান্ত অনুযায়ী শ্ৰীদীনেশচন্দ্ৰ গোস্বামীৰ 'আকাশ ৰহস্য' গ্ৰন্থখনিৰ বাবে 'গোপালচন্দ্ৰ গোস্বামী বঁটা' দিবলৈ স্থিৰ কৰে।

১৩। সভাই বিচাৰক মণ্ডলীৰ মন্তব্য অনুযায়ী অৰুণাচলৰ ছাত্ৰ শ্ৰীচৌকেদাৰ গোঁহাইক 'হৰিহৰ চৌধুৰী বঁটা' দিবলৈ স্থিৰ কৰে।

১৪। সভাই ১৯৭২ চনৰ ১১ আৰু ১৬ ডিচেম্বৰত ক্ৰমান্বয়ে ডিব্ৰুগড় আৰু গুৱাহাটীত অসম সাহিত্য সভাৰ দুজন প্ৰাক্তন সভাপতি বেণুধৰ ৰাজখোৱা আৰু কনকলাল বৰুৱাৰ শতবাৰ্ষিকী উৎসৱ কেন্দ্ৰীয়ভাৱে পালন কৰিবলৈ স্থিৰ কৰে।

১৫। পত্ৰিকা সম্পাদক শ্ৰীআব্দুছ ছাত্তাৰে আহি কাকত আদি চাবলৈ প্ৰেছলৈ অহা-যোৱাৰ বাবে সভাই ১৮৩'০০ টকাৰ ভ্ৰমণ বানচ মঞ্জুৰ কৰে।

১৬। সভাই বয়োবৃদ্ধ সাংবাদিক-সাহিত্যিক শ্ৰীঅমিয়কুমাৰ দাসক মুকলি সভাত সম্বৰ্দ্ধনা জনাবৰ বাবে ৩০০'০০ (তিনিশ) টকাৰ ব্যয় মঞ্জুৰ কৰে।

১৭। অসম সাহিত্য সভাৰ মাকুম অধিবেশনৰ বাৰ্ষিকী ইতিমধ্যে প্ৰকাশ পাইছে বুলি প্ৰধান সম্পাদকে জনায়। সভাই উক্ত প্ৰকাশনৰ বাবে ৩৫০০'০০ (তিনি হেজাৰ পাঁচশ) টকাৰ ব্যয় অনুমোদন কৰে।

১৮। পদ্মনাথ গোহাঞিবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ ছবিৰে ফণ্ডাৰ ছপা কাৰ্য্য সময়মতে হৈ নুঠাত সভাই এই কাৰ্য্য বাদ দিব লগা হয়। উক্ত কাৰ্য্যৰ বাবে হোৱা অগ্ৰিম খৰচ চাৰি হেজাৰ টকা বোম্বেৰ ললিত এড্‌ভাৰটাইজিং প্ৰেছক সভাই সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাৰ চিঠিৰ ভিত্তিত দিয়াৰ কথা সম্পাদকে জনায়।

১৯। কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ অনুৰোধ সত্ত্বেও অষ্টাত্ৰিংশ মাকুম অধিবেশনৰ অভ্যৰ্থনা সমিতিয়ে হিচাব নিদিয়াৰ কাৰণে সভাই দুখ প্ৰকাশ কৰে আৰু এপ্ৰিল মাহৰ ভিতৰতে হিচাব দিবৰ কাৰণে সভাই উক্ত অভ্যৰ্থনা সমিতিক পুনৰ অনুৰোধ কৰে।

২০। ধুবুৰী অধিবেশনত অসম সাহিত্য সভাৰ মূল কাৰ্য্যালয় সম্পৰ্কীয় ব্যয়ৰ বাবে সভাই ৩০০'০০ (তিনিশ) টকাৰ ব্যয় অনুমোদন কৰে।

২১। শ্ৰীদুৰ্গাধৰ শইকীয়াই সভাৰ পুথিচ'ৰাত কাম কৰাৰ কাৰণে তেওঁক নিৰ্দ্দিষ্ট হাৰত ভ্ৰমণ বানচ আৰু কিতাপ বিক্ৰয় বাবদ শতকৰা ১০ টকা কমিচন দিবলৈ সভাই স্থিৰ কৰে।

২২। কেন্দ্ৰীয় কাৰ্য্যালয়ৰ মুখ্য-সহকাৰী শ্ৰীনন্দ বৰদলৈৰ ১৮।৩।৭২ তাৰিখৰ আবেদন অনুযায়ী পাঁচশ টকা ঋণ মঞ্জুৰ কৰা হয় আৰু এই টকা ১৪ মাহত আদায় কৰিবলৈ সভাই স্থিৰ কৰে।

২৩। বৰ্ত্তমান ছুটীত থকা কাৰ্য্যালয় সহকাৰী শ্ৰীপ্ৰফুল্ল বৰাৰ ২০।৩।৭২ তাৰিখৰ আবেদন অনুযায়ী তেওঁক ১৯৭২ চনৰ ১ এপ্ৰিলৰ পৰা ৩০ চেপ্তেম্বৰলৈ ৬ মাহৰ বাবে বিনা দৰমহাত ছুটী মঞ্জুৰ কৰা হয়। সমিতিয়ে সিদ্ধান্ত কৰে যে ৩০ চেপ্তেম্বৰৰ পিচত শ্ৰীবৰাক পুনৰ ছুটী দিয়া নহব। শ্ৰীবৰাৰ ছুটীৰ কালত শ্ৰীলক্ষ্মীধৰ শইকীয়াৰ কাৰ্য্যকাল ৩০ চেপ্তেম্বৰ পৰ্য্যন্ত বঢ়াই দিয়া হয়।



২৪। গুৱাহাটী কাৰ্য্যালয়ৰ পিয়ন শ্ৰীলোহিত হালৈয়ে পদ ইস্তফা দিয়াত তেওঁৰ ঠাইত শ্ৰীদুলাল-চন্দ্ৰ ডেকাক ১৯৭২ চনৰ ২ মাৰ্চ্চৰ পৰা উক্ত পদত নিয়োগ কৰা কাৰ্য্য সভাই অনুমোদন কৰে।

২৫। ৰজনী পুস্তক বিপনীয়ে ১০০'০০ টকা জমা দি অসম সাহিত্য সভাৰ প্ৰকাশনৰ এজেন্সী লবলৈ আবেদন কৰাত সভাই আবেদন মঞ্জুৰ কৰে।

২৬। অসম সাহিত্য সভাৰ নিয়মাৱলীৰ চতুৰ্থ ছেদ দহ বিধি অনুযায়ী (১) শ্ৰীযোগেশ্বৰ বৰা (কলিয়াবৰ), (২) শ্ৰীযতীন্দ্ৰনাথ ভূঞা, এম-এ (কলিয়াবৰ), (৩) শ্ৰীউমাকান্ত ফুকন (ডুমডুমা)-ক অসম সাহিত্য সভাৰ আজীৱন সভ্য ভুক্ত কৰা হয়।

২৭। অসম সাহিত্য সভাৰ নিয়মাৱলীৰ তৃতীয় ছেদৰ পাঁচ বিধি অনুযায়ী তলত নাম দিয়া সভাসমূহক অসম সাহিত্য সভাৰ শাখা সভা হিচাপে স্বীকৃতি দিয়া হয়---

(১) গোবেশ্বৰ সাহিত্য সভা—কামৰূপ।

(২) দীঘেলী সাহিত্য সভা—কামৰূপ।

(৩) ঝাপিৰবন্দ সাহিত্য সভা—কাছাৰ।

(৪) মথুৰাপুৰ সাহিত্য সভা—শিৱসাগৰ।

(৫) চাৰিআলি সাহিত্য সভা—ডিব্ৰুগড়।

(৬) গোৱালপাৰা সাহিত্য সভা—কামৰূপ।

(৭) জ্যোতি সাহিত্য সভা (কেন্দুকুছি)—কামৰূপ।

(৮) বাসুগাওঁ সাহিত্য সভা—গোৱালপাৰা।

(৯) পুৰণিগুদাম সাহিত্য সভা—নগাঁও।

(১০) ৰহা আঞ্চলিক সভা—নগাঁও।

(১১) বালি সাহিত্য সভা—মিকিৰ পাহাৰ।

(১২) পুৰ ডিব্ৰুগড় সাহিত্য সভা—ডিব্ৰুগড়।

(১৩) কল্যাণী সাহিত্য সভা—শিৱসাগৰ।

(১৪) জামাদাৰহাট সাহিত্য সভা—গোৱালপাৰা।

(১৫) বিহগুৰি সাহিত্য সভা—দৰং।

(১৬) লক্ষীচৰা সাহিত্য সভা—কাছাৰ।

২৮। সদস্যসকলৰ হৈ বছৰটোত অসম সাহিত্য সভাক সুস্থ নেতৃত্ব দিব পৰা বাবে বিশেষকৈ সভাক ঋণমুক্ত কৰাৰ বাটত আগবঢ়াবৰ কাৰণে সভাৰ সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মা আৰু প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীলৈ ধন্যবাদ জনায়। বছৰটোত 'অসম সাহিত্য সভা পত্ৰিকা' নিয়মীয়া প্ৰকাশৰ বাবে পত্ৰিকা সম্পাদক শ্ৰীআব্দুছ ছাত্তাৰলৈ ধন্যবাদ জনায়।

২৯। ধুবুৰীৰ সদস্য শ্ৰীঅমলকুমাৰ দাসে ধুবুৰীৰ নিমন্ত্ৰণ গ্ৰহণ কৰাৰ বাবে অসম সাহিত্য সভাক ধন্যবাদ জনায় আৰু যথাসময়ত অধিবেশন বহুৱাব নোৱাৰাৰ কাৰণে ক্ষমা প্ৰাৰ্থনা কৰে।

স্বাঃ শ্ৰীমহেশ্বৰ নেওগ

সভাপতি,

৬।৪।৭২

# অসম সাহিত্য সভা

## চলিত বছৰৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ প্ৰথম অধিবেশন

তাং ২১।৫।৭২

**ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী**

**উপস্থিতসকল**

১। শ্ৰীহেম বৰুৱা—সভাপতি, ২। শ্ৰীমহেশ্বৰ নেওগ—উপ-সভাপতি, ৩। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী—প্ৰধান সম্পাদক, ৪। শ্ৰীৰমা বৰঠাকুৰ—ধন-ভঁড়ালী, ৫। শ্ৰীপৰেশমল্ল বৰুৱা—পত্ৰিকা সম্পাদক, ৬। শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা—সহকাৰী সম্পাদক, ৭। শ্ৰীপ্ৰসন্নৰাম দাস—সহকাৰী সম্পাদক, ৮। শ্ৰীমতী সাধী তেৰনগী, ৯। শ্ৰীমতী অমিয়া চক্ৰৱৰ্ত্তী, ১০। শ্ৰীভগৱান মৰল, ১১। শ্ৰীবিপিনচন্দ্ৰ ৰাজবংশী, ১২। শ্ৰীঅম্বিকাচৰণ সৰকাৰ, ১৩। শ্ৰীফণীন্দ্ৰনাথ ব্ৰহ্ম, ১৪। শ্ৰীশ্ৰীমান চক্ৰৱৰ্ত্তী, ১৫। শ্ৰীঅৱনীন্দ্ৰ-চন্দ্ৰ ৰবা, ১৬। শ্ৰীকমলেশ্বৰ ৰবা, ১৭। শ্ৰীব্ৰজপতি মহন্ত, ১৮। শ্ৰীশিৱানন্দ শৰ্ম্মা, ১৯। শ্ৰীৰাম গোস্বামী।

**নিমন্ত্ৰিতসকল**

শ্ৰীতীৰ্থনাথ শৰ্ম্মা—প্ৰাক্তন সভাপতি, শ্ৰীঅতুল-চন্দ্ৰ হাজৰিকা—প্ৰাক্তন সভাপতি।

১। স্থায়ী সভাপতি শ্ৰীহেম বৰুৱাৰ সভাপতিত্বত পুৱা ৮-৩০ বজাত সভা আৰম্ভ হয়। প্ৰধান সম্পাদকে ৬।৪।৭২ তাৰিখৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ শেষ অধিবেশনৰ কাৰ্য্য-বিৱৰণি পাঠ কৰে আৰু উক্ত কাৰ্য্য-বিৱৰণি সভাত গৃহীত হয়।

২। যোৱা বছৰত পদ্মনাথ গোহাঞিবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামী শতবাৰ্ষিকী উপলক্ষে বোম্বেৰ এটি প্ৰতিষ্ঠানক ফণ্ডাৰ ছপা কৰিবলৈ দি পিচত পৰিস্থিতিয়ে বাধ্য কৰাত উক্ত ফণ্ডাৰৰ ছপা কাৰ্য্য হৈ নুঠিল। এই সম্পৰ্কে প্ৰাক্তন সভাপতি শ্ৰীতীৰ্থ-নাথ শৰ্ম্মাই সভাত এটি বিবৃতি দিয়ে।

উক্ত কাৰ্য্যৰ বাবে আগধন হিচাপে পঠোৱা চাৰিহেজাৰ টকাৰ এহেজাৰ টকা ইতিমধ্যে ঘূৰাই পোৱা হৈছে বুলি প্ৰধান সম্পাদকে জনায়। সভাই সিদ্ধান্ত কৰে যে ললিত এড্‌ভাৰটাইজিং প্ৰেছে সভাক সময়মতে ফণ্ডাৰ কৰি দিব নোৱাৰাৰ কাৰণে তেওঁলোকক অগ্ৰিম হিচাবে দিয়া তিনিহেজাৰ টকা সম্পূৰ্ণ ঘূৰাই দিবলৈ জাননী দিয়া হওক।

৩। অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশনত গৃহীত অসমৰ বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম সম্পৰ্কীয় প্ৰস্তাৱটোৰ ওপৰত আলোচনা হয়। এই সম্পৰ্কত বাতৰি কাকতত প্ৰকাশিত চিঠি-পত্ৰাদিৰ বিষয়েও আলোচনা হয়। ইতিমধ্যে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে অসমীয়াকেই একমাত্ৰ মাধ্যম হিচাপে



গ্ৰহণ কৰিছে বুলি প্ৰধান সম্পাদকে জনায়। ৬ জুনত গুৱাহাটী বিশ্ববিদ্যালয় একাডেমিক কাউন্সিলৰ সভা বহিব আৰু তাৰ পূৰ্ব্বেই সভাৰ এটি সজাতি দলে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যক লগ ধৰি অসম সাহিত্য সভাৰ ধুবুৰী সন্মিলনৰ প্ৰস্তাৱৰ পৰিপ্ৰেক্ষিতত সভাৰ মত দাঙি ধৰিব। এই সজাতি দলত থাকিব—অসম সাহিত্য সভাৰ সভাপতি, উপ-সভাপতি, প্ৰধান সম্পাদক, শ্ৰীতীৰ্থ-নাথ শৰ্ম্মা আৰু শ্ৰীপ্ৰসন্নৰাম দাস।

৪। ধুবুৰী অধিৱেশনত গৃহীত বাকী কেইটা প্ৰস্তাৱৰ বিষয়েও আলোচনা হয়। সভাই অসম সাহিত্য সভাৰ এটা সজাতি দলে অসমৰ মুখ্যমন্ত্ৰীক লগ ধৰাৰ আৱশ্যকতা অনুভৱ কৰে। তলত দিয়া লোকসকলেৰে এটি সজাতি দল গঠিত হয়—শ্ৰীহেমৰ বৰুৱা, শ্ৰীতীৰ্থনাথ শৰ্ম্মা, শ্ৰীমহেশ্বৰ নেওগ, শ্ৰীযতীন্দ্ৰনাথ গোস্বামী, শ্ৰীপ্ৰসন্নৰাম দাস।

৫। ধুবুৰীত অসম সাহিত্য সভাৰ এটি আঞ্চলিক কাৰ্য্যালয় স্থাপন কৰা সম্পৰ্কত ধুবুৰী সন্মিলনৰ বিষয় বাছনি সভাই দাঙি ধৰা মতৰ ওপৰত ভিত্তি কৰি সভাই তলৰ প্ৰস্তাৱটি গ্ৰহণ কৰে—

"অসম সাহিত্য সভাৰ ধুবুৰী সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ হাতত কিছু পুঁজি এতিয়াও ৰাহি আছে বুলি জানিব পাৰি কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে অভ্যৰ্থনা সমিতিক অনুৰোধ জনায় যেন সিসকলে ধুবুৰীত অসম সাহিত্য সভাৰ এটি ভৱন নিৰ্ম্মাণৰ আশু ব্যৱস্থা গ্ৰহণ কৰে"।

৬। ধুবুৰীত অসম সাহিত্য সভাৰ এটি আঞ্চলিক কাৰ্য্যালয় স্থাপন কৰা কথাটো কাৰ্য্য-নিৰ্ব্বাহক সভাই নীতিগতভাৱে গ্ৰহণ কৰে আৰু এই বিষয়ে এখনি আঁচনি প্ৰস্তুত কৰিবৰ কাৰণে তলত নাম দিয়া লোকসকলেৰে এখনি উপ-সমিতি গঠন কৰে—

(১) শ্ৰীতীৰ্থনাথ শৰ্ম্মা, (২) শ্ৰীমহেশ্বৰ নেওগ, (৩) শ্ৰীদীনেশৰঞ্জন সৰকাৰ, (৪) শ্ৰীপ্ৰসন্নৰাম দাস ( আহ্বায়ক )।

৭। কাছাৰৰ তৰুণৰাম ফুকন বিদ্যালয়খনি অসম চৰকাৰে লব লাগে বুলি সভাই মত প্ৰকাশ কৰে।

৮। অসম উপত্যকাত যিবিলাক অনা-অসমীয়া বিদ্যালয়ত অসমীয়া ভাষা শিক্ষাৰ ব্যৱস্থা কৰা নাই তেনে বিদ্যালয়ত অসমীয়া শিক্ষক নিয়োগ সম্পৰ্কে সভাই অসম চৰকাৰক টানি অনুৰোধ কৰে।

৯। অসম সাহিত্য সভাৰ বাৰ্ষিক সন্মিলনত প্ৰতিনিধি হিচাবে যোগদান কৰিব খোজা কেন্দ্ৰীয় চৰকাৰৰ চাকৰিয়ালসকলক উক্ত কেইদিনৰ বাবে আছুতীয়া নৈমিত্তিক ছুটী দিবলৈ কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগৰ লগত হোৱা যোগাযোগৰ কথা প্ৰধান সম্পাদকে জনায়।

১০। অহা ১১ আৰু ১৬ ডিচেম্বৰত বিভিন্ন শাখা-সভাৰ যোগেদি সদৌ অসমত আৰু ক্ৰমান্বয়ে ডিব্ৰুগড় আৰু গুৱাহাটীত কেন্দ্ৰীয়ভাৱে অসমীয়া ভাষা সাহিত্যৰ দুজনা কৰ্ণধাৰ অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বেণুধৰ ৰাজখোৱা আৰু কনকলাল বৰুৱাৰ জন্ম শতবাৰ্ষিকী উৎসৱ পালন কৰিবলৈ সভাই স্থিৰ কৰে।

(ক) ডিব্ৰুগড়ৰ কেন্দ্ৰীয় উৎসৱৰ বাবে বেণুধৰ ৰাজখোৱা শতবাৰ্ষিকী সমিতি তলত নাম দিয়া সভ্যসকলেৰে গঠন কৰা হয়। উক্ত সমিতিয়ে আৱশ্যক অনুসৰি সভ্যসংখ্যা বৃদ্ধি কৰি লব পাৰিব।

(১) শ্ৰীলক্ষ্মীপ্ৰসাদ দত্ত—সভাপতি।

(২) শ্ৰীহেৰম্ব বৰদলৈ।

(৩) শ্ৰীভীমকান্ত কোঁৱৰ—যুটীয়া সম্পাদক।

(খ) গুৱাহাটীত 'কনকলাল বৰুৱা জন্ম শত-বাৰ্ষিকী'ৰ কেন্দ্ৰীয় উৎসৱ পালনৰ বাবে তলত নাম দিয়া সভ্যসকলেৰে উৎসৱ সমিতি গঠন কৰা হয়—

উপদেষ্টা—শ্ৰীহেম বৰুৱা, শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, শ্ৰীতীৰ্থনাথ শৰ্ম্মা, ডঃ হেৰম্ব বৰপূজাৰী, ডঃ প্ৰতাপ চৌধুৰী।

সভাপতি—ডঃ মহেশ্বৰ নেওগ।

সম্পাদক—শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা আৰু শ্ৰী-প্ৰসন্নৰাম দাস।

সদস্য—শ্ৰীমুৰাৰিচৰণ দাস, শ্ৰীৰজনীকান্ত দেৱশৰ্ম্মা, শ্ৰীযোগেশ দাস, শ্ৰীনন্দ তালুকদাৰ।

'কনকলাল বৰুৱা শতবাৰ্ষিকী'ৰ বাবে তলৰ কাৰ্য্যসূচী গৃহীত হয়—

(১) প্ৰকাশন পৰিষদৰ যোগেদি 'Early History of Kamrup'ৰ অসমীয়া সংস্কৰণ প্ৰকাশ।

(২) কনকলাল বৰুৱাৰ ৰচনাৱলী প্ৰকাশ (ইংৰাজী আৰু অসমীয়া) আৰু স্মৃতিগ্ৰন্থ প্ৰকাশ।

সম্পাদক—শ্ৰীমুৰাৰিচৰণ দাস আৰু শ্ৰীনন্দ তালুকদাৰ।

(৩) বুৰঞ্জীমূলক গ্ৰন্থ (কিতাপ আৰু পুথি) আৰু পুৰণি আলোচনীৰ দুদিনীয়া প্ৰদৰ্শনীৰ আয়োজন। প্ৰদৰ্শনীৰ আয়োজনৰ কাৰণে তলত নাম দিয়া লোকসকলেৰে এখনি উপ-সমিতি গঠন কৰি দিয়া হয়—

(১) শ্ৰীযুগল দাস, (২) শ্ৰীমুৰাৰিচৰণ দাস, (৩) শ্ৰীযোগেশ দাস, (৪) শ্ৰীনন্দ তালুকদাৰ।

আৱশ্যক হলে এই সমিতিয়ে আৰু সদস্য যোগ দি লব।

১১। আখৰ-জোটনি সমিতিৰ কথা প্ৰধান সম্পাদকে উত্থাপন কৰে আৰু অহা পুজাৰ বন্ধত এই সমিতি গুৱাহাটীত তিনিদিনীয়াকৈ বহুৱাবলৈ সভাই সিদ্ধান্ত লয়।

১২। গ্ৰন্থপঞ্জীৰ সংকলন সম্পৰ্কত প্ৰধান সম্পাদকে সভাত এটি বিবৃতি দিয়ে। সভাই গ্ৰন্থপঞ্জী প্ৰকাশ কৰিবলৈ স্থিৰ কৰি প্ৰধান সম্পাদকক উক্ত কাৰ্য্যত আগবাঢ়িবলৈ পৰামৰ্শ দিয়ে।

১৩। লোকগীত সংগ্ৰহ সম্পৰ্কত প্ৰধান সম্পাদকে এটি বিবৃতি দিয়ে। কাৰ্য্য-নিৰ্ব্বাহকৰ সিদ্ধান্ত মতে প্ৰথম পৰ্য্যায়ত গোৱালপাৰা জিলাৰ লোকগীত সংগ্ৰহ কৰা কাৰ্য্য আৰম্ভ কৰা হ'ব। এই সম্পৰ্কত শাখা-সভাসমূহৰ লগত যোগাযোগ কৰিবলৈ সভাই সিদ্ধান্ত কৰে।

১৪। ন-শিকাৰুৰ আছুতীয়া পাঠ্য 'ৰামায়ণৰ কাহিনী' আৰু 'বগুৰাৰ আত্মকথা' প্ৰতিযোগিতাৰ মাজেদি নিৰ্ব্বাচিত কৰিবলৈ সভাই সিদ্ধান্ত লয়। উক্ত কিতাপৰ বাবে পাৰিতোষিক দি ব্যৱস্থা কৰিবৰ কাৰণে সভাই স্থিৰ কৰে।

১৫। 'কেহোকলি' প্ৰকাশৰ বিষয়ে আলোচনা কৰা হয়। এই প্ৰসঙ্গত মণিমাণিক প্ৰকাশকৰ ৫।৫।৭২ তাৰিখৰ চিঠি পাঠ কৰা হয়। চিঠিত প্ৰকাশকে জনাইছে যে সিসকলে দ্বিতীয় সংস্কৰণৰ ৫০০০ কপিকৈ ইতিমধ্যে ছপা কাম আৰম্ভ কৰিছে। প্ৰধান সম্পাদকে জনাইছে যে 'কেহোকলি' প্ৰকাশৰ



কথা লৈ লক্ষ্মীনাথ বেজবৰুৱাৰ পুথিৰ স্বত্বাধিকাৰী শ্ৰীমতী ৰত্না বৰুৱাৰ লগত বন্দৱস্ত সম্পৰ্কে কোনো কাগজ-পত্ৰ সভ্যহতে কাৰ্য্যালয়ত পোৱা নাই। সিদ্ধান্ত কৰা হ'ল যে প্ৰথম সংস্কৰণৰ বন্দৱস্তৰ বিষয়ে প্ৰাক্তন সম্পাদক শ্ৰীহৰিপ্ৰসাদ নেওগ আৰু শ্ৰীমতী বৰুৱাৰ লগত আলোচনা কৰি আৰু পৰৱৰ্ত্তী সংস্কৰণ প্ৰকাশ কৰিবলৈ 'এটা স্পষ্ট চুক্তি কৰিবৰ কাৰণে প্ৰধান সম্পাদকক ভাৰ দিয়া হওক। প্ৰধান সম্পাদকে সভাপতিৰ পৰামৰ্শ লৈ মণিমাণিক প্ৰকাশকৰ দ্বিতীয় সংস্কৰণ সম্পৰ্কে আবেদনখন এই সম্পৰ্কত বিবেচনা কৰি চাব পাৰে।

১৬। হিচাব পৰীক্ষা সংক্ৰান্তত উদ্ভৱ হোৱা পৰিস্থিতি সম্পৰ্কে প্ৰধান সম্পাদকে বিৱৰি কয়। এই সম্পৰ্কত কাৰ্ণানি এণ্ড কোম্পানী আৰু মহম্মদ চাকীলৈ দিয়া চিঠি প্ৰধান সম্পাদকে সভাত পাঠ কৰে।

(ক) সভাই ১৯৭১-৭২ চনৰ হিচাপ পৰীক্ষা কৰিবৰ কাৰণে আগৰ হিচাপ পৰীক্ষক মহম্মদ চাকীকে নিয়োগ কৰিবলৈ স্থিৰ কৰে।

(খ) ১৯৭২-৭৩ চনৰ হিচাপ পৰীক্ষা কৰিবৰ কাৰণে সভাই যোৰহাটৰ শ্ৰীজ্ঞানেন শইকীয়াক নিয়োগ কৰিবলৈ স্থিৰ কৰে।

(গ) সভাই ১৯৭১-৭২ চনৰ হিচাপ পৰীক্ষাৰ কাৰণে পৰীক্ষকক ৫০০ (পাঁচশ) টকা দিবলৈ স্থিৰ কৰে।

১৭। প্ৰধান সম্পাদকে ১৯৭২-৭৩ চনৰ বাবে আয়-ব্যয়ৰ বাজেট উত্থাপন কৰে। এই সম্পৰ্কত সম্পাদকে কয় যে বৰ্ত্তমান সভাৰ পুঁজি সন্তোষজনক নহয়। সেয়ে সভাৰ ঘাটি বাজেটলৈ লক্ষ্য ৰাখি সকলো বিষয়তে মিতব্যয়িতা বিচৰা হয়। ১৯৭২-৭৩ চনৰ আয়-ব্যয়ৰ বাজেট সৰ্ব্বসম্মতিক্ৰমে গৃহীত হয়।

১৮। তলত নাম দিয়া সদস্যসকলেৰে ১৯৭২-৭৩ চনৰ বাবে 'অসম সাহিত্য সভা পত্ৰিকা' সম্পাদনা সমিতি গঠন কৰা হয়—

(১) শ্ৰীহেম বৰুৱা—সভাপতি, অসম সাহিত্য সভা, (২) শ্ৰীযতীন্দ্ৰনাথ গোস্বামী—প্ৰধান সম্পাদক, অসম সাহিত্য সভা, (৩) শ্ৰীনৰকান্ত বৰুৱা, (৪) শ্ৰীমতী নিৰ্ম্মলপ্ৰভা বৰদলৈ, (৫) শ্ৰীবীৰেন্দ্ৰ-কুমাৰ ভট্টাচাৰ্য্য, (৬) শ্ৰীকেশৱ মহন্ত, (৭) শ্ৰীপৰেশমল্ল বৰুৱা—পত্ৰিকা সম্পাদক (আহ্বায়ক)।

১৯। তলত নাম দিয়া লোকসকলেৰে ১৯৭২-৭৩ চনৰ বাবে ভাষাজ্ঞান পৰীক্ষা সংসদ গঠন কৰা হয়—

(১) শ্ৰীযতীন্দ্ৰনাথ গোস্বামী—প্ৰধান সম্পাদক, (২) শ্ৰীমুক্তিনাথ শৰ্ম্মা, (৩) শ্ৰীমতী অৰুণা গোহাঞি, (৪) শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা, (৫) শ্ৰীঅমল-কুমাৰ ৰাজখোৱা—আহ্বায়ক।

২০। সভাই সিদ্ধান্ত কৰে যে 'প্ৰেমধৰ দত্ত সোঁৱৰণি' পুঁজিৰ ন্যাস সমিতিক ১৯৭১ চনত প্ৰকাশিত শিশু সাহিত্যৰ উৎকৃষ্ট গ্ৰন্থৰ বাবে প্ৰতিযোগিতা পৰিচালনা কৰিবৰ বাবে দায়িত্ব দিয়া হওক।

২১। 'বনমালী শইকীয়া' ৰচনা প্ৰতিযোগিতা পৰিচালনাৰ বাবে তলত নাম দিয়া সভ্যসকলেৰে এখনি উপ-সমিতি গঠন কৰা হয়—

(১) শ্ৰীশ্ৰীমিত্ৰদেৱ মহন্ত, (২) শ্ৰীআনন্দ-চন্দ্ৰ বৰুৱা, (৩) শ্ৰীঅৰুণ গোস্বামী, (৪) শ্ৰীদেৱ-প্ৰসাদ বৰুৱা, (৫) প্ৰধান সম্পাদক।

২২। 'হৰিহৰ চৌধুৰী' ৰচনা প্ৰতিযোগিতা

পৰিচালনাৰ বাবে তলত নাম দিয়া সকলেৰে এখনি উপ-সমিতি গঠন কৰা হয়—

(১) শ্ৰীমিত্ৰদেৱ মহন্ত, (২) শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, (৩) প্ৰধান সম্পাদক (৪) শ্ৰীনিত্য ভটাচাৰ্য্য, (৫) শ্ৰীসুৰেন্দ্ৰকুমাৰ ৰাজকুমাৰ, (৬) শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা।

২৩। 'গোপালচন্দ্ৰ গোস্বামী' শিশু সাহিত্য বঁটা ( বিজ্ঞান )-ৰ প্ৰতিযোগিতা পৰিচালনা কৰিবৰ বাবে এখনি উপ-সমিতি গঠন কৰা হয়—

(১) শ্ৰীআনন্দচন্দ্ৰ বৰুৱা, (২) শ্ৰীঅৰুণ গোস্বামী, (৩) শ্ৰীদেৱপ্ৰসাদ বৰুৱা, (৪) শ্ৰীমুকুলচন্দ্ৰ চলিহা, (৫) প্ৰধান সম্পাদক।

২৪। সাহিত্য একাডেমিৰ সচিবৰ ৮।৫।৭২ তাৰিখৰ চিঠি সভাত পঠিত হয়। সভাই সাহিত্য একাডেমিৰ চিঠি অনুসৰি অসম সাহিত্য সভাৰ পৰা এজন প্ৰতিনিধিৰ বাবে তলৰ তিনিগৰাকী ব্যক্তিৰ নামৰ তালিকা গ্ৰহণ কৰে—

১। শ্ৰীতীৰ্থনাথ শৰ্ম্মা।
২। শ্ৰীমহেশ্বৰ নেওগ।
৩। শ্ৰীযতীন্দ্ৰনাথ গোস্বামী।

২৫। অসমীয়া ভাষা সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰ তথা সৰ্ব্বভাৰতীয় আৰু বিশ্ব-সাহিত্যৰ লগত যোগসূত্ৰ স্থাপন আৰু অসম সাহিত্য সভাৰ প্ৰকাশনৰ উদ্দেশ্যে অসমীয়া সাহিত্যৰ উল্লেখযোগ্য মৌলিক গ্ৰন্থসমূহৰ ভাৰতীয় তথা বিদেশী ভাষালৈ অনুবাদ আৰু ভাৰতীয় ভাষা তথা বিদেশী ভাষাৰ বাছকৰনীয়া গ্ৰন্থ অসমীয়া ভাষালৈ অনুবাদৰ প্ৰয়োজনীয়তা আজিৰ সভাই গভীৰভাৱে উপলব্ধি কৰে। এই উদ্দেশ্যে সুপৰিকল্পিত আৰু প্ৰণালীবদ্ধভাৱে গ্ৰন্থ প্ৰকাশৰ আঁচনি যুগুত কৰি তাৰ কাৰ্য্যকৰী ৰূপ দিবলৈ তলত দিয়া সদস্যসকলক লৈ অসম সাহিত্য সভাৰ এখনি প্ৰকাশন সমিতি গঠন কৰা হয়।

(১) সভাপতি, অসম সাহিত্য সভা, (২) উপ-সভাপতি, অসম সাহিত্য সভা, (৩) প্ৰধান সম্পাদক, অসম সাহিত্য সভা, (৪) শ্ৰীতীৰ্থনাথ শৰ্ম্মা, (৫) শ্ৰীঅৱনীন্দ্ৰচন্দ্ৰ বৰা, (৬) শ্ৰীভগৱান মৰল, (৭) শ্ৰীপৰেশমল্ল বৰুৱা, (৮) শ্ৰীশ্ৰীমান চক্ৰৱৰ্ত্তী, (৯) শ্ৰীপ্ৰসন্নৰাম দাস—আহ্বায়ক।

২৬। 'ৰাধাকান্ত সন্দিকৈ স্মৃতিভৱন' নিৰ্ম্মাণৰ কাৰ্য্য কেবাবছৰো ধৰি বন্ধ থকাত সভাই আক্ষেপ প্ৰকাশ কৰে আৰু উক্ত কাৰ্য্যত অগ্ৰসৰ হ'বৰ বাবে ভৱন নিৰ্ম্মাণ সমিতিক অনুৰোধ কৰে।

২৭। অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণসমূহৰ ( পদ্মধৰ চলিহাৰ পৰা শ্ৰীহেম-বৰুৱালৈ ) ভাষণাৱলীৰূপে আন এটা খণ্ড প্ৰকাশৰ বাবে এটি আঁচনি কৰি চৰকাৰৰ পৰা আৰ্থিক সাহায্য বিচাৰিবলৈ সভাই স্থিৰ কৰে।

২৮। অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগটোক বিশ্ববিদ্যালয়ৰ লগত চামিল কৰিবলৈ অসম চৰকাৰে আয়োজন কৰা বুলি শুনি সভাই উদ্বেগ প্ৰকাশ কৰে। উক্ত বিভাগটোক স্বতন্ত্ৰ আৰু সক্ৰিয় কৰি স্বকীয়ভাৱে ৰখাটোৱেই বাঞ্ছনীয় বুলি সভাই দৃঢ়মত প্ৰকাশ কৰে।

২৯। অসম চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত সংখ্যালঘিষ্ঠসকলৰ প্ৰতি দেখুৱা ব্যৱহাৰ কাছাৰ জিলাৰ ক্ষেত্ৰতো প্ৰযোজ্য হ'ব লাগে আৰু কাছাৰ জিলাত থকা অসমীয়া ভাষীসকলৰ প্ৰতি যথাযোগ্য ব্যৱহাৰ দেখুৱাব লাগে বুলি সভাই দৃঢ়মত প্ৰকাশ কৰে আৰু অসম চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰে। মেঘালয়ত



থকা অসমীয়া শিক্ষানুষ্ঠান সম্পৰ্কে তাত থকা সাহিত্যসভাসমূহৰ লগত যোগাযোগ কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সভাই স্থিৰ কৰে।

৩০। কাছাৰ জিলাত থকা অসমীয়া বিদ্যালয়সমূহৰ অৱস্থা আৰু ইতিমধ্যে তাৰ খনচেৰেক বিদ্যালয়ক অসম সাহিত্য সভাই দিয়া সাহায্যৰ কথা প্ৰধান সম্পাদকে উল্লেখ কৰে। সভাই কাছাৰ জিলাৰ অসমীয়া শিক্ষা সম্পৰ্কে স্থানীয়ভাৱে অধ্যয়ন কৰি এটি প্ৰতিবেদন দাখিল কৰিবলৈ কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ দুজন সদস্য শ্ৰীশ্ৰীমান চক্ৰৱৰ্ত্তী আৰু শ্ৰীকমলেশ্বৰ বৰাক সোনকালে কাছাৰ জিলালৈ পঠিয়াবলৈ সিদ্ধান্ত কৰে।

৩১। 'ডি চাৰপেণ্ট এণ্ড ডি ৰপ' আৰু 'লাষ্ট ফেজ অৱ গান্ধীজী' নামৰ গ্ৰন্থ দুখনিৰ অনুবাদকাৰ্য্য সম্পূৰ্ণ নোহোৱাত সভাই আক্ষেপ প্ৰকাশ কৰে আৰু অতি সোনকালে অনুবাদকাৰ্য্য সমাপ্ত কৰাই কিতাপ দুখনিৰ প্ৰকাশৰ ব্যৱস্থা লবলৈ সভাই স্থিৰ কৰে।

৩২। সভাই ১৯৭২ চনৰ বেনুধৰ ৰাজখোৱা আৰু কনকলাল বৰুৱাৰ জন্ম-শতবাৰ্ষিকীৰ সময়তে ১০ ডিচেম্বৰৰ পৰা ১৬ ডিচেম্বৰলৈ 'অসম সাহিত্য সভা সপ্তাহ' পালন কৰিবলৈ সিদ্ধান্ত কৰে।

৩৩। সঙ্গীত নাটক একাডেমি, ললিত কলা একাডেমি আদিত অসম সাহিত্য সভাৰ প্ৰতিনিধি থকা উচিত বুলি বিবেচনা কৰি সভাই এই সম্পৰ্কত লিখালিখি কৰিবলৈ প্ৰধান সম্পাদকক ভাৰ দিয়ে।

৩৪। কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সভ্যসকলক ভ্ৰমণ ভাট্টা দিবৰ কাৰণে চলিত পুঁজিৰ পৰা টকা উলিয়াব নোৱাৰি সাময়িক অসুবিধা এৰিবৰ বাবে অন্য পুঁজিৰ পৰা ওঁঠৰশ টকা উলিয়াব লগা হোৱাত সভাই উক্ত ঋণ চলিত পুঁজিৰ পৰা অতি শীঘ্ৰে পৰিশোধ কৰিবলৈ স্থিৰ কৰে।

৩৫। গুৱাহাটী কাৰ্য্যালয়ৰ সহকাৰী সম্পাদকক এশ টকালৈকে ধন নিজৰ হাতত ৰাখিবলৈ সভাই অনুমতি দিয়ে।

স্বাঃ শ্ৰীহেম বৰুৱা,
সভাপতি
২১।৫।৭২

## অসম সাহিত্য সভাৰ উনচত্বাৰিংশ ধুবুৰী অধিৱেশনত গৃহীত

# শোক প্ৰস্তাৱ

অসম সাহিত্য সভাৰ আজিৰ উনচত্বাৰিংশ ধুবুৰী সন্মিলনে অসমৰ প্ৰাক্তন ৰাজ্যপাল শ্ৰীশ্ৰীপ্ৰকাশ; বিখ্যাত ভাৰতীয় বৈজ্ঞানিক শ্ৰীবিক্ৰম সৰাভাই; বিশিষ্ট অৰ্থনীতিবিদ শ্ৰীডি, আৰ, গেডগিল; প্ৰবীণ আইনজ্ঞ শ্ৰীকালীৰাম বৰ্ম্মণ আৰু শ্ৰীবুদ্ধ হাজৰিকা, অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক শ্ৰীহৰিনাথ পাঠক চৌধুৰী; অসম সাহিত্য সভাৰ গোৱালপাৰা অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীখগেন্দ্ৰনাথ নাথ; সমাজসেৱী পদ্মশ্ৰী চন্দ্ৰপ্ৰভা শইকীয়ানী; প্ৰাক্তন ৰাজিক মন্ত্ৰী শ্ৰীদুৰ্গেশ্বৰ শইকীয়া; নাট্যকাৰ শ্ৰীলক্ষ্মীকান্ত দত্ত; বিখ্যাত অভিনেতা শ্ৰীচন্দ্ৰকান্ত ফুকন; সমাজসেৱী শ্ৰীমহিম সিংহ; শিক্ষাবিদ্ শ্ৰীকেশৰৰাম বৰাৰ পৰলোক প্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰি স্বৰ্গগত আত্মাৰ শান্তিৰ বাবে ভগৱানৰ চৰণত প্ৰাৰ্থনা জনায়।

স্বাঃ শ্ৰীহেম বৰুৱা
সভাপতি
৮.৪।৭২

## অসম সাহিত্য সভাৰ উনচত্বাৰিংশ ধুবুৰী অধিৱেশনত গৃহীত প্ৰস্তাৱ

**১ নং প্ৰস্তাৱ**

"অসমৰ শাসকীয় ভাষা স্বৰূপে অসমীয়া ভাষা প্ৰযোজ্য অঞ্চলত আৰু অসমৰ বিশ্ববিদ্যালয়সমূহৰ অন্তৰ্গত কলেজসমূহত শিক্ষাৰ মাধ্যম একমাত্ৰ অসমীয়া হ'ব লাগে। অসম চৰকাৰ আৰু বিশ্ব-বিদ্যালয়সমূহৰ কৰ্তৃপক্ষক অনতিপলমে উক্ত বিষয়ত ব্যৱস্থা লবলৈ টানি অনুৰোধ কৰা হওক।"

প্ৰস্তাৱক : শ্ৰীঅম্বিকাচৰণ সৰকাৰ
(বঙ্গাইগাওঁ সাহিত্য সভা)

সমৰ্থক : শ্ৰীপুষ্পধৰ চাংমাই
(খোৱাং সাহিত্য সভা)

**২ নং প্ৰস্তাৱ**

"যেহেতু দেশৰ অৰ্থনৈতিক জীৱন সাহিত্য সংস্কৃতিৰ মূল ভিত্তি, দিনক দিনে বৃদ্ধি পোৱা আমাৰ থলুৱা লোকৰ নিবনুৱা সমস্যা সমাধানাৰ্থে কেন্দ্ৰীয় চৰকাৰৰ অধীনত থকা অসম ৰাজ্যৰ অন্তৰ্গত সকলো বিভাগতে বিশেষকৈ ৰেল বিভাগ, ডাক-তাঁৰ বিভাগ, তেল, সাৰ, গেচ কোম্পানী বিভাগত থলুৱা অসমীয়া নিবনুৱাক শতকৰা আশী ভাগ খালি পদত মকৰল কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক দাবী জনোৱা হওক।"

প্ৰস্তাৱক : শ্ৰীনৰেন্দ্ৰনাথ শৰ্ম্মা
(সৰিতা সভা)

সমৰ্থক : শ্ৰীহৰেশ্বৰ নেওগ
(কলাবাৰী সাহিত্য সভা)

**৩ নং প্ৰস্তাৱ**

"যোৱা ১৯৬৯ চনৰ জুলাই মাহৰ অসম চৰকাৰে কেইজনমান কবি আৰু সাহিত্যিকক পেন্সন দিয়া হৈছে বুলি ঘোষণা কৰাৰ পৰা আজিলৈকে প্ৰায় তিনি বছৰ হোৱা সত্বেও চৰকাৰী সিদ্ধান্ত কাৰ্য্যকৰী নোহোৱাত অসম সাহিত্য সভাই গভীৰ উদ্বেগ প্ৰকাশ কৰে। ভাষা সাহিত্যৰ পুজাৰী গুণী লোক সকলক সমাজবাদী ৰাষ্ট্ৰই এনেদৰে অৱজ্ঞা কৰাত অসমৰ ৰাইজ বিতুষ্ট হৈছে আৰু কাকতে-পত্ৰই এই সম্পৰ্কে ৰাইজে বিক্ষোভ প্ৰকাশ কৰি আহিছে। এনে অৱস্থাতো চৰকাৰ নিমাত হৈ থকাত অসম সাহিত্য সভাই মুখ্যমন্ত্ৰী ভাওৰীয়াক বিশেষ অনুৰোধ কৰে যাতে ঘোষণা কৰা দিনৰে পৰা বাকী থকা পেন্সন সহ চৰকাৰে প্ৰতিশ্ৰুতি ৰক্ষা কৰে।

লগতে অধিক সংখ্যক গুণী সাহিত্যিক সাহিত্যিক পেন্সন দিবলৈ অসম সাহিত্য সভাই চৰকাৰক টানি অনুৰোধ জনায়।”

প্ৰস্তাৱক : শ্ৰীপুষ্পকান্ত খাউণ্ড
( কলিয়াবৰ সাহিত্য সভা )
সমৰ্থক : শ্ৰীগজেন চহৰীয়া,
( মঙ্গলদৈ সাহিত্য সভা )

**৪ নং প্ৰস্তাৱ**

“উচ্চ আৰু উচ্চমাধ্যমিক বিদ্যালয়সমূহৰ শিক্ষাৰ মাধ্যম অসমীয়া হোৱা স্বত্বেও পৰীক্ষা-সমূহৰ প্ৰশ্নকাকতবোৰ আজিপৰিমিত একমাত্ৰ ইংৰাজীতে হৈ আছে। অসম সাহিত্য সভাৰ উনচল্লাৱিংশ সন্মিলনে উক্ত পৰীক্ষাসমূহৰ প্ৰশ্ন-কাকত অনতিপলমে ইংৰাজী আৰু অসমীয়া দুই ভাষাত ছপাবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক অনুৰোধ জনায়।”

প্ৰস্তাৱক : শ্ৰীফুল্লচন্দ্ৰ দত্ত
( নাজিৰা সাহিত্য সভা )

সমৰ্থক : শ্ৰীদীনেশ্বৰ তাছা
( গড়মুৰ সাহিত্য সভা, যোৰহাট )



# অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশন

( এটী সমীক্ষা )

—শ্ৰীডিম্বেশ্বৰ শৰ্ম্মা

১৯৭২ চনৰ এপ্ৰিল মাহৰ ৭, ৮ আৰু ৯ তাৰিখ শুক্ৰ, শনি আৰু দেওবাৰে অসমৰ পশ্চিম সীমান্তৰ কিম্বদন্তি প্ৰসিদ্ধ নেতাই ধুবুনীৰ ঘাট ধুবুৰী নগৰীত অসম সাহিত্য সভাৰ উনচল্লাৱিংশং মুকলি অধিবেশন অত্যন্ত উলহ-মালহেৰে উৎসাহ উদ্দীপনাৰ মাজেদি অনুষ্ঠিত হয়। এয়া আছিল ধুবুৰীত অসম সাহিত্য সভাৰ তৃতীয় মুকলি অধিবেশন। ইয়াৰ আগতে ১৯২৬ চনত বেনুধৰ ৰাজখোৱাৰ সভাপতিত্বত আৰু ১৯৫৬ চনত শ্ৰীবেনুধৰ শৰ্ম্মাৰ সভাতিত্বত ( ৰূপালী জয়ন্তী অধিবেশন ) ধুবুৰীতেই বহি গৈছিল। এইবাৰো ধুবুৰীৰ গৌৰীপুৰ ময়দানত বিৰাট সভামণ্ডপৰ তলত অসমৰ ভাষা-সাহিত্য-সংস্কৃতি-প্ৰেমী ৰাইজ বহাগ-বিহুৰ আগে আগে একেঠাইতে সমবেত হ'লহি। এপ্ৰিলৰ ৬ তাৰিখে দুপৰৰ পৰা অসমৰ বিভিন্ন ঠাইৰ পৰা অহা প্ৰতিনিধিসকলে আৰু সাহিত্য সভাক অসমীয়াৰ প্ৰাণৰ বস্তু বুলি ভাবি আগ্ৰহেৰে চাবলৈ অহা সাহিত্য-প্ৰেমী ৰাইজে উথল-মাথল লগাই দিলেহি। ৬ এপ্ৰিলৰ গধূলি মহকুমা পৰিষদ কাৰ্য্যালয়ত অসম সাহিত্য সভাৰ বিগত বছৰৰ শেষ কাৰ্য্য-নিৰ্ব্বাহক সমিতি ডঃ মহেশ্বৰ নেওগৰ সভাপতিত্বত বহিল। সেইদিনা মাজৰাতিলৈকে অসমৰ বিভিন্ন ঠাইৰ পৰা অহা প্ৰতিনিধি দলক অভ্যৰ্থনা সমিতিয়ে যথাসাধ্য শুশ্ৰূষা কৰিলে। উদাহৰণ স্বৰূপে যোৰহাটৰ পৰা প্ৰতিনিধিসকলক লৈ অহা বাচ এখন ৰাতি ১২ বজাত ধুবুৰী পায়। অভ্যৰ্থনা সমিতিয়ে ৰাতি ১২ বজাত পুনৰ ভাত ৰন্ধাই প্ৰতিনিধিসকলক খুৱাই-বুৱাই যথাস্থানত শুৱলৈ দিয়ে। এইখন বাচতে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাও আছিল। অভ্যৰ্থনা সমিতিৰ আন্তৰিকতাত প্ৰতি-নিধিসকলে বৰ সন্তোষ পালে।

৭ এপ্ৰিলৰ পুৱা বিপুল জনসমাবেশৰ মাজত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰি অসমৰ প্ৰখ্যাত মহিলা কবি অসম সাহিত্য সভাৰ প্ৰাক্তনসভানেত্ৰী পদ্মশ্ৰী নলিনীবালা দেৱীয়ে অসম সাহিত্য সভাৰ পতাকাৰ তলত সকলো অসমবাসীকে ঐক্যবদ্ধভাৱে থিয় দিবলৈ আহ্বান জনালে। তাৰ পাচতে প্ৰদৰ্শনী উদ্বোধন কৰি ভাষণ দিলে গুৱাহাটী বিশ্ববিদ্যালয়ৰ জৱহৰলাল নেহৰু অধ্যাপক ডঃ মহেশ্বৰ নেওগে।

৭ এপ্ৰিলৰ আবেলিৰ পৰা ৰাতি ১২ বজালৈকে প্ৰতিনিধিসকলৰ সভা নৱনিৰ্ব্বাচিত সভাপতি শ্ৰীহেম বৰুৱাৰ সভাপতিত্বত বহে। অসমৰ বিভিন্ন ঠাইৰ পৰা অহা চাৰিশ প্ৰতিনিধিয়ে সভাত যোগদান

কৰে। কাছাৰ জিলাৰপৰা ৯ জন আৰু মিকিৰ পাহাৰ জিলাৰ পৰা ৬ জন পুৰুষ আৰু মহিলা প্ৰতিনিধিও আহিছিল। মেঘালয়ৰ চিলং মুকুল সংঘ আৰু বঙাই আঞ্চলিক সাহিত্য সভাৰ প্ৰতিনিধিও যোগদান কৰিছিল। বিদায়ী সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মা, প্ৰাক্তন সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱা, কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সদস্যসকল আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীদীনেশৰঞ্জন সৰকাৰ, উপ-সভাপতি শ্ৰীগৌৰীকান্ত ব্ৰহ্ম, শ্ৰীযাদৱনাৰায়ণ দাস, প্ৰধান সম্পাদক শ্ৰীতাৰাচৰণ মজুমদাৰ আদি সভাত উপস্থিত আছিল। প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে দাঙি ধৰা সম্পাদকীয় প্ৰতিবেদনত কোৱা হয় যে প্ৰৱল আৰ্থিক সঙ্কট চলি থকা স্বত্বেও যোৱা বছৰটোত অসম সাহিত্য সভাই অসমীয়া ভাষা-সাহিত্যৰ দুগৰাকী কৰ্ণধাৰ পদ্মনাথ গোহাঞিবৰুৱা আৰু হেমচন্দ্ৰ গোস্বামীৰ জন্ম-শতবাৰ্ষিকী উৎসৱ সদৌ অসম জুৰি সফলতাৰে পালন কৰে। কহিমা, তেজপুৰ, উত্তৰ লক্ষীমপুৰ, শিৱসাগৰ আৰু যোৰহাটত পালন কৰা গোহাঞিবৰুৱা শতবাৰ্ষিকী উৎসৱসমূহ আৰু গোলাঘাট, ঢেকীয়াল আৰু গুৱাহাটীত পালন কৰা হেমচন্দ্ৰ গোস্বামী উৎসৱসমূহৰ সাফল্য আৰু এই দুয়োটি উৎসৱ উপলক্ষে প্ৰকাশিত গ্ৰন্থাৱলী আৰু স্মৃতি গ্ৰন্থসমূহৰ কথা তেখেতে বিশেষভাৱে উল্লেখ কৰে। বছৰটোৰ ভিতৰতে তিনিকুৰি থনতকৈও অধিক নতুন শাখা স্থাপনে অসম সাহিত্য সভাৰ প্ৰতি জনসাধাৰণৰ বাঢ়ি অহা আগ্ৰহ আৰু সমৰ্থনৰ কথাই সূচনা কৰে বুলি প্ৰধান সম্পাদকে কয়। তেখেতে আৰু কয় যে অসম সাহিত্য সভাই প্ৰৱল আৰ্থিক সঙ্কট দূৰ কৰিবলৈ যত্নবান হৈছে আৰু ঋণমুক্ত হোৱাৰ পথত বহুখিনি আগবাঢ়িছে। তেখেতে শাখাসভাসমূহক অধিক সক্ৰিয় হবলৈ আৰু সভ্যসংখ্যা বৃদ্ধি কৰিবলৈ আহ্বান জনায়।

সভাই কেবাটিও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। অসম সাহিত্য সভাৰ নিয়মাৱলীৰো কেইটিমান গুৰুত্বপূৰ্ণ সংশোধনী সভাই গ্ৰহণ কৰে। তাৰ ভিতৰত উল্লেখযোগ্য কেইটিমান হ'ল--

১। সংস্থা সভ্য (Institutional Member) —'সংস্থা সভ্য' নিয়মাৱলীত নতুনকৈ যোগ দিয়া হয়। সংস্থা সভ্যৰ সংজ্ঞা—"অন্ততঃ দহবছৰীয়া অসমীয়া পুস্তক প্ৰকাশক, নাট্যসমাজ, সত্ৰ আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ স্বীকৃতিমতে বছৰত ৫০·০০ ( পঞ্চাশ ) টকা বৰঙনি দি সংস্থা সভ্য হ'ব পাৰিব।

২। আগৰ নিয়মাৱলীমতে সহকাৰী সম্পাদক দুজন কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে নিৰ্ব্বাচন কৰিছিল। নতুন সংশোধনী অনুযায়ী সহকাৰী সম্পাদক দুজন পোনপটীয়াভাৱে বিষয়-বাছনি সভাই নিৰ্ব্বাচন কৰিব।

৩। শাখা সভাবিলাক লগ লাগি সঙ্ঘ গঠনৰ সুবিধাৰ্থে জিলা পৰ্য্যায়ত বা আঞ্চলিক পৰ্য্যায়ত একোখনি সাহিত্য সম্মিলন পাতিব পাৰিব। —এই নিয়ম নতুনকৈ যোগ দিয়া হয়।

৪। আগৰ পৰা প্ৰচলিত ৰীতিৰ উচ্ছেদ সাধন কৰি এইবাৰৰ বিষয়-বাছনি সভাই বিষয়-ববীয়াসকল আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সদস্যসকলৰ নিৰ্ব্বাচনৰ ক্ষেত্ৰত এটি নতুন নিয়ম প্ৰৱৰ্ত্তন কৰে। এইটো ধুবুৰী অধিবেশনৰ বিশেষত্ব বুলি ক'ব পাৰি। সভাই শ্ৰীহৰেশ্বৰ গোস্বামীক নিৰ্ব্বাচনী বিষয়া নিযুক্ত কৰে আৰু সভাপতিৰ বাহিৰে



প্ৰতিটো বিষয়-বাব আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সদস্য নিৰ্বাচনৰ প্ৰস্তাৱ আহ্বান কৰা হয়। কাৰণ সভাপতি ইতিমধ্যেই শাখা-সভাসমূহৰ দ্বাৰা নিৰ্ব্বাচিত হৈছিল। ৮ এপ্ৰিল তাৰিখে গধূলি নিৰ্ব্বাচনী বিষয়াই প্ৰাৰ্থীসকলৰ নাম ঘোষণা কৰাত ভালেকেইজন প্ৰাৰ্থীয়ে নিজ নিজ নাম প্ৰত্যাহাৰ কৰে যদিও শেষত প্ৰতিটো পদবীতে একাধিক প্ৰাৰ্থী থকাত আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সদস্যসকলৰ কাৰণেও বহুতো নাম থকাত গোপন ভোট গ্ৰহণ কৰি বিষয়ববীয়া আৰু কাৰ্য্যনিৰ্ব্বাহক সদস্য সকল নিৰ্ব্বাচিত কৰা হয়।

সিদিনাথনেই পুৱা ৯ বজাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুখ্য অধ্যাপক ডঃ হেৰম্বকান্ত বৰপূজাৰীৰ সভাপতিত্বত 'বুৰঞ্জী সম্মিলন' আৰম্ভ হয়। এই শাখাৰ আহ্বায়ক শ্ৰীবঙ্কিমচন্দ্ৰ চক্ৰৱৰ্ত্তীয়ে আলোচ্য বিষয় 'অসমৰ পশ্চিম অঞ্চলৰ বুৰঞ্জী' সভাত উত্থাপন কৰে। শ্ৰীশিৱানন্দ শৰ্ম্মাই এটি সুদীৰ্ঘ তথ্যগধুৰ প্ৰৱন্ধত দ্বাদশ শতিকাৰ পৰা অসমৰ পশ্চিম অঞ্চলৰ বুৰঞ্জীমূলক তথ্যসমূহৰ এটি তুলনামূলক আলোচনা দাঙি ধৰে। লোকসভাৰ সদস্য শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীয়ে কয় যে, পুৰাণত ভাৰতীয় জাতীয়ত্বৰ কথা উল্লেখ আছে। ভাৰতৰ বিভিন্ন ভাষাত থকা গ্ৰন্থসমূহত কামৰূপ ৰাজ্যৰ বুৰঞ্জীৰ তথ্য সিঁচৰতি হৈ আছে। সেয়েহে অসমৰ প্ৰাচীন বুৰঞ্জীৰ সম্যক অধ্যয়নৰ বাবে ভাৰতৰ বিভিন্ন ভাষাসমূহ জনাৰ প্ৰয়োজন হয়। আলোচনাত অংশ গ্ৰহণ কৰি ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যই কয় যে অসমৰ সম্পূৰ্ণাঙ্গ বুৰঞ্জী ৰচনা আৰু উপযুক্ত গৱেষণাৰ বাবে অসম চৰকাৰ তথা ভাৰত চৰকাৰৰ সহযোগত গৱেষণা কেন্দ্ৰ গঢ়ি উঠিব লাগে। শ্ৰীঅধিকাচৰণ সৰকাৰেও এটি চমু তথ্যপূৰ্ণ বক্তৃতা দিয়ে আৰু শ্ৰীসোনাৰাম দত্তই দুআষাৰ কয়। শ্ৰীহেৰম্ব বৰদলৈয়ে অসমৰ প্ৰাচীন কীৰ্ত্তিসমূহৰ উপযুক্ত ৰক্ষণাবেক্ষণ নথকাত আক্ষেপ প্ৰকাশ কৰে। শ্ৰীপ্ৰফুল্লচন্দ্ৰ দত্তই কয় যে বুৰঞ্জী শাখাই মঠ-মন্দিৰ আৰু প্ৰাচীন কীৰ্ত্তিচিহ্নসমূহৰ বিষয়ে পুস্তিকা প্ৰকাশ কৰিব লাগে। 'জয়মতী কাহিনী'ৰ অবিকৃত তথ্য আজিও প্ৰকাশ নোহোৱাটো আক্ষেপৰ কথা। 'লাচিত বৰফুকন' সম্পৰ্কেও বহু তথ্য এতিয়াও অপ্ৰকাশিত হৈ আছে। সভাপতি ডঃ বৰপূজাৰীয়ে পাঠ কৰা ভাষণত অসম বুৰঞ্জীৰ এটি তথ্যবহুল চিত্ৰ দাঙি ধৰে। গৱেষণা আৰু চৰ্চ্চাৰ বাবে তেখেতে সকলোলৈকে আহ্বান জনায়।

বুৰঞ্জী সম্মিলনৰ পাছতে পণ্ডিত শ্ৰীবৈকুণ্ঠনাথ তৰ্কতীৰ্থৰ সভাপতিত্বত কবি সম্মিলন আৰম্ভ হয়। ধ্বনিকবি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই কবি সম্মিলন উদ্বোধন কৰি ইয়াৰ সৰ্ব্বময় সাফল্য কামনা কৰে। বয়োবৃদ্ধ কবি শ্ৰীশ্ৰীৰামচন্দ্ৰ দাসে আবৃত্তি কৰা 'দেউতা এমুঠি ভাত দিয়া' কবিতাটিত এমুঠি অন্নৰ বাবে হাহাকাৰ কৰি থকা দৰিদ্ৰ জনসাধাৰণৰ মৰ্ম্মান্তিক বেদনাৰ প্ৰতি লক্ষ্য কৰি সাহিত্য সভাৰ দৰে বিৰাট সম্মিলনত যাতে অন্নৰ অপচয় নহয় তাৰ প্ৰতি সকলোলৈকে আহ্বান জনায়। তিনিটি উল্লেখযোগ্য স্বৰচিত কবিতা আবৃত্তি কৰে শ্ৰীপৰেশমল্ল বৰুৱা, শ্ৰীনাৰায়ণ বেজবৰুৱা আৰু শ্ৰীঅৱনীন্দ্ৰচন্দ্ৰ বৰাই। প্ৰায় কুৰি-পচিশ গৰাকী কবিয়ে কবিতা আবৃত্তি কৰিলে যদিও সময়ৰ অভাৱত ভালেমান ইচ্ছুক কবি কবিতা আবৃত্তিৰ পৰা বিৰত হব লগা

হ'ল। অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা আৰু অধ্যাপক শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মাই বিশিষ্ট বক্তা হিচাবে সময়ৰ অভাৱত অতি চমুকৈ কবিতাৰ ধৰ্ম্ম সম্পৰ্কে আলোচনা কৰে। সভাপতি শ্ৰীতৰ্কতীৰ্থদেৱে তেখেতৰ পাণ্ডিত্যপূৰ্ণ ভাষণত বৈদিক যুগৰ পৰা ধৰি ভাৰতীয় কবিতাৰ পৰম্পৰা সম্পৰ্কে আলোচনা কৰে।

৮ এপ্ৰিলৰ দুপৰীয়া এটি আকৰ্ষণীয় শোভাযাত্ৰাৰে নৱনিৰ্ব্বাচিত সভাপতি শ্ৰীহেম বৰুৱাক সভাকক্ষলৈ আগবঢ়াই অনা হয়। দুই বজাত অসম সাহিত্য সভাৰ ৩৯তম মুকলি অধিবেশন আৰম্ভ হয় 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটিৰে। বিদায়ী সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাই নৱনিৰ্ব্বাচিত সভাপতি শ্ৰীহেম বৰুৱাক বৰণ কৰি সভাপতিৰ আসনত বহুৱায়। এটি শোক প্ৰস্তাৱ গ্ৰহণ কৰাৰ পাচত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীয়ে মূল সভা উদ্বোধন কৰি অসমৰ ভাষা সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ বিশিষ্ট অৱদানৰ কথা সোঁৱৰে।

প্ৰধান সম্পাদকে তলত নাম দিয়া বিশিষ্ট ব্যক্তি সকলৰ পৰা অহা শুভেচ্ছা-বাণীসমূহ পাঠ কৰে— (১) ভাৰতৰ জাতীয় অধ্যাপক ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়, (২) উৰিষ্যাৰ বিখ্যাত সাহিত্যিক শ্ৰীকালিন্দীচৰণ পাণিগ্ৰাহী, (৩) বঙ্গদেশৰ বিখ্যাত সংস্কৃতিবিদ শ্ৰীমনোজ বসু, (৪) সাহিত্য একাদেমীৰ সচিব ডঃ প্ৰভাকৰ মাচৱে, (৫) হায়দৰাবাদৰ ইনায়েৎ উল্লা খান, (৬) লোকসভাৰ অধ্যক্ষ ডঃ জি, এচ, ধীলন, (৭) পুণা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ বি, পি, আপ্তে, (৮) ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ (ব্যক্তিগত সচিব যোগে), (৯) মেঘালয়ৰ মুখ্যমন্ত্ৰী উইলিয়মচন চাংমা (ব্যক্তিগত সচিব যোগে), (১০) কেন্দ্ৰীয় মন্ত্ৰী মইনুল হক চৌধুৰী, (১১) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, (১২) অসম মন্ত্ৰীসভাৰ শ্ৰীপৰমানন্দ গগৈ, আৰু (১৩) শ্ৰীউত্তমচন্দ্ৰ ব্ৰহ্ম, (১৪) নামৰূপ সাৰকাৰখানাৰ জেনেৰেল মেনেজাৰ শ্ৰী এ, কে, মিত্ৰ, (১৫) ভাৰতীয় চাহপৰিষদৰ অসম শাখাৰ সভাপতি শ্ৰীএম, কে, কটনা, (১৬) শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা ( শিৱসাগৰ ), (১৭) অসম সাহিত্য সভাৰ আজীৱন সভ্যসকল, (১৮) শ্ৰীদুলাল বৰুৱা এম-এল-এ, (১৯) অধ্যাপক ডঃ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, (২০) শ্ৰীঅতুল বৰুৱা, (২১) অসম সাহিত্য সভাৰ বিশিষ্ট কৰ্ম্মী (শিলচৰ) কবিৰাজ শ্ৰীহৰেশচন্দ্ৰ ভট্টাচাৰ্য্য, (২২) অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক অধ্যাপক নগেন শইকীয়া।

অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীদীনেশৰঞ্জন সৰকাৰে পাঠ কৰা ভাষণে সমবেত বিপুল জনতাক উৎসাহিত আৰু উৎফুল্লিত কৰা দেখা গৈছিল। প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে ইতিমধ্যে বিষয়-বাছনি সভাত গৃহীত হোৱা সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। শ্ৰীহেম বৰুৱাই সভাপতিৰ ভাষণত সাহিত্যৰ মৌলিক তথ্যসমূহৰ চমু ব্যাখ্যা দিয়ে আৰু বৰ্ত্তমান অসমীয়া সাহিত্যৰ স্বৰূপ চমুকৈ দাঙি ধৰে। সভাপতিৰ শাৰীৰিক দুৰ্ব্বলতাৰ বাবে ভাষণটিৰ শেষাংশ পাঠ কৰে শ্ৰীচন্দ্ৰধৰ গোস্বামীয়ে।

৯ এপ্ৰিল দেওবাৰে পুৱা ৯ বজাত জনপ্ৰিয় আৰু সাহিত্য প্ৰেমী শ্ৰীখগেন্দ্ৰচন্দ্ৰ বৰুৱাৰ সভাপতিত্বত আলোচনাচক্ৰ আৰম্ভ হয়। আৰম্ভণি



প্ৰতিটো বিষয়-বাব আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সদস্য নিৰ্বাচনৰ প্ৰস্তাৱ আহ্বান কৰা হয়। কাৰণ সভাপতি ইতিমধ্যেই শাখা-সভাসমূহৰ দ্বাৰা নিৰ্ব্বাচিত হৈছিল। ৮ এপ্ৰিল তাৰিখে গধূলি নিৰ্ব্বাচনী বিষয়াই প্ৰাৰ্থীসকলৰ নাম ঘোষণা কৰাত ভালেকেইজন প্ৰাৰ্থীয়ে নিজ নিজ নাম প্ৰত্যাহাৰ কৰে যদিও শেষত প্ৰতিটো পদবীতে একাধিক প্ৰাৰ্থী থকাত আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সদস্যসকলৰ কাৰণেও বহুতো নাম থকাত গোপন ভোট গ্ৰহণ কৰি বিষয়বৰীয়া আৰু কাৰ্য্যনিৰ্ব্বাহক সদস্য সকল নিৰ্ব্বাচিত কৰা হয়।

সিদিনাখনেই পুৱা ৯ বজাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুখ্য অধ্যাপক ডঃ হেৰম্বকান্ত বৰপূজাৰীৰ সভাপতিত্বত 'বুৰঞ্জী সন্মিলন' আৰম্ভ হয়। এই শাখাৰ আহ্বায়ক শ্ৰীবঙ্কিমচন্দ্ৰ চক্ৰৱৰ্ত্তীয়ে আলোচ্য বিষয় 'অসমৰ পশ্চিম অঞ্চলৰ বুৰঞ্জী' সভাত উত্থাপন কৰে। শ্ৰীশিৱানন্দ শৰ্ম্মাই এটি সুদীৰ্ঘ তথ্যগধুৰ প্ৰবন্ধত দ্বাদশ শতিকাৰ পৰা অসমৰ পশ্চিম অঞ্চলৰ বুৰঞ্জীমূলক তথ্যসমূহৰ এটি তুলনামূলক আলোচনা দাঙি ধৰে। লোকসভাৰ সদস্য শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰীয়ে কয় যে, পুৰাণত ভাৰতীয় জাতীয়ত্বৰ কথা উল্লেখ আছে। ভাৰতৰ বিভিন্ন ভাষাত থকা গ্ৰন্থসমূহত কামৰূপ ৰাজ্যৰ বুৰঞ্জীৰ তথ্য সিঁচৰতি হৈ আছে। সেয়েহে অসমৰ প্ৰাচীন বুৰঞ্জীৰ সম্যক অধ্যয়নৰ বাবে ভাৰতৰ বিভিন্ন ভাষাসমূহ জনাৰ প্ৰয়োজন হয়। আলোচনাত অংশ গ্ৰহণ কৰি ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যই কয় যে অসমৰ সম্পূৰ্ণাঙ্গ বুৰঞ্জী ৰচনা আৰু উপযুক্ত গৱেষণাৰ বাবে অসম চৰকাৰ তথা ভাৰত চৰকাৰৰ সহযোগত গৱেষণা কেন্দ্ৰ গঢ়ি উঠিব লাগে। শ্ৰীঅম্বিকাচৰণ সৰকাৰেও এটি চমু তথ্যপূৰ্ণ বক্তৃতা দিয়ে আৰু শ্ৰীসোনাৰাম দত্তই দুআষাৰ কয়। শ্ৰীহেৰম্ব বৰদলৈয়ে অসমৰ প্ৰাচীন কীৰ্ত্তিসমূহৰ উপযুক্ত ৰক্ষণাবেক্ষণ নথকাত আক্ষেপ প্ৰকাশ কৰে। শ্ৰীপ্ৰফুল্লচন্দ্ৰ দত্তই কয় যে বুৰঞ্জী শাখাই মঠ-মন্দিৰ আৰু প্ৰাচীন কীৰ্ত্তিচিহ্নসমূহৰ বিষয়ে পুস্তিকা প্ৰকাশ কৰিব লাগে। 'জয়মতী কাহিনী'ৰ অবিকৃত তথ্য আজিও প্ৰকাশ নোহোৱাটো আক্ষেপৰ কথা। 'লাচিত বৰফুকন' সম্পৰ্কেও বহু তথ্য এতিয়াও অপ্ৰকাশিত হৈ আছে। সভাপতি ডঃ বৰপূজাৰীয়ে পাঠ কৰা ভাষণত অসম বুৰঞ্জীৰ এটি তথ্যবহুল চিত্ৰ দাঙি ধৰে। গৱেষণা আৰু চৰ্চ্চাৰ বাবে তেখেতে সকলোলৈকে আহ্বান জানায়।

বুৰঞ্জী সন্মিলনৰ পাছতে পণ্ডিত শ্ৰীবৈকুণ্ঠনাথ তৰ্কতীৰ্থৰ সভাপতিত্বত কবি সন্মিলন আৰম্ভ হয়। ধ্বনিকবি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই কবি সন্মিলন উদ্বোধন কৰি ইয়াৰ সৰ্ব্বময় সাফল্য কামনা কৰে। বয়োবৃদ্ধ কবি শ্ৰীশ্ৰীৰামচন্দ্ৰ দাসে আবৃত্তি কৰা 'দেউতা এমুঠি ভাত দিয়া' কবিতাটিত এমুঠি অন্নৰ বাবে হাহাকাৰ কৰি থকা দৰিদ্ৰ জনসাধাৰণৰ মৰ্ম্মান্তিক বেদনাৰ প্ৰতি লক্ষ্য কৰি সাহিত্য সভাৰ দৰে বিৰাট সন্মিলনত যাতে অন্নৰ অপচয় নহয় তাৰ প্ৰতি সকলোলৈকে আহ্বান জনায়। তিনিটি উল্লেখযোগ্য স্বৰচিত কবিতা আবৃত্তি কৰে শ্ৰীপৰেশমল্ল বৰুৱা, শ্ৰীনাৰায়ণ বেজবৰুৱা আৰু শ্ৰীঅৱনীন্দ্ৰচন্দ্ৰ বৰাই। প্ৰায় কুৰি-পচিশ গৰাকী কবিয়ে কবিতা আবৃত্তি কৰিলে যদিও সময়ৰ অভাৱত ভালেমান ইচ্ছুক কবি কবিতা আবৃত্তিৰ পৰা বিৰত হব লগা

হ'ল। অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্ম্মা আৰু অধ্যাপক শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মাই বিশিষ্ট বক্তা হিচাবে সময়ৰ অভাৱত অতি চমুকৈ কবিতাৰ ধৰ্ম্ম সম্পৰ্কে আলোচনা কৰে। সভাপতি শ্ৰীতৰ্কতীৰ্থদেৱে তেখেতৰ পাণ্ডিত্যপূৰ্ণ ভাষণত বৈদিক যুগৰ পৰা ধৰি ভাৰতীয় কবিতাৰ পৰম্পৰা সম্পৰ্কে আলোচনা কৰে।

৮ এপ্ৰিলৰ দুপৰীয়া এটি আকৰ্ষণীয় শোভাযাত্ৰাৰে নৱনিৰ্ব্বাচিত সভাপতি শ্ৰীহেম বৰুৱাক সভাকক্ষলৈ আগবঢ়াই অনা হয়। দুই বজাত অসম সাহিত্য সভাৰ ৩৯তম মুকলি অধিবেশন আৰম্ভ হয় 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতটিৰে। বিদায়ী সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাই নৱনিৰ্ব্বাচিত সভাপতি শ্ৰীহেম বৰুৱাক বৰণ কৰি সভাপতিৰ আসনত বহুৱায়। এটি শোক প্ৰস্তাৱ গ্ৰহণ কৰাৰ পাচত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীত্ৰৈলোক্যনাথ গোস্বামীয়ে মূল সভা উদ্বোধন কৰি অসমৰ ভাষা সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰত অসম সাহিত্য সভাৰ বিশিষ্ট অৱদানৰ কথা সোঁৱৰে।

প্ৰধান সম্পাদকে তলত নাম দিয়া বিশিষ্ট ব্যক্তি সকলৰ পৰা অহা শুভেচ্ছা-বাণীসমূহ পাঠ কৰে— (১) ভাৰতৰ জাতীয় অধ্যাপক ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়, (২) উৰিষ্যাৰ বিখ্যাত সাহিত্যিক শ্ৰীকালিন্দীচৰণ পাণিগ্ৰাহী, (৩) বঙ্গদেশৰ বিখ্যাত সংস্কৃতিবিদ শ্ৰীমনোজ বসু, (৪) সাহিত্য একাদেমীৰ সচিব ডঃ প্ৰভাকৰ মাছৱে, (৫) হায়দৰাবাদৰ ইনায়েৎ উল্লা খান, (৬) লোকসভাৰ অধ্যক্ষ ডঃ জি, এচ, ধীলন, (৭) পুণা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ডঃ বি, পি, আপ্তে, (৮) ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ (ব্যক্তিগত সচিব যোগে), (৯) মেঘালয়ৰ মুখ্যমন্ত্ৰী উইলিয়মচন চাংমা (ব্যক্তিগত সচিব যোগে), (১০) কেন্দ্ৰীয় মন্ত্ৰী মইনুল হক চৌধুৰী, (১১) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, (১২) অসম মন্ত্ৰীসভাৰ শ্ৰীপৰমানন্দ গগৈ, আৰু (১৩) শ্ৰীউত্তমচন্দ্ৰ ব্ৰহ্ম, (১৪) নামৰূপ সাৰকাৰখানাৰ জেনেৰেল মেনেজাৰ শ্ৰী এ, কে, মিত্ৰ, (১৫) ভাৰতীয় চাহপৰিষদৰ অসম শাখাৰ সভাপতি শ্ৰীএম, কে, কৰ্টনা, (১৬) শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱা (শিৱসাগৰ), (১৭) অসম সাহিত্য সভাৰ আজীৱন সভ্যসকল, (১৮) শ্ৰীদুলাল বৰুৱা এম-এল-এ, (১৯) অধ্যাপক ডঃ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী, (২০) শ্ৰীঅতুল বৰুৱা, (২১) অসম সাহিত্য সভাৰ বিশিষ্ট কৰ্ম্মী (শিলচৰ) কবিৰাজ শ্ৰীহৰেশচন্দ্ৰ ভট্টাচাৰ্য্য, (২২) অসম সাহিত্য সভাৰ প্ৰাক্তন সহকাৰী সম্পাদক অধ্যাপক নগেন শইকীয়া।

অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীদীনেশৰঞ্জন সৰকাৰে পাঠ কৰা ভাষণে সমবেত বিপুল জনতাক উৎসাহিত আৰু উৎফুল্লিত কৰা দেখা গৈছিল। প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে ইতিমধ্যে বিষয়-বাছনি সভাত গৃহীত হোৱা সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে। শ্ৰীহেম বৰুৱাই সভাপতিৰ ভাষণত সাহিত্যৰ মৌলিক তথ্যসমূহৰ চমু ব্যাখ্যা দিয়ে আৰু বৰ্ত্তমান অসমীয়া সাহিত্যৰ স্বৰূপ চমুকৈ দাঙি ধৰে। সভাপতিৰ শাৰীৰিক দুৰ্ব্বলতাৰ বাবে ভাষণটিৰ শেষাংশ পাঠ কৰে শ্ৰীচন্দ্ৰধৰ গোস্বামীয়ে।

৯ এপ্ৰিল দেওবাৰে পুৱা ৯ বজাত জননেতা আৰু সাহিত্য প্ৰেমী শ্ৰীখনীন্দ্ৰচন্দ্ৰ বৰুৱাৰ সভাপতিত্বত আলোচনাচক্ৰ আৰম্ভ হয়। আৰম্ভণি



গীতৰ পাছত আহ্বায়ক শ্ৰীদেবেন্দ্ৰনাথ শৰ্ম্মাই আলোচ্য বিষয়-বস্তু 'পশ্চিম অসমৰ ভাষা আৰু সাহিত্য' আৰু নিমন্ত্ৰিত বক্তাসকলৰ পৰিচয় সমবেত ৰাইজৰ আগত দাঙি ধৰে। সভাপতি শ্ৰীবৰুৱাই তেখেতৰ লিখিত ভাষণত ব্যক্তিগত অভিজ্ঞতাৰ পটভূমিত আৰু পণ্ডিতসকলৰ মন্তব্যৰ আধাৰত পশ্চিম অসমৰ ভাষা আৰু সাহিত্যৰ চমুকৈ বিশ্লেষণ কৰি অংশ গ্ৰহণকাৰীসকলক সবিশেষ আলোচনাৰ বাবে অনুৰোধ জনায়। শ্ৰীঅম্বিকাচৰণ সৰকাৰে আলোচনাৰ বিষয়-বস্তু আৰু মানদণ্ডৰ বিষয়ে কেতবোৰ নীতিগত প্ৰশ্নৰ উত্থাপন কৰি পশ্চিম অসমৰ প্ৰাচীন কামৰূপী বা ৰাজবংশী ভাষা, আৰু সংশ্লিষ্ট সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য উদাহৰণেৰে দাঙি ধৰে। ডঃ প্ৰমোদচন্দ্ৰ ভট্টাচাৰ্য্যই পশ্চিম অসমৰ গোৱালপাৰাৰ ৰাজবংশী উপভাষা, বিদেশী আৰু দেশী পণ্ডিতৰ সংগৃহীত নিদৰ্শন আৰু মন্তব্যৰ আধাৰত আলোচনা কৰি কেইটিমান ধ্বনিমূলক, ৰূপতাত্ত্বিক, শব্দগত আৰু বাক্যগত উদাহৰণ দাঙি ধৰে। প্ৰসঙ্গক্ৰমে অসমীয়া ভাষাৰ উপাদান স্বৰূপে ৰাজবংশী, বড়ো, গাৰো, ৰাভা, হাজং কাছাৰ জিলাৰ লোকসকলৰ ভাষা-উপ-ভাষাৰ বৰঙনি স্বীকাৰ্য্য বুলি ঘোষণা কৰে। অধ্যক্ষ শ্ৰীৰুক্মিণী ৰায়ে সভাপতিৰ বিশেষ আমন্ত্ৰণক্ৰমে ৰাজবংশী ভাষাতে ভাষণ দি পশ্চিম অসমৰ কথিত ভাষাৰ আংশিক হলেও নিদৰ্শন দাঙি ধৰে। ডঃ শ্ৰীগোলকচন্দ্ৰ গোস্বামীয়ে অসমীয়া ভাষাৰ ক্ৰম বিকাশত নামনি অসমৰ পুৰণি উপ-ভাষাই লিখিত মাধ্যমৰূপে যোগোৱা বৰঙনি, আহোম যুগৰ পৰৱৰ্ত্তী মিছনেৰী যুগত উজনি অসমৰ কথিত উপ-ভাষাক কেন্দ্ৰ কৰি বৰ্ত্তমান যুগত চলি থকা মান্য ভাষা, গোৱালপাৰাৰ ৰাজবংশী, ৰাভা আদি কথিত উপ-ভাষা আৰু কামৰূপৰ উপ-ভাষাসমূহৰ বৈজ্ঞানিক আৰু ভাষাতাত্ত্বিক বৈশিষ্ট্যৰ কথা উল্লেখ কৰে। শ্ৰীঅমল ৰাজখোৱাই পশ্চিম অসমৰ, বিশেষকৈ কোচবিহাৰ আৰু কমতাপুৰক কেন্দ্ৰ কৰি বৈষ্ণৱ আৰু প্ৰাগ্-বৈষ্ণৱ সাহিত্যৰ পটভূমি, ইতিবৃত্ত আৰু অৱস্থাৰ আভাস দিয়ে।

আলোচনাত অংশগ্ৰহণ কৰি অসমৰ মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহই পশ্চিম অসমৰ ভাষা আৰু সাহিত্যৰ বাবে এনে আলোচনাচক্ৰ পতা বাবে আনন্দ প্ৰকাশ কৰি—লুইতৰ দুপাৰে শদিয়াৰ পৰা ধুবুৰীলৈ ভাষাগত পাৰ্থক্য লক্ষ্য কৰিবলৈ সাহিত্যিক আৰু ভাষাবিদসকলক অনুৰোধ জনায়। গোৱালপাৰাৰ চম্পাৱতী নদীৰ পূবে অসমীয়া শ, ষ, স-ৰ উচ্চাৰণ স হৈ আছে আৰু চম্পাৱতীৰ পশ্চিমেহে ছ হৈছে। বৈজ্ঞানিক দৃষ্টিৰে আৰু সাহিত্যিক সাংস্কৃতিক মাধ্যমেৰে অসমৰ ভাষা সাহিত্য সংস্কৃতিৰ উদ্ঘাটন, চৰ্চ্চা আৰু বিশ্লেষণ কৰিবলৈ সুধী সমাজলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মন্তব্যত সভাপতিয়ে আলোচ্য বিষয়-বস্তুৰ প্ৰয়োজনীয়তা বিশ্লেষণ কৰি এয়া তাৰেই সূচনা বুলি কয় আৰু অভ্যৰ্থনা সমিতিৰ হৈ অৰ্থসচিব শ্ৰীউমাপতি শৰ্ম্মাই সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰে। ধুবুৰী অধিবেশনৰ আলোচনাচক্ৰটি উন্নত পৰ্য্যায়ৰ আৰু ফলপ্ৰসূ হৈছিল বুলি সমবেত ৰাইজৰ মুখে মুখে শুনা যায়।

৯ এপ্ৰিল দেওবাৰে আবেলি ২ বজাৰ পৰা দ্বিতীয় দিনৰ মুকলি সভা শ্ৰীহেম বৰুৱাৰ সভাপতিত্বত বহে। সভাত বিশিষ্ট অতিথি হিচাবে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৯২ বছৰীয়া জননায়ক বাগ্মীবৰ শ্ৰীনীলমণি ফুকনে তেজোদীপ্ত ভাষণেৰে অসমবাসী ৰাইজৰ মাজত ঐক্য আৰু

সাংস্কৃতিক সংহতিৰ প্ৰতি আহ্বান জনায়। শ্ৰীফুকনে অসমীয়া ভাষা-সাহিত্যৰ একান্ত সেৱক 'সীমান্ত প্ৰহৰী' ৺প্ৰমথনাথ চক্ৰৱৰ্ত্তীৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা জনায় আৰু এইবাৰৰ অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীদীনেশৰঞ্জন সৰকাৰক (এখেতেই ১৯৫৬ চনৰ ৰূপালী জয়ন্তী অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক আছিল) 'সীমান্ত কেশৰী' উপাধিৰে বিভূষিত কৰে।

বিশিষ্ট অতিথি হিচাবে ভাষণ দি মুখ্যমন্ত্ৰী শ্ৰীশৰৎচন্দ্ৰ সিংহই কয় যে ৰাজনৈতিকভাৱে বিভক্ত হলেও ওচৰ-চুবুৰীয়া ৰাজ্যসমূহৰ মাজত ভাষা, সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰত সংহতি স্থাপন হোৱাটো বাঞ্ছনীয়। অসমৰ বাহিৰলৈ যোৱা ৰাজ্যখণ্ডবিলাকৰ লগত অসমৰ এনে ধৰণৰ সংস্কৃতিক সম্বন্ধ অটুত থকাটো আশা কৰিব পাৰি। শিক্ষামন্ত্ৰী শ্ৰীহৰেন্দ্ৰনাথ তালুকদাৰেও সভাত এষাৰ কয়।

প্ৰবীণ ৰাজনীতিজ্ঞ, সুসাহিত্যিক আৰু সাংবাদিক শ্ৰীঅমিয়কুমাৰ দাসক সম্বৰ্দ্ধনা জনাই বিদায়ী সভাপতি শ্ৰীতীৰ্থনাথ শৰ্ম্মাই এষাৰ কয়। প্ৰধান সম্পাদক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে এখনি অভিনন্দন-পত্ৰ পাঠ কৰি শ্ৰীদাসক সম্বৰ্দ্ধনা জনায়। প্ৰত্যুত্তৰত শ্ৰীদাসে অসম সাহিত্য সভাৰ যোগেদি অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ সাৰ্থক সেৱা কামনা কৰে।

সভাত শ্ৰীপ্ৰফুল্লচন্দ্ৰ বৰুৱাক তেওঁৰ 'মেও মহাৰাজ' গ্ৰন্থৰ বাবে প্ৰেমধৰ দত্ত সোঁৱৰণী শিশু সাহিত্য বঁটা, শ্ৰীহিমেন্দ্ৰ কুমাৰ বৰঠাকুৰক 'বাঘ' নাটকৰ বাবে নাটকৰ বঁটা, শ্ৰীদিনেশচন্দ্ৰ গোস্বামীক তেওঁৰ 'আকাশৰহস্য' গ্ৰন্থখনিৰ বাবে গোপালচন্দ্ৰ গোস্বামী বঁটা আৰু অৰুণাচলৰ ছাত্ৰ শ্ৰীচাকেদাৰ গোহাঁইক তেওঁৰ ৰচনাৰ বাবে হৰিহৰ চৌধুৰী বঁটা দিয়া হয়। সভাত প্ৰাক্তন সভানেত্ৰী পদ্মশ্ৰী শ্ৰীমতীনলিনীবালা দেৱী আৰু প্ৰাক্তন সভাপতি শ্ৰীবিনন্দচন্দ্ৰ বৰুৱাই সমজুৱাৰ ফালৰ পৰা একো আষাৰ কয়। সভাত চাৰিটি প্ৰস্তাৱ গৃহীত হয় আৰু নতুন বিষয় ববীয়া আৰু কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ নাম ঘোষণা কৰা হয়। অহা বছৰৰ বাবে সভাই ৰঙীয়া আলোচনী সভাৰ নিমন্ত্ৰণ গ্ৰহণ কৰে। অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা উপ-সভাপতি শ্ৰীগোৰীকান্ত ব্ৰহ্মাই আৰু প্ৰতিনিধিসকলৰ ফালৰ পৰা শ্ৰীপ্ৰফুল্লচন্দ্ৰ দত্তই শলাগৰ শৰাই আগবঢ়ায়।

সন্মিলনৰ ১ম দিনৰ ৰাতি বিচিত্ৰানুষ্ঠান আৰু ২য় আৰু ৩য় দিনৰ ৰাতি সাংস্কৃতিক সন্মিলন অনুষ্ঠিত হয়। সাংস্কৃতিক সন্মিলন উদ্বোধন কৰি ডঃ অন্নদাচৰণ দাসে থলুৱা সংস্কৃতিৰ মহত্ত্ব ব্যাখ্যা কৰে আৰু ইয়াৰ সম্যক চৰ্চ্চা আৰু উৎকৰ্ষ সাধনৰ বাবে সমবেত বিৰাট জনতালৈ আহ্বান জনায়।

ধুবুৰী অধিবেশনৰ মূল সভামণ্ডপ, সীমান্ত কেশৰী ৺প্ৰমথনাথ চক্ৰৱৰ্ত্তীৰ পুণ্য সোঁৱৰণত 'প্ৰমথ নগৰ' নামকৰণ কৰা হৈছিল। ইয়াৰ বাহিৰেও বিশিষ্ট ভাষা-সাহিত্যৰ পূজাৰীসকল ৰূপনাথ ব্ৰহ্ম, অমৃতভূষণ দেৱ অধিকাৰী আৰু প্ৰমথেশ বৰুৱাৰ নামত একোটিকৈ তোৰণ নিৰ্ম্মাণ কৰা হৈছিল। ছত্ৰশালৰ মন্দিৰৰ আহিত নিৰ্মিত মূল সভা-মণ্ডপৰ তোৰণখনে দৰ্শকসকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। দ্বিতীয় দিনৰ মূল সভাত প্ৰমথনাথ চক্ৰৱৰ্ত্তীৰ বয়োবৃদ্ধা পত্নী শ্ৰীমতী সাৱিত্ৰী দেৱী



উপস্থিত আছিল। প্ৰতিনিধিসকলৰ বহুতেই ৺চক্ৰৱৰ্ত্তীৰ ঘৰলৈ গৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰা দেখা গৈছিল।

শ্ৰীশিৱানন্দ শৰ্ম্মাৰ সম্পাদনাত অভ্যৰ্থনা সমিতিয়ে এখনি উন্নত স্তৰৰ স্মৃতি-গ্ৰন্থ প্ৰকাশ কৰে। অন্যান্য মূল্যবান প্ৰবন্ধৰ উপৰিও গোৱাল-পৰীয়া সংস্কৃতিৰ উন্নত আলোচনাই স্মৃতি-গ্ৰন্থখনিৰ মূল্য বৃদ্ধিত সহায় কৰিছে।

ধুবুৰী অধিবেশনৰ দিন কেইটিত অসমৰ বহু ঠাইত ধাৰাষাৰ বৰষুণ চলি থকা স্বত্বেও ধুবুৰীত এই তিনিও দিন এটোপাল বৰষুণো নথকাত সময়ত বিৰাট জনতা প্ৰতিনিধিসকল আৰু অভ্যৰ্থনা সমিতিয়ে স্বচ্ছন্দতা অনুভৱ কৰিছিল। শেষৰ দিনা ৰাতি ১২ মান বজাত সাংস্কৃতিক সন্মিলন চলি থাকোতেই ধাৰাষাৰ বৰষুণ দিছিল যদিও এই বৰষুণে সন্মিলনৰ সাফল্যত বাধা প্ৰদান কৰা নাছিল। ৰাৰিষাৰ সমাগমৰ লগে লগে শাক-পাচলি, মাছ, আদিৰ প্ৰাচুৰ্য্য হ্ৰাস পোৱাত আৰু মূল্য বৃদ্ধি হোৱাত অভ্যৰ্থনা সমিতি নিশ্চয় কিছু অসুবিধাৰ সন্মুখীন হৈছিল। তথাপি অভ্যৰ্থনা সমিতিৰ আশাশুধীয়া যত্নৰ ফলত প্ৰতিনিধিসকলক যি অভ্যৰ্থনা দেখুৱালে তাৰ উচ্চ প্ৰশংসা প্ৰতিনিধি-সকলৰ মুখে মুখে শুনা গৈছিল। অধিবেশনত স্থানীয় ভিন্ন ভাষাভাষী ভদ্ৰলোক-ভদ্ৰমহিলা-সকলৰ সহযোগিতা বিশেষভাৱে প্ৰশংসনীয়। ভোজনালয়ৰ স্বেচ্ছাসেৱিকা হিচাবে বিশেষকৈ বঙালী ভদ্ৰমহিলাসকলক পাই তেওঁলোকৰ এনে আশাশুধীয়া সহযোগিতাত প্ৰতিনিধিসকল মুগ্ধ হৈছিল। নেতাই ধুবুনীৰ ঘাট, গদাধৰ আৰু ব্ৰহ্মপুত্ৰৰ সঙ্গমস্থল, গৌৰীপুৰৰ ৰাজকাৰেং, শিখ ধৰ্ম্মগুৰু তেজবাহাদুৰ স্থাপিত শিখ মন্দিৰ, ধুবুৰীৰ বিখ্যাত জুইশলা কাৰখানা, পাঁচনীড়িৰ দৰগাহ আদি চাবলৈ বহুতো দৰ্শকে উচ্‌পিচ্‌ লগাইছিল।

ধুবুৰী অধিবেশনৰ সৰ্ব্বময় সাফল্যাই অসম সাহিত্য সভাক আৰু এটি খোজ নিৰ্ব্বিবাদে আগ-বঢ়াই নিলে।

# কুৰি শতিকাৰ

## প্ৰথম দশকৰ 'অসমীয়া ব্যাকৰণ' প্ৰণেতা ৺লোকনাথ শৰ্ম্মা

**শ্ৰীহিতেন্দ্ৰনাথ ভট্টাচাৰ্য্য**

[ বৰ্ত্তমান অবহেলিত অৱস্থাত পৰিথকা 'অসমীয়া ব্যাকৰণ' আৰু 'নিত্যকৰ্ম্ম-পদ্ধতি' নামৰ গ্ৰন্থ দুখনৰ পৰিচিতি গ্ৰন্থকাৰৰ জীৱন-চৰিত্ৰৰ আৰু লগতে তেওঁৰ জন্মস্থান মহাপুৰুষ মাধৱদেৱে ৬ মাহৰো অধিক কাল কটোৱা গোমূৰা গাওঁৰ একালৰ পৰিৱেশ বৰ্ণনা কৰা হৈছে এই প্ৰবন্ধটোত। কালৰ বুকুত হেৰাই যাব খোজা এনে কৃতবিদ্য লোকসকলক পোহৰৰ পথলৈ আনিব পাৰিলে জাতিৰ কল্যাণ হ'ব বুলি ভাবো। ]

—সম্পাদক।

প্ৰায় ৫৫ বছৰ আগৰ কথা। কেইজনমান সৰু ল'ৰাই খেলি আছিল এখন ডাঙৰ চোতালত। চোতালৰ অ'ত ত'ত আম, কঁঠাল আৰু বেলগছ। কেউকাষে খেতি-পথাৰ আৰু ওচৰতে এডৰা সৰিয়হৰ খেতি। এজন বুঢ়া মানুহে খেলিথকা ল'ৰা কেইজনক সৰিয়হডৰা দেখুৱাই তাত কিমান সৰিয়হ আছে কোনে কব পাৰে সুধিলত সকলোটিয়ে এজন এজনকৈ নভবা-নিচিন্তাকৈ কিবা কিবি উত্তৰ দিলে। কিন্তু দলটোৰ এজনে সৰিয়হডৰাৰ ওচৰলৈ গৈ এডাল উভালি আনি চেইবোৰ একৱাই এটা এটাকৈ ফালি সৰিয়হখিনি হাতৰ তলুৱাত লৈ কিবা এটা গুজন কৰি মনতে গুণি সৰিয়হডৰালৈ চাই কিছু সময়ৰ মূৰত কিমান সৰিয়হ হ'ব কলে। পিচত হেনো সৰিয়হ চপোৱাৰ পিচত প্ৰায় সিমানখিনি সৰিয়হেই পোৱা গৈছিল। সেই চোতালখন আছিল গুৰুচৰিত প্ৰসিদ্ধ গোমূৰা সত্ৰৰ, আৰু বুঢ়া মানুহজন আছিল তেতিয়াৰ সেই সত্ৰৰ বুঢ়া ভকত আতৈ, আৰু সেই ল'ৰাজনেই আছিল অসমীয়া ব্যাকৰণ প্ৰণেতা ৺লোকনাথ শৰ্ম্মা। গুণি-গাথি চিন্তা-চৰ্চ্চা কৰি কথা কোৱা ল'ৰা লোকনাথেই যে পিচলৈ অসমীয়া ভাষা জননীৰ কোমল কণ্ঠত মালাধাৰী পিন্ধাব পাৰিছিল, সেয়া তেওঁৰ সৰুকালৰ স্বভাবসুলভ আশাশুধীয়া চেষ্টাৰ ফল বুলিব পাৰি।

আজি কুৰি শতিকাৰ অষ্টম দশকৰ কাল। এই কালছোৱাৰ পৰা আমি এশ বছৰ পিচলৈ ভুমুকি মাৰিলে অসমীয়া সাহিত্যৰ ভঁৰালত স্বৰ্ণসৌধ নিৰ্ম্মাণ কৰোতাসকলৰ নাম চকুত পৰিব। অৰ্থাৎ, উনৈশ শতিকাৰ সপ্তম, অষ্টম দশকতে জন্ম গ্ৰহণ কৰিছিল



উপস্থিত আছিল। প্ৰতিনিধিসকলৰ বহুতেই ৺চক্ৰৱৰ্ত্তীৰ ঘৰলৈ গৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰা দেখা গৈছিল।

শ্ৰীশিৱানন্দ শৰ্ম্মাৰ সম্পাদনাত অভ্যৰ্থনা সমিতিয়ে এখনি উন্নত স্তৰৰ স্মৃতি-গ্ৰন্থ প্ৰকাশ কৰে। অন্যান্য মূল্যবান প্ৰবন্ধৰ উপৰিও গোৱাল-পৰীয়া সংস্কৃতিৰ উন্নত আলোচনাই স্মৃতি-গ্ৰন্থখনিৰ মূল্য বৃদ্ধিত সহায় কৰিছে।

ধুবুৰী অধিবেশনৰ দিন কেইটিত অসমৰ বহু ঠাইত ধাৰাষাৰ বৰষুণ চলি থকা স্বত্বেও ধুবুৰীত এই তিনিও দিন এটোপাল বৰষুণো নথকাত সমৱেত বিৰাট জনতা প্ৰতিনিধিসকল আৰু অভ্যৰ্থনা সমিতিয়ে স্বচ্ছন্দতা অনুভৱ কৰিছিল। শেষৰ দিনা ৰাতি ১২ মান বজাত সাংস্কৃতিক সন্মিলন চলি থাকোতেই ধাৰাষাৰ বৰষুণ দিছিল যদিও এই বৰষুণে সন্মিলনৰ সাফল্যত বাধা প্ৰদান কৰা নাছিল। বাৰিষাৰ সমাগমৰ লগে লগে শাক-পাচলি, মাছ, আদিৰ প্ৰাচুৰ্য্য হ্ৰাস পোৱাত আৰু মূল্য বৃদ্ধি হোৱাত অভ্যৰ্থনা সমিতি নিশ্চয় কিছু অসুবিধাৰ সন্মুখীন হৈছিল। তথাপি অভ্যৰ্থনা সমিতিৰ আশাশুধীয়া যত্নৰ ফলত প্ৰতিনিধিসকলক যি অভ্যৰ্থনা দেখুৱালে তাৰ উচ্চ প্ৰশংসা প্ৰতিনিধি-সকলৰ মুখে মুখে শুনা গৈছিল। অধিবেশনত স্থানীয় ভিন্ন ভাষাভাষী ভদ্ৰলোক-ভদ্ৰমহিলা-সকলৰ সহযোগিতা বিশেষভাৱে প্ৰশংসনীয়। ভোজনালয়ৰ স্বেচ্ছাসেৱিকা হিচাবে বিশেষকৈ বঙালী ভদ্ৰমহিলাসকলক পাই তেওঁলোকৰ এনে আশাশুধীয়া সহযোগিতাত প্ৰতিনিধিসকল মুগ্ধ হৈছিল। নেতাই ধুবুনীৰ ঘাট, গদাধৰ আৰু ব্ৰহ্মপুত্ৰৰ সঙ্গমস্থল, গৌৰীপুৰৰ ৰাজকাৰেং, শিখ ধৰ্ম্মগুৰু তেজবাহাদুৰ স্থাপিত শিখ মন্দিৰ, ধুবুৰীৰ বিখ্যাত জুইশলা কাৰখানা, পাঁচনীড়িৰ দৰগাহ আদি চাবলৈ বহুতো দৰ্শকে উচ্‌পিচ্‌ লগাইছিল।

ধুবুৰী অধিবেশনৰ সৰ্ব্বময় সাফল্যই অসম সাহিত্য সভাক আৰু এটি খোজ নিৰ্ব্বিবাদে আগ-বঢ়াই নিলে।

---

# কুৰি শতিকাৰ

## প্ৰথম দশকৰ 'অসমীয়া ব্যাকৰণ' প্ৰণেতা ৺লোকনাথ শৰ্ম্মা

শ্ৰীহিতেন্দ্ৰনাথ ভট্টাচাৰ্য্য

[ বৰ্ত্তমান অবহেলিত অৱস্থাত পৰিথকা 'অসমীয়া ব্যাকৰণ' আৰু 'নিত্যকৰ্ম্ম-পদ্ধতি' নামৰ গ্ৰন্থ দুখনৰ পৰিচিতি গ্ৰন্থকাৰৰ জীৱন-চৰিত্ৰৰ আৰু লগতে তেওঁৰ জন্মস্থান মহাপুৰুষ মাধৱদেৱে ৬ মাহৰো অধিক কাল কটোৱা গোমূৰা গাওঁৰ একালৰ পৰিবেশ বৰ্ণনা কৰা হৈছে এই প্ৰবন্ধটোত। কালৰ বুকুত হেৰাই যাব খোজা এনে কৃতবিদ্য লোকসকলক পোহৰৰ পথলৈ আনিব পাৰিলে জাতিৰ কল্যাণ হ'ব বুলি ভাবো। ]

—সম্পাদক।

প্ৰায় ৫৫ বছৰ আগৰ কথা। কেইজনমান সৰু ল'ৰাই খেলি আছিল এখন ডাঙৰ চোতালত। চোতালৰ অ'ত ত'ত আম, কঁঠাল আৰু বেলগছ। কেউকাষে খেতি-পথাৰ আৰু ওচৰতে এডৰা সৰিয়হৰ খেতি। এজন বুঢ়া মানুহে খেলিথকা ল'ৰা কেইজনক সৰিয়হডৰা দেখুৱাই তাত কিমান সৰিয়হ আছে কোনে কব পাৰে সুধিলত সকলোটিয়ে এজন এজনকৈ নভবা-নিচিন্তাকৈ কিবা কিবি উত্তৰ দিলে। কিন্তু দলটোৰ এজনে সৰিয়হডৰাৰ ওচৰলৈ গৈ এডাল উভালি আনি চেইবোৰ একৰাই এটা এটাকৈ ফালি সৰিয়হখিনি হাতৰ তলুৱাত লৈ কিবা এটা ওজন কৰি মনতে গুণি সৰিয়হডৰালৈ চাই কিছু সময়ৰ মূৰত কিমান সৰিয়হ হ'ব কলে। পিচত হেনো সৰিয়হ চপোৱাৰ পিচত প্ৰায় সিমানখিনি সৰিয়হেই পোৱা গৈছিল। সেই চোতালখন আছিল গুৰুচৰিত প্ৰসিদ্ধ গোমূৰা সত্ৰৰ, আৰু বুঢ়া মানুহজন আছিল তেতিয়াৰ সেই সত্ৰৰ বুঢ়া ভকত আতৈ, আৰু সেই ল'ৰাজনেই আছিল অসমীয়া ব্যাকৰণ প্ৰণেতা ৺লোকনাথ শৰ্ম্মা। গুণি-গাথি চিন্তা-চৰ্চ্চা কৰি কথা কোৱা ল'ৰা লোকনাথেই যে পিচলৈ অসমীয়া ভাষা জননীৰ কোমল কণ্ঠত মালাধাৰী পিন্ধাব পাৰিছিল, সেয়া তেওঁৰ সৰুকালৰ স্বভাবসুলভ আশাশুধীয়া চেষ্টাৰ ফল বুলিব পাৰি।

আজি কুৰি শতিকাৰ অষ্টম দশকৰ কাল। এই কালছোৱাৰ পৰা আমি এশ বছৰ পিচলৈ ভুমুকি মাৰিলে অসমীয়া সাহিত্যৰ ভঁৰালত স্বৰ্ণসৌধ নিৰ্ম্মাণ কৰোতাসকলৰ নাম চকুত পৰিব। অৰ্থাৎ, ঊনৈশ শতিকাৰ সপ্তম, অষ্টম দশকতে জন্ম গ্ৰহণ কৰিছিল —ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা, হেমচন্দ্ৰ গোস্বামী, আনন্দচন্দ্ৰ আগৰৱালা, চন্দ্ৰধৰ বৰুৱা, হিতেশ্বৰ বৰবৰুৱা, ৰঘুনাথ চৌধাৰী ইত্যাদি ক্ষণজন্মা ব্যক্তিসকল। অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'ৰোমাণ্টিক ভাৱ'ৰ বিস্তাৰ সাধনৰ লগে লগে এই চাম কবি, সাহিত্যিক আৰু ভাষাবিদৰ কৰ্ম্মপ্ৰেৰণাই প্ৰসাৰ লাভ কৰিছিল। এই সময়ছোৱাতে, ১৮৭০ চনত ব্যায়াকৰণিক, সংস্কাৰসূচক নিত্য-নৈমিত্তিক মন্ত্ৰপুথি প্ৰণেতা, বুৰঞ্জীমূলক সাধুকথা ৰচক কৃতী শিক্ষক শ্ৰীলোকনাথ শৰ্ম্মাই জন্মলাভ কৰিছিল কামৰূপ জিলাৰ সৰু গাওঁ গোমূৰাৰ এঘৰ নিম্ন মধ্যবিত্ত হিন্দু পৰিয়ালত। সৌ সিদিনালৈ ঊনৈশ শতিকাৰ চতুৰ্থ দশকমানলৈ পানীৰ মাজত ডুব গৈ থকা গোমূৰা গাওঁ সেইকালত পথ-সংযোগ আদিৰ পৰা তেনেই বিচ্ছিন্ন আছিল। প্ৰাইমাৰী আৰু এম-ভি স্কুল আছিল ঘৰৰ পৰা বহুত দূৰৈত। এনেকি পাঠ্যপুথিৰ বেলিকা হাতত লবলৈ সহজতে পোৱা কিতাপ আছিল বঙলা ভাষাৰ। কিন্তু পৰিশ্ৰম, অধ্যৱসায় আৰু কষ্ট-সহিষ্ণুতাৰ ফলত তেওঁ সেই কালত অতি সুখ্যাতিৰে প্ৰাইমাৰী আৰু এম-ভি স্কুলত পঢ়ি বৃত্তি লাভ কৰি নৰ্ম্মাল স্কুলত পঢ়িছিল আৰু কৃতিত্বৰে উত্তীৰ্ণ হৈ শিক্ষকতাত একাণপতীয়াকৈ মনোযোগ দিছিল। কাকজান, ছয়গাওঁ, চকচকা, আদি বিভিন্ন এম-ভি স্কুলত শিক্ষকতা কৰিছিল। ১৯৪১ চনত তেওঁৰ পৰলোক ঘটে।

তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্য আছিল—অবাবত কিঞ্চিৎ সময় নকটাই লিখা-পঢ়া নাইবা ঘৰুৱা কাম-কাজত আত্মনিয়োগ কৰা। তেওঁ আনকো চলাহি মাৰি কথা পাতি সময় নিয়াবলৈ মানা কৰিছিল। তদুপৰি মিছা কথা নাইবা ভুল তথ্য পৰিবেশন কৰি মানুহক বিপথগামী কৰা চৰিত্ৰৰ তেওঁ বিৰোধী আছিল। আমি এই প্ৰৱন্ধত ৺লোকনাথ শৰ্ম্মাৰ জীৱনৰ সাহিত্য কৰ্ম্মৰ আভাস দিবলৈ চেষ্টা কৰিমহঁক।

তেওঁ তাহানি ১৯০১-২ চনতে অসমীয়া ব্যাকৰণ আৰু নিত্যকৰ্ম্ম-পদ্ধতি নামৰ দুখন গ্ৰন্থ লিখি উলিয়ায়। সেইখন অসমীয়া ব্যাকৰণ আচলতে 'লোকনাথ-ব্যাকৰণ' বুলিহে মুখে মুখে প্ৰচলিত আছিল। এখন ভাষা সম্পৰ্কীয়, আনখন অসমীয়া ভাষা আৰু লিপিত প্ৰকাশ কৰা এই ধৰণৰ প্ৰথম গ্ৰন্থ। আজীৱন নিম্ন মাধ্যমিক পৰ্য্যায়ৰ শিক্ষা-দানৰ সৈতে জড়িত থকা ভিতৰুৱা অঞ্চলৰ সাধাৰণ-ভাৱে শিক্ষালাভ কৰা লোক এজনৰ জীৱন আৰু সাহিত্য কৰ্ম্মৰ আভাস দিওঁতে আৰম্ভণিতে ক্ষণজন্মা সাহিত্যিকসকলৰ নাম লোৱা হৈছে এইবাবেই যে—বোধহয় অসমীয়া ভাষা-সাহিত্যৰ প্ৰসাৰ লাভৰ সময়ত দেখা দিয়া দুৰ্য্যোগৰ কালত সমসাময়িক এই সকল লোকৰ সাহিত্য-চৰ্চ্চাৰ প্ৰেৰণা আৰু মাধ্যমিক শিক্ষা-ব্যৱস্থাই লোকনাথ শৰ্ম্মাক উৎসাহ যোগাইছিল। আনহাতে মধ্যবিত্ত পৰিয়ালত জন্ম-গ্ৰহণ কৰি লাভ কৰা নিত্য-নৈমিত্তিক বৈদিক কৰ্ম্মৰ প্ৰেৰণাই 'নিত্যকৰ্ম্ম-পদ্ধতি' গ্ৰন্থ ৰচনা কৰাত ইন্ধন যোগাইছিল। 'নিত্যকৰ্ম্ম-পদ্ধতি' কিতাপখন সংগ্ৰহ কৰিবলৈ লওঁতে গুৱাহাটীৰ পৰা প্ৰায় ৬৫ মাইল দূৰত অৱস্থিত ৺লোকনাথ শৰ্ম্মাৰ ঘৰত তেওঁৰ হাতে লিখা দুই-এখন আন কিতাপো জীৰ্ণ অৱস্থাত পোৱা গৈছে। তেওঁৰ অগ্ৰজ সন্তান বৰ্ত্তমান অৰ্থেবাৰী হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক

—স্বৰাজ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, পদ্মনাথ গোহাঞিবৰুৱা, হেমচন্দ্ৰ গোস্বামী, আনন্দচন্দ্ৰ আগৰৱালা, চন্দ্ৰধৰ বৰুৱা, হিতেশ্বৰ বৰবৰুৱা, ৰঘুনাথ চৌধাৰী ইত্যাদি ক্ষণজন্মা ব্যক্তিসকল। অসমীয়া সাহিত্যৰ বুৰঞ্জীত 'ৰোমান্তিক ভাৱ'ৰ বিস্তাৰ সাধনৰ লগে লগে এই চাম কবি, সাহিত্যিক আৰু ভাষাবিদৰ কৰ্ম্মপ্ৰেৰণাই প্ৰসাৰ লাভ কৰিছিল। এই সময়ছোৱাতে, ১৮৭০ চনত ব্যায়াকৰণিক, সংস্কাৰসূচক নিত্য-নৈমিত্তিক মন্ত্ৰপুথি প্ৰণেতা, বুৰঞ্জীমূলক সাধুকথা ৰচক কৃতী শিক্ষক শ্ৰীলোকনাথ শৰ্ম্মাই জন্মলাভ কৰিছিল কামৰূপ জিলাৰ সৰু গাওঁ গোমূৰাৰ এঘৰ নিম্ন মধ্যবিত্ত হিন্দু পৰিয়ালত। সৌ সিদিনালৈ উনৈশ শতিকাৰ চতুৰ্থ দশকমানলৈ পানীৰ মাজত ডুব গৈ থকা গোমূৰা গাওঁ সেইকালত পথ-সংযোগ আদিৰ পৰা তেনেই বিচ্ছিন্ন আছিল। প্ৰাইমাৰী আৰু এম-ভি স্কুল আছিল ঘৰৰ পৰা বহুত দূৰৈত। এনেকি পাঠ্যপুথিৰ বেলিকা হাতত লবলৈ সহজতে পোৱা কিতাপ আছিল বঙলা ভাষাৰ। কিন্তু পৰিশ্ৰম, অধ্যৱসায় আৰু কষ্ট-সহিষ্ণুতাৰ ফলত তেওঁ সেই কালত অতি সুখ্যাতিৰে প্ৰাইমাৰী আৰু এম-ভি স্কুলত পঢ়ি বৃত্তি লাভ কৰি নৰ্ম্মাল স্কুলত পঢ়িছিল আৰু কৃতিত্বৰে উত্তীৰ্ণ হৈ শিক্ষকতাত একাণপতীয়াকৈ মনোযোগ দিছিল। কাকজান, ছয়গাওঁ, চকচকা, আদি বিভিন্ন এম-ভি স্কুলত শিক্ষকতা কৰিছিল। ১৯৪১ চনত তেওঁৰ পৰলোক ঘটে।

তেওঁৰ চাৰিত্ৰিক বৈশিষ্ট্য আছিল—অবাবত কিঞ্চিৎ সময় নকটাই লিখা-পঢ়া নাইবা ঘৰুৱা কাম-কাজত আত্মনিয়োগ কৰা। তেওঁ আনকো চলাহি মাৰি কথা পাতি সময় নিয়াবলৈ মানা কৰিছিল। তদুপৰি মিছা কথা নাইবা ভুল তথ্য পৰিবেশন কৰি মানুহক বিপথগামী কৰা চৰিত্ৰৰ তেওঁ বিৰোধী আছিল। আমি এই প্ৰবন্ধত ৺লোকনাথ শৰ্ম্মাৰ জীৱনৰ সাহিত্য কৰ্ম্মৰ আভাস দিবলৈ চেষ্টা কৰিমইঁক।

তেওঁ তাহানি ১৯০১-২ চনতে অসমীয়া ব্যাকৰণ আৰু নিত্যকৰ্ম্ম-পদ্ধতি নামৰ দুখন গ্ৰন্থ লিখি উলিয়ায়। সেইখন অসমীয়া ব্যাকৰণ আচলতে 'লোকনাথ-ব্যাকৰণ' বুলিহে মুখে মুখে প্ৰচলিত আছিল। এখন ভাষা সম্পৰ্কীয়, আনখন অসমীয়া ভাষা আৰু লিপিত প্ৰকাশ কৰা এই ধৰণৰ প্ৰথম গ্ৰন্থ। আজীৱন নিম্ন মাধ্যমিক পৰ্য্যায়ৰ শিক্ষা-দানৰ সৈতে জড়িত থকা ভিতৰুৱা অঞ্চলৰ সাধাৰণ-ভাৱে শিক্ষালাভ কৰা লোক এজনৰ জীৱন আৰু সাহিত্য কৰ্ম্মৰ আভাস দিওঁতে আৰম্ভণিতে ক্ষণজন্মা সাহিত্যিকসকলৰ নাম লোৱা হৈছে এইবাবেই যে—বোধহয় অসমীয়া ভাষা-সাহিত্যৰ প্ৰসাৰ লাভৰ সময়ত দেখা দিয়া দুৰ্য্যোগৰ কালত সমসাময়িক এই সকল লোকৰ সাহিত্য-চৰ্চ্চাৰ প্ৰেৰণা আৰু মাধ্যমিক শিক্ষা-ব্যৱস্থাই লোকনাথ শৰ্ম্মাক উৎসাহ যোগাইছিল। আনহাতে মধ্যবিত্ত পৰিয়ালত জন্ম-গ্ৰহণ কৰি লাভ কৰা নিত্য নৈমিত্তিক বৈদিক কৰ্ম্মৰ প্ৰেৰণাই 'নিত্যকৰ্ম্ম-পদ্ধতি' গ্ৰন্থ ৰচনা কৰাত ইন্ধন যোগাইছিল। 'নিত্যকৰ্ম্ম-পদ্ধতি' কিতাপখন সংগ্ৰহ কৰিবলৈ লওঁতে গুৱাহাটীৰ পৰা প্ৰায় ৬৫ মাইল দূৰত অবস্থিত ৺লোকনাথ শৰ্ম্মাৰ ঘৰত তেওঁৰ হাতে লিখা দুই-এখন আন কিতাপো জীৰ্ণ অৱস্থাত পোৱা গৈছে। তেওঁৰ অগ্ৰজ সন্তান বৰ্ত্তমান অৰ্থেবাৰী হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক



শ্ৰীঅনাথবন্ধু শৰ্ম্মাই তেওঁৰ অপ্ৰকাশিত পুথি বিচাৰিবলৈ লওঁতে সেইবোৰ পোকে কুটা অৱস্থাত আৰু আখৰৰ চিন অস্পষ্ট হৈ পৰা অৱস্থাত পায় যদিও সেইবোৰ হিউৱেন চাং আদি পৰিব্ৰাজকৰ বিষয়ে সাধুকথাৰ আৰ্হিত লিখিছিল বুলি জানিবলৈ দিয়ে। 'নিত্যকৰ্ম্ম-পদ্ধতি' নামৰ পুথিখনো তেনেই জীৰ্ণ অৱস্থাত পোৱা গৈছে।

এতিয়া দেখা গ'ল যে ইজনা লোকে অসমীয়া ভাষা চৰ্চ্চা কৰাত একাণপতীয়াকৈ লাগি আছিল আৰু সেই কালৰ শিক্ষালাভৰ পৰিৱেশ আৰু সা-সুবিধালৈ চাই যদিও আমি সামান্য শিক্ষা লাভ কৰা বুলিছো, আচলতে সেইৰূপ শিক্ষা সামান্য ধৰণৰ নাছিল।

**অসমীয়া ব্যাকৰণ**

কিতাপখনৰ মতামত শিতানত সেইকালৰ পলাশবাৰী মাইনৰ স্কুলৰ প্ৰধান শিক্ষক শ্ৰীজগৎ-চন্দ্ৰ গোস্বামীয়ে প্ৰশংসা-সূচক মত প্ৰকাশ কৰি কৈছে: "বিদ্যাসাগৰ মহাশয়ৰ উপক্ৰমণিকাৰ আৰ্হি লৈ লিখা হৈছে—ই বৰ বিতোপন হৈছে। আপুনি কিতাপখন সোনকালে ছপাব। এই পুথিখনে যাতে আসামৰ সকলো হাই স্কুলত চলে, তাৰ নিমিত্তে আমাৰ চেষ্টা কৰা উচিত।" তেতিয়াৰ পূৰ্ব্ববঙ্গ আৰু অসম অঞ্চলৰ শিক্ষাধিকাৰ মিঃ এইচ, স্বাৰ্প, এম-এ ডাঙৰীয়াৰ হৈ মিঃ জে, এন, ৰিচ্ছিয়ে এই ব্যাকৰণৰ প্ৰণেতালৈ দিয়া চিঠিত ১৯১০ চনৰ ১৪ ফেব্ৰুৱাৰীত বৰ্হা অসম উপত্যকাৰ শাখা পুথি ৰচা কমিটিয়ে এই ব্যাকৰণখন হাইস্কুলৰ প্ৰৱেশিকা পৰ্য্যায়লৈ কিছু সাল-সলনিৰ পৰামৰ্শসহ অনুমোদন কৰিবলৈ লৈছে বুলি লিখি পঠালে আৰু তেতিয়াৰ কটন কলেজৰ অধ্যাপক আৰু পিচলৈ বি, বৰুৱা কলেজৰ অধ্যক্ষ শ্ৰীসুৰেন্দ্ৰমোহন দাস ডাঙৰীয়াই "কিতাপখনত কেইবাটাও নতুন পাঠ সোমাই দি আগৰ কিতাপখন চালি জাৰি সৰ্ব্বাঙ্গ সুন্দৰ" কৰে। আমি এতিয়ালৈ কিতাপখনৰ ষোড়শ সংস্কৰণ পাইছোঁহি। এইটো সংস্কৰণ উলিওৱা হয় ১৯৫০ চনত। কিতাপখনৰ প্ৰকাশক বৰুৱা এজেন্সি, গুৱাহাটী আৰু ছপা কৰি উলিওৱা হয় কলিকতাৰ কমলা প্ৰিণ্টিং ৱাৰ্কচত। ১৯৪৬ চনত অসম শিক্ষা বিভাগৰ নিৰ্দ্দেশ মতে কিতাপখন পুনৰ ছপা কৰা হয়। মজলীয়া সৰু চানেকীয়া আখৰৰ ১১২ পৃষ্ঠাৰ কিতাপখনৰ ছপাৰ কাম পাঠ্যপুথি-সুলভ হৈছে বুলিব পাৰি।

ব্যাকৰণখন মুঠ ৩৭টা ভাগত ভগোৱা হৈছে। সৰু সৰু কোমলমতীয়া স্কুলীয়া ছাত্ৰই বুজিব পৰাকৈ ভাষা আৰু ব্যাকৰণ, পদ আৰু বাক্য, পদ প্ৰকৰণ, অলঙ্কাৰ, ছন্দ, ৰস আদি আলোচনা কৰা হৈছে। ভাষা আৰু ব্যাকৰণ—এই অধ্যায়টি আৰম্ভণিতে দিছে আৰু শুৱলাকৈ বৰ্ণনা কৰা হৈছে: "(১) সকলো জীৱতকৈ মানুহেই শ্ৰেষ্ঠ। এই শ্ৰেষ্ঠ জীৱ মানুহে যিবিলাক শব্দ উচ্চাৰণ কৰি মনৰ ভাব (হৰ্ষ-শোকাদি) আনৰ আগত প্ৰকাশ কৰে, তাক ভাষা বোলে; (২) দেশভেদে বেলেগ বেলেগ ভাষা ব্যৱহাৰ কৰা হয় ইত্যাদি।

ব্যাকৰণখনৰ অ'ত ত'ত প্ৰয়োজনীয় উদাহৰণৰ বেলিকা ছাত্ৰ-ছাত্ৰীৰ চিত্তাকৰ্ষক উদাহৰণ দিয় হৈছে। বিশেষকৈ নীতি শিক্ষা, চিন্তা তৰঙ্গিনী, উষা-হৰণ, নাম-ঘোষা, কীৰ্ত্তন আদিৰ উদ্ধৃতি আছে।

যেনে—"সত্য সনাতন হৰি যদুকুলে অৱতৰি
কৰিলাহা অসুৰ সংহাৰ—

শ্ৰীঅনাথবন্ধু শৰ্ম্মাই তেওঁৰ অপ্ৰকাশিত পুথি বিচাৰিবলৈ লওঁতে সেইবোৰ পোকে কুটা অৱস্থাত আৰু আখৰৰ চিন অস্পষ্ট হৈ পৰা অৱস্থাত পায় যদিও সেইবোৰ হিউৱেন চাং আদি পৰিব্ৰাজকৰ বিষয়ে সাধুকথাৰ আহিত লিখিছিল বুলি জানিবলৈ দিয়ে। 'নিত্যকৰ্ম্ম-পদ্ধতি' নামৰ পুথিখনো তেনেই জীৰ্ণ অৱস্থাত পোৱা গৈছে।

এতিয়া দেখা গ'ল যে ইজনা লোকে অসমীয়া ভাষা চৰ্চ্চা কৰাত একাণপতীয়াকৈ লাগি আছিল আৰু সেই কালৰ শিক্ষালাভৰ পৰিবেশ আৰু সা-সুবিধালৈ চাই যদিও আমি সামান্য শিক্ষা লাভ কৰা বুলিছো, আচলতে সেইকণ শিক্ষা সামান্য ধৰণৰ নাছিল।

**অসমীয়া ব্যাকৰণ**

কিতাপখনৰ মতামত শিতানত সেইকালৰ পলাশবাৰী মাইনৰ স্কুলৰ প্ৰধান শিক্ষক শ্ৰীজগৎ-চন্দ্ৰ গোস্বামীয়ে প্ৰশংসা-সূচক মত প্ৰকাশ কৰি কৈছে: "বিদ্যাসাগৰ মহাশয়ৰ উপক্ৰমণিকাৰ আহি লৈ লিখা হৈছে—ই বৰ বিতোপন হৈছে। আপুনি কিতাপখন সোনকালে ছপাব। এই পুথিখনে যাতে আসামৰ সকলো হাই স্কুলত চলে, তাৰ নিমিত্তে আমাৰ চেষ্টা কৰা উচিত।" তেতিয়াৰ পূৰ্ব্ববঙ্গ আৰু অসম অঞ্চলৰ শিক্ষাধিকাৰ মিঃ এইচ, শ্বাৰ্প, এম-এ ডাঙৰীয়াৰ হৈ মিঃ জে, এন, ৰিচ্ছিয়ে এই ব্যাকৰণৰ প্ৰণেতালৈ দিয়া চিঠিত ১৯১০ চনৰ ১৪ ফেব্ৰুৱাৰীত বহা অসম উপত্যকাৰ শাখা পুথি ৰচা কমিটিয়ে এই ব্যাকৰণখন হাইস্কুলৰ প্ৰবেশিকা পৰ্য্যায়লৈ কিছু সাল-সলনিৰ পৰামৰ্শসহ অনুমোদন কৰিবলৈ লৈছে বুলি লিখি পঠালে আৰু তেতিয়াৰ কটন কলেজৰ অধ্যাপক আৰু পিচলৈ বি, বৰুৱা কলেজৰ অধ্যক্ষ শ্ৰীসুৰেন্দ্ৰমোহন দাস ডাঙৰীয়াই "কিতাপখনত কেইবাটাও নতুন পাঠ সোমাই দি আগৰ কিতাপখন চালি জাৰি সৰ্ব্বাঙ্গ সুন্দৰ" কৰে। আমি এতিয়ালৈ কিতাপখনৰ ষোড়শ সংস্কৰণ পাইছোঁহি। এইটো সংস্কৰণ উলিওৱা হয় ১৯৫০ চনত। কিতাপখনৰ প্ৰকাশক বৰুৱা এজেন্সি, গুৱাহাটী আৰু ছপা কৰি উলিওৱা হয় কলিকতাৰ কমলা প্ৰিণ্টিং ৱাৰ্কচত। ১৯৪৬ চনত অসম শিক্ষা বিভাগৰ নিৰ্দ্দেশ মতে কিতাপখন পুনৰ ছপা কৰা হয়। মজলীয়া সৰু চানেকীয়া আখৰৰ ২১২ পৃষ্ঠাৰ কিতাপখনৰ ছপাৰ কাম পাঠ্যপুথি-সুলভ হৈছে বুলিব পাৰি।

ব্যাকৰণখন মুঠ ৩৭টা ভাগত ভগোৱা হৈছে। সৰু সৰু কোমলমতীয়া স্কুলীয়া ছাত্ৰই বুজিব পৰাকৈ ভাষা আৰু ব্যাকৰণ, পদ আৰু বাক্য, পদ প্ৰকৰণ, অলঙ্কাৰ, ছন্দ, ৰস আদি আলোচনা কৰা হৈছে। ভাষা আৰু ব্যাকৰণ—এই অধ্যায়টি আৰম্ভণিতে দিছে আৰু শুৱলাকৈ বৰ্ণনা কৰা হৈছে: "(১) সকলো জীৱতকৈ মানুহেই শ্ৰেষ্ঠ। এই শ্ৰেষ্ঠ জীৱ মানুহে যিবিলাক শব্দ উচ্চাৰণ কৰি মনৰ ভাব (হৰ্ষ-শোকাদি) আনৰ আগত প্ৰকাশ কৰে, তাক ভাষা বোলে; (২) দেশভেদে বেলেগ বেলেগ ভাষা ব্যৱহাৰ কৰা হয় ইত্যাদি।

ব্যাকৰণখনৰ অ'ত ত'ত প্ৰয়োজনীয় উদাহৰণৰ বেলিকা ছাত্ৰ-ছাত্ৰীৰ চিত্তাকৰ্ষক উদাহৰণ দিয় হৈছে। বিশেষকৈ নীতি শিক্ষা, চিন্তা তৰঙ্গিনী, উষা-হৰণ, নাম-ঘোষা, কীৰ্ত্তন আদিৰ উদ্ধৃতি আছে।

যেনে—"সত্য সনাতন হৰি যদুকুলে অৱতৰি
কৰিলাহা অসুৰ সংহাৰ—



আন এঠাইত—

পুত্ৰৰ মঙ্গল হেতু আনন্দ হৃদয়ে
কৰন্ত স্বৰ্গীয় দেৱী লক্ষ্মী উপাসনা।

সন্ধি, নত্ব-বিধান, ষত্ব-বিধান, লিঙ্গ, পুৰুষ, কাল, বাচ্য, সমাস, সকলোতে ৺লোকনাথ শৰ্ম্মাৰ সহজ-সৰল ভাষা আৰু প্ৰকাশ-ভঙ্গীয়ে ঠাই পাইছিল। চিহ্ন প্ৰকৰণ বুজাওঁতে তেওঁ লিখিছে: "পঢ়িবৰ সময়ত ক'ত ক'ত বৈ পঢ়িব লাগে, তাক বুজাবলৈ কিছুমান চিন ব্যৱহাৰ কৰা হয়, তাক যতি বা বিৰাম চিহ্ন বোলে।" এইদৰে পাৰ্য্যমানে সহজ সৰল কৰিবলৈ চেষ্টা কৰা দেখা গৈছে। এই প্ৰসঙ্গতে ৺সত্যনাথ বৰাদেৱৰ এষাৰ উক্তি উল্লেখ কৰিব পাৰি, "ব্যাকৰণ প্ৰণয়ন এটা টান কাম, ই হাতী মাৰি ভুকুকাত ভৰোৱা কাম। এটা দীঘল ডাঙৰ ভাষাক তাৰ ডাল-পাত সমন্বিতে এটা এশ বা ডেৰ শ পতীয়া ব্যাকৰণত ভৰাব লাগে।" এতেকে এনে এটা দুৰুহ কাম নিৰ্ভুলভাৱে উলিওৱা সহজ নহয়। তাতেই যোগাযোগ নথকা গাওঁৰ পৰিবেশত থাকি তাহানি ১৯০১-০২ চনতে যে তেওঁ এই ব্যাকৰণখন এনে সহজভাৱে লিখিব পাৰিছিল সেয়া কম কথা নহয়। কিয়নো, ৺সত্যনাথ বৰাই কোৱাৰ দৰে "......অসমীয়া ভাষা সংস্কৃত ভাষাৰ নিচিনা নহয়। সিহঁতৰ গঠন আৰু গঠন-প্ৰণালী একেবাৰে টান।" তদুপৰি তেওঁ অসমীয়া ব্যাকৰণ লিখা সময়ত অসমত আজিৰ দৰে অসমীয়া ব্যাকৰণ আহি হিচাপে আগত লবলৈ তেনেকৈ নাই বুলিলেও হয়। সেইকালত ভাষাবিদ ৺হেমচন্দ্ৰ বৰুৱাৰ ব্যাকৰণ আৰু ৺লোকনাথ শৰ্ম্মাৰ ব্যাকৰণ প্ৰসিদ্ধ আছিল। ৺সত্যনাথ বৰাই বহল ব্যাকৰণত কেতবোৰ অসমীয়া ভাষাৰ প্ৰয়োজনীয় দিশ আলোচনা কৰিছে—যেনে জতুৱা ঠাচ ইত্যাদি। কিন্তু এই কথা হলে কব পাৰি যে এই ব্যাকৰণখনি হাইস্কুলৰ ৮ম মান শ্ৰেণীলৈ সম্পূৰ্ণ নিৰ্ভৰযোগ্য। এতিয়া অৱসৰপ্ৰাপ্ত বহুতো হেড পণ্ডিত আৰু শিক্ষকে এই ব্যাকৰণখনৰ কথা ভূয়সী প্ৰশংসা কৰা শুনা যায়। সৰ্থেবাৰী এম-ভি স্কুলৰ অৱসৰপ্ৰাপ্ত কৃতী প্ৰধান শিক্ষক শ্ৰীযুত হৰিচৰণ তালুকদাৰে মত প্ৰকাশ কৰি কয় যে "লোকনাথ শৰ্ম্মাৰ ব্যাকৰণখন একালত আমাৰ আহিস্বৰূপ আছিল আৰু সেইখনি বুজি লৈ আমি এক প্ৰকাৰ মুখস্থই কৰি পেলাইছিলো। তেওঁ যে সেইকালত সেইখন লিখিছিল, ভাবিলে শ্ৰদ্ধাত মূৰ দো খায়।"

গুৱাহাটীৰ কলেজিয়েট স্কুলৰ শিক্ষক শ্ৰীনগেন চৌধাৰী, নিম্ন-প্ৰাথমিক শিক্ষাদানৰ সৈতে জড়িত শিক্ষক শ্ৰীঘনকান্ত ভট্টাচাৰ্য্য আদি শিক্ষকসকলে ৺লোকনাথ শৰ্ম্মাৰ ব্যাকৰণখনৰ কথা সুধিলে শ্ৰদ্ধাৰে সুঁৱৰি কয়: "ব্যাকৰণখনৰ সূত্ৰসমূহ বৰ সৰল আৰু উদাহৰণ বৰ মনত লগা বিধৰ।" শ্ৰীঘনকান্ত ভট্টাচাৰ্য্যই নত্ব-বিধান আৰু ষত্ব-বিধানৰ নিয়মসমূহ একপ্ৰকাৰ মুখস্থই মাতি দিলে।

যথা: কল্যাণ লৱণ ঘৃণ শণ গুণ পণ
আপন বিপণি বীণা অণু কোণ গণ
মাণিক্য চাণক্য পুণ্য বণিক নিপুণ
কঙ্কণ কণাদ বাণী স্থাণু বাণ তৃণ

আৰু:

ভাষা-দোষ-বিষ-দোষ বিশ্লেষ পোষণ
বৰ্ষা হৰ্ষ ঈৰ্ষা ৰোষ-বিষয় কৰ্ষণ।

**নিত্যকৰ্ম্ম-পদ্ধতি :**

আচাৰ পদ্ধতি সম্পৰ্কীয় নিয়মিত ব্যৱস্থা সম্বলিত ৺লোকনাথ শৰ্ম্মাৰ দ্বিতীয় গ্ৰন্থ হ'ল নিত্যকৰ্ম্ম-পদ্ধতি। নিত্যকৰ্ম্ম-পদ্ধতি গ্ৰন্থখন এতিয়া দুষ্প্ৰাপ্য। নিয়ম-নীতিৰ মাজেৰে চলা ব্ৰাহ্মণ পৰিয়ালত দুই-এখন হয়তো পোকে কুটা অৱস্থাত পোৱা যাব। এই গ্ৰন্থখনত ব্ৰাহ্মণসকলৰ সংস্কাৰ-কাৰ্যাৰ মন্ত্ৰ নিয়মাদি বৰ্ণনা কৰা আছে। এই মন্ত্ৰসমূহ বৈদিক। এতেকে এখন সৰু কিতাপত নিয়মীয়াকৈ পোৱা টান। সেইবোৰ উদ্ধাৰ কৰি আনি এখন সৰু গ্ৰন্থত ঠাই দিয়াটো এটা অতি উত্তম কাম হৈছে। কিতাপ-খনৰ পাতনি উল্লেখযোগ্য। পাতনিত ৺লোকনাথ শৰ্ম্মাৰ গদ্যৰীতিৰ সুকীয়া ঠাচ স্পষ্ট হৈ আছে। তেওঁৰ ভাষা, প্ৰকাশভঙ্গী আৰু ধৰ্ম্মীয় সামাজিক চেতনাৰ উমান পোৱা যায়। অসমীয়া-সংস্কৃতীয়া আৰু বঙালী আহিঁযুক্ত ভাষাত হিন্দু ধৰ্ম্মৰ নিয়ম নীতিৰ প্ৰতি আগ্ৰহান্বিত এজন নৈষ্ঠিক ব্ৰাহ্মণ পণ্ডিতৰ কথা শুনি থকা যেন লাগে। এতিয়া তেওঁৰ সৈতে পৰিচিত প্ৰধান পণ্ডিতসকলে এই পাতনিৰ কথা সুঁৱৰি কয় যে সেইবোৰ তেওঁৰ অন্তৰৰ কথা আছিল। ৺লোকনাথ শৰ্ম্মাই পাতনি বুলি নিলিখি লিখিছে : প্ৰাৰ্থনানুবোধ।

—"নিত্যকৰ্ম্ম-পদ্ধতি নামে অনেক অনেক পুস্তক বঙলা ভাষাত ছাপা হৈছে। কিন্তু এখনি পুথিতো অস্মদ্দেশীয় প্ৰচলিত নিয়মানুসাৰে ত্ৰিসন্ধ্যাৰ ক্ৰম বা নিত্যপূজাদিৰ প্ৰণালী সুন্দৰ ৰূপে লিখা নাই। সুতৰাং সেইসকল নিত্যকৰ্ম্ম-পদ্ধতিৰ দ্বাৰা আমাৰ দেশীয় শিক্ষাৰ্থী ব্ৰাহ্মণ-সকলৰ কোনো উপকাৰ হোৱা নাই। এই পুস্তকত নিদ্ৰান্তে শয্যাত্যাগ কৰাৰ পৰা ৰাত্ৰি শয়ন পৰ্য্যন্ত ব্ৰাহ্মণৰ যাৱতীয় নিত্যকৰ্ম্ম আমাৰ দেশত প্ৰচলিত নিয়মানুসাৰে যথাশক্তি শুদ্ধ কৰি লিখা হৈছে। আৰু প্ৰত্যেক কৰ্ম্মতে নানা শাস্ত্ৰৰ প্ৰমাণ উদ্ধৃত কৰি দিয়া হৈছে। এই পুস্তক ছাপা কৰি গ্ৰন্থকাৰ হৈ যশস্যা লাভ কৰিবৰ ইচ্ছা কৰা, অথবা পুস্তকৰ দ্বাৰা অৰ্থ উপাৰ্জ্জন মোৰ উদ্দেশ্য নহয় ; যাতে এই পুস্তকৰ নিয়মানুসাৰে সকলোৱে নিত্যকৰ্ম্মাদিৰ অনুষ্ঠান কৰে সেয়ে মোৰ মুখ্য মনোভিপ্ৰেত। বৰ্ত্তমানে সে কি দুৰ্দ্দিন উপস্থিত হৈছে পৰিবাৰ ভৰণ-পোষণাদি জীৱিকা চলোৱাৰ নিমিত্তে ব্ৰাহ্মণৰ নিত্য-কৰ্ম্মসকল লোপ পাব ধৰিছে। প্ৰভাতে উঠিয়েই মিথ্যা, প্ৰবঞ্চনা, কপটতা অথবা অন্য অসদুপায়ৰ দ্বাৰা কিৰূপে অৰ্থোপাৰ্জন কৰা যায় এই চিন্তাই সকলোকে অস্থিৰ কৰিছে। প্ৰাতঃকৃত্য, সন্ধ্যা, তৰ্পন, দেৱপূজাদি কৰণীয় কৰ্ম্মৰ চিন্তা ব্ৰাহ্মণৰ মনৰ পৰা চিৰদিনৰ নিমিত্তে বিদায় লোৱা যেন দেখা গৈছে। ব্ৰাহ্মণৰ কৰ্ত্তব্য-কৰ্ম্মসকল যথাবিধি আচৰণ নকৰিলে বল, বুদ্ধি, ব্ৰহ্মতেজ বৃদ্ধি হবৰ আশা কৰা যায়নে ? এই নিমিত্তে আজি ব্ৰাহ্মণ জাতি অধঃপাতিত হৈছে। এই পতিত জাতি উত্তীৰ্ণ হবৰ ইচ্ছা কৰিলে প্ৰাচীন কালৰ ঋষি-মুণিৰ অনুষ্ঠিত কাৰ্য্যাদি অবলম্বন কৰা নিতান্ত কৰ্ত্তব্য। ব্ৰাহ্মণে প্ৰত্যহ ত্ৰিসন্ধ্যা নকৰিলে মহাপাপে পতিত হয় আৰু জীৱন অসাৰ্থক হয়। বিচাৰ কৰি দেখিলে শতকৰা দশজনেও ত্ৰিসন্ধ্যা নকৰে হবলা। কিন্তু এটা কথা আছে যে ইচ্ছা থাকিলে পথ পোৱা যায়—এই কথাটি মিছা নহয়। প্ৰভাতে ও সন্ধ্যাকালে পাচ-সাতজনে একত্ৰ



হৈ নানাবিধ ৰহস্যযুক্ত গল্প কৰি থাকে অথবা একজনৰ নিন্দা আৰু আনজনৰ স্তুতিবাদ কৰি কাল কৰ্ত্তন কৰে, তথাপি সন্ধ্যা কৰিব লাগে বুলি চিন্তা মনত নপৰে, ই সামান্য দুখৰ কথা নহয়। সম্পূৰ্ণৰূপে সন্ধ্যাটি কৰিব লাগিলে ১৫ মিনিটতকৈ অধিক সময় নেলাগে। এতেকে ফলশূন্য অনাধিকাৰ চৰ্চ্চা দ্বাৰা সময় নষ্ট নকৰি সেইখিনি সময় ব্ৰহ্মোপাসনাতে কৰ্ত্তন কৰা অবশ্য উচিত। ইহকালে সুখে থাকিবৰ নিমিত্তে যত্ন কৰা অপেক্ষা পৰকালে সুখে থাকিবলৈ যত্ন কৰাহে জ্ঞানী লোকৰ পক্ষে নিতান্ত কৰ্ত্তব্য। পৰিশেষত বিদ্বন্মণ্ডলীৰ সমীপত কৰযোৰে প্ৰাৰ্থনা কৰি কও যে এই পুস্তকত লিখা কৰ্ম্মানুষ্ঠানৰ কোনো স্থলত নিয়মৰ ব্যতিক্ৰম ঘটিলে সেই দোষখিনি মাৰ্জ্জনা কৰি এই দীনহীন অভাজনক উৎসাহিত কৰিব।

—বিনীত

—শ্ৰীলোকনাথ শৰ্ম্মা।

আমি উদ্ধাৰ কৰা এই গ্ৰন্থখনত চন তাৰিখ পোৱা নগল। পাতনি আৰু সূচীপত্ৰ সহ ১২০ পৃষ্ঠামান পোৱা গৈছে। পাতনিৰ পৰা বুজা গল ৺শৰ্ম্মা এজন নৈষ্ঠিক হিন্দু আৰু সংস্কৃত ব্ৰাহ্মণ আছিল। অবাবত সময় কটাই অ'ত ত'ত আড্ডা মাৰি থকাতকৈ ঈশ্বৰ চিন্তাৰ পৰামৰ্শ দিছে। তদুপৰি তেওঁৰ দিনতো যে অৰ্থনৈতিক সংকট আছিল সেয়া পাতনিত উল্লেখ কৰা হৈছে। উচ্চ হিন্দু বুলি বা উপাধি লিখি ব্ৰাহ্মণ বোলাই থকাতকৈ নিয়ম-নীতি পালন কৰি পৱিত্ৰ জীৱন যাপন কৰাত গুৰুত্ব আৰোপ কৰিছিল। ব্ৰাহ্মণ-সকলৰ অধঃপতনৰ গুৰি আৱিষ্কাৰ কৰিবলৈ হলে তেওঁৰ এই পাতনিত তাৰ ইঙ্গিত আছে। **জাতিভেদ প্ৰথা উচ্ছেদ কৰিবৰ সময়ত দেখাত এই পাতনিৰ কথাই সংৰক্ষণশীল মনোভাৱ সূচালেও—আজি-কালি নানাবিধ ৰোগৰ পৰা হাত সাৰিবলৈকো স্নানাদি কৰি মৌনভাবে আত্মা স্থিৰ কৰিবলৈ লোৱাটো বোধহয় অবৈজ্ঞানিক নহব।**

পাতনিৰ কেতবোৰ শব্দ মন কৰিবলগীয়া। অস্মদ্দেশীয়, নিদ্ৰান্তে, কৰ্ম্মানুষ্ঠান, দীনহীন, অভাজন ইত্যাদি

গ্ৰন্থকাৰৰ স্বভাৱ সুলভ সৰলতা আৰু নৈষ্ঠিক জীৱন যাত্ৰাৰ কথা সূচাইছে—ইয়াত থকা দুটামান বাক্যই,—তেওঁ এনে পুথি ৰচনা কৰি যশস্যা লাভ কৰা আৰু অৰ্থ উপাৰ্জ্জন কৰাৰ প্ৰয়াস কৰা নাই বুলি মত প্ৰকাশ কৰিছে ;—আৰু এঠাইত পুৱাৰে পৰা গোটেই দিনটো অসদুপায়ৰ দ্বাৰা অৰ্থোপাৰ্জ্জন কৰাৰ চিন্তাই মানুহক অস্থিৰ কৰি তোলা ভাবৰ ইঙ্গিত দিছে। নিত্যকৰ্ম্ম-পদ্ধতিত প্ৰাতঃকৃত্য, দন্তধাৱন, শৌচাচাৰ, স্নান, শিখাবন্ধন তিলক ধাৰণ, আচমন, সন্ধ্যা, তৰ্পন, শিৱপূজা বিষ্ণু পূজা, পঞ্চ মহাযজ্ঞ, ভোজনবিধি, শয়ন, তুলসীমাহাত্য, পুষ্পগ্ৰহণ বিধি, অভিবেদন বিধি, জপবিধি, গুৰু এবং দীক্ষা, পূজা আসন, ব্ৰাহ্মণ-লক্ষণ, ধৰ্ম্মলক্ষণ, শ্ৰাদ্ধবাসৰে কৰ্ত্তব্যাকৰ্ত্তব্য, কাৰ্ত্তিকব্ৰত, পুৰুষসূক্ত মন্ত্ৰ, গায়ত্ৰীকবচ, ৰুচিস্তব, ভাৰত সাৱিত্ৰী, পাণ্ডৱগীতা, পূজাবস্ত্ৰ, আয়ুক্ষয়কৰ কাৰ্য্য, ধূপবিধি আদি ভাগত ভগোৱা হৈছে। **ব্ৰহ্মমুহূৰ্ত্ততে টোপনিৰ পৰা উঠি প্ৰাতঃকৃত্যৰ পৰা আৰম্ভ কৰি দিনটোৰ কৰ্ম্মসূচীৰ পৱিত্ৰতা বৰ্ণনা কৰা আছে। এয়া আচলতে বিজ্ঞান সম্মত।**

শ্লোকবাজিৰ মাজে মাজে তলত অসমীয়াতে টোকালিখা হৈছে। এঠাইত **ব্ৰহ্মমুহূৰ্ত্ত শব্দৰ**

তাৎপৰ্য্য বৰ্ণাই লিখা হৈছে: "দিবাৰাত্ৰিৰ সময় পৰিমাণক আঠভাগে বিভক্ত কৰিলে এক এক ভাগক যাম বা প্ৰহৰ বোলা যায়। ৰাত্ৰিৰ শেষ প্ৰহৰ ব্ৰহ্মমূহূৰ্ত্ত নামে অভিহিত হয়। সেই প্ৰহৰৰ শেষাৰ্দ্ধই ৰাত্ৰিৰ শেষ যামাৰ্দ্ধ। ৰাত্ৰিৰ শেষ প্ৰহৰেই গাত্ৰোত্থান কৰা কৰ্ত্তব্য। ইত্যাদি।

৺লোকনাথ শৰ্ম্মাৰ জন্ম স্থান গোমূৰাগাওঁ এখন ঐতিহ্যপূৰ্ণ ঠাই। গুৰু-চৰিত প্ৰসিদ্ধ গোমূৰা সত্ৰ ইয়াতেই অৱস্থিত। এই গাওঁতে মহাপুৰুষ মাধৱদেৱে ৬ মাহ ১৪ দিন কাল যাপন কৰিছিল বুলি জনা যায়। সত্ৰৰ মণিকূটত সংৰক্ষিত হৈ থকা নাদ মহাপুৰুষে খনাই লৈ তাৰ পানী তেওঁ ব্যৱহাৰ কৰিছিল। সত্ৰত মহাপুৰুষৰ কালৰ হাতে লিখা ঘোষা পোৱা যায়। কথিত আছে যে মহাপুৰুষৰ দিনত এই গাওঁত বেদ, উপনিষদ আদি চৰ্চ্চা হৈছিল। সেইবাবে মহাপুৰুষে এই গাৱেঁদি যাওঁতে গাওঁখনৰ নামকৰণ কৰিলে গোমূৰা,—অৰ্থাৎ গো নামে বেদ আৰু মূৰা নামে আদি ঠাই। ৺লোকনাথ শৰ্ম্মাই সেই নামৰ মৰ্য্যাদা ৰক্ষা কৰিছে। কিয়নো, তেওঁ ৰচনা কৰা দুয়োখন গ্ৰন্থই আপুৰুগীয়া আৰু মূল্যবান। অসমীয়া ভাষা সাহিত্যৰ বেদীত অৰ্ঘ্য নিবেদন কৰা সকলৰ ভিতৰত ৺লোকনাথ শৰ্ম্মাৰ লগতে এই অঞ্চলৰ সৰ্থেবাৰীৰ প্ৰখ্যাত কথাশিল্পী প্ৰাক্তন মুখ্য-ন্যায়াধীশ ৺হলিৰাম ডেকা, হেমকোষ অভিধানৰ সংকলনত আত্মনিয়োগ কৰা ৺কুঁহিৰাম ডেকাৰ নাম উল্লেখ-যোগ্য।

সেইবুলি পথ সংযোগ আদিৰ ফালৰ পৰা সৌ সিদিনাহে অৰ্থাৎ যোৱা ৬ষ্ঠ দশকত এই গাওঁলৈ যন্ত্ৰ চালিত যান-বাহন অহা-যোৱা কৰিব পৰা হৈছে। ওচৰতে প্ৰখ্যাত শিল্পস্থান-সৰ্থেবাৰী টাউন থকা বাবেই গোমূৰা গাওঁৰ শিক্ষা-দীক্ষাৰ সা সুবিধা আছে। পিচে ৺লোকনাথ শৰ্ম্মাৰ দিনত এইবোৰ ঠাই প্ৰায় ৬ মাহ কাল পানীত ডুব গৈ আছিল। শিক্ষা-দীক্ষাৰ সা-সুবিধাৰ কথাই নাই, ইখন গাওঁৰ পৰা সিখন গাওঁলৈ যাবলৈ হলে নাও বা কলগছৰ ভেল লাগিছিল। নানাবিধ সংক্ৰামক ৰোগে মাজে মাজে ঢোৱাই নিছিল। আজিকালি গুৱাহাটীৰ পৰা প্ৰায় ৬৫ মাইল দূৰত অৱস্থিত এইখন গাওঁলৈ গুৱাহাটীৰ পৰা এদিনত নিজৰ কাম কাজ কৰি অহাযোৱা কৰিব পাৰি; অথচ সেইকালত গোমূৰাৰ পৰা ২৬ মাইল দূৰত্বত অৱস্থিত বৰপেটা আৰু ৯ মাইল দূৰত অৱস্থিত টিহু ষ্টেচনলৈ যাবলৈ হলে সমস্যা আছিল। তেনে এক যোগা-যোগ বিহীন পৰিবেশত বন্ধ, ছুটী আৰু অৱসৰৰ কালচোৱাত নিজ গাওঁতে কটোৱা ৺লোকনাথ শৰ্ম্মাই গাওঁ অঞ্চলৰ মানুহৰ প্ৰেৰণাস্বৰূপ আছিল। আন আন ঠাইৰ পণ্ডিত ব্যক্তিসকলেও তেওঁলৈ সেইকালত চিঠি-পত্ৰ দি কিতাপ ছপাবলৈ উৎসাহ যোগাইছিল। তেতিয়াৰ চিলেট সংস্কৃত কলেজৰ অধ্যাপক পণ্ডিত ৺হংসনাথ ভাগৱতী স্মৃতিতীৰ্থ মহাশয়ে ৺লোকনাথ শৰ্ম্মালৈ এই মৰ্ম্মে উৎসন্ন যোগাই দিয়া চিঠি-পত্ৰপোৱা গৈছে। শিক্ষকতাৰ চাল-চলন আঁহে আঁহে সোমাই থকা ৺শৰ্ম্মাক ডেকাসকলে শ্ৰদ্ধা আৰু ভয় কৰিছিল।

সদৌশেহত প্ৰশ্ন হ'ব পাৰে যে ব্যাকৰণ নাইবা মন্ত্ৰ পুথিৰ লেখীয়া নিত্যকৰ্ম্ম-পদ্ধতি গ্ৰন্থৰ প্ৰণেতা হিচাপে তেওঁ বিশেষ একো কৃতিত্বৰ কাম কৰা নাই। কিন্তু সৃষ্টি সাহিত্য নহলেও অসমীয়া ভাষা



সাহিত্য যেতিয়া তেনেই চালুকীয়া আৰু চৰ্চ্চা কৰা মানুহ যেতিয়া তেনেই আঙুলিৰ মূৰত লেখিব পৰা বিধৰ আছিল তেতিয়া তেনে এক সঙ্কটপূৰ্ণ কালত এজন সাধাৰণ শিক্ষক হৈ তেওঁ যি কাম কৰিছিল সেয়া চমকলগা আৰু কৃতিত্বপূৰ্ণ বুলি স্বীকাৰ কৰিব লাগিব।

আনহাতে তেওঁৰ দিনত যেয়ে শিক্ষকতা কৰি দৰমহা পাইছিল হয়তো মাহিলী ১০ টকাৰ পৰা ২৫ টকাৰ ভিতৰত তাৰ দ্বাৰা নিয়াৰিকৈ পৰিয়ালৰ ভৰণ-পোষণ দি এজন ল'ৰাক কটন কলেজত পঢ়ৱাই বি-এ পাছকৰাইছিল। গুডআৰ্থৰ বচয়িতা পাৰ্লবাকৰ 'দি হিদ্ন-ফ্লাৱাৰ' উপন্যাসৰ সাৰ্থক অনু-বাদ 'বনফুলৰ' গ্ৰন্থকাৰ বৰ্ত্তমান গুৱাহাটীৰ চাৰ্কেলৰ এ-চি-এচ বিষয়া শ্ৰীমুক্তানন্দ শৰ্ম্মা ৪ৰ্থ মান শ্ৰেণীত পঢ়ি থকা অৱস্থাতে তেওঁৰ দেউতাক এই কৃতী শিক্ষকজনৰ পৰলোক ঘটে। এতিয়া থোৰতে কৈ থোৱা ভাল যে জীৱন-চৰিত আৰু সাহিত্য-কৰ্ম্মৰ পৰিচয় দিয়তে ৺লোকনাথ শৰ্ম্মাৰ তিনিজন সন্তানৰ দুজনৰে নাম উল্লেখ কৰা হৈছে এই বাবেই যে আন আন সাহিত্য-প্ৰেমীৰ লগতে উপযুক্ত সন্তান থাকিলে তেওঁলোকেৰ এনে কৃতবিদ্য লোকৰ স্মৃতি জীয়াই ৰাখিবলৈ চেষ্টা কৰাটো কৰ্ত্তব্য। আন নহলেও গ্ৰন্থ দুখন উলিয়াই ৰখাৰ যোগাযোগ ৰক্ষা কৰিব লাগে।

**আনহাতে ব্যাকৰণখন যাতে পাঠ্যপুথি ৰূপে বাচনি কৰা হয় তাৰ বাবে পুথি বচা কমিটি, প্ৰকাশন পৰিষদ আদি অনুষ্ঠানৰ দৃষ্টি আকৰ্ষণ কৰা হল।**

**তদুপৰি 'নিত্যকৰ্ম্ম-পদ্ধতি' গ্ৰন্থখনো অসম সংস্কৃত বোৰ্ডৰ তৰফৰ পৰা প্ৰকাশ কৰি সংস্কৃত টোলত বিকল্প পাঠ্যপুথি হিচাপে চলাবলৈ ললে গ্ৰন্থকৰ্ত্তাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা হ'ব। তেনে কামৰ বাবে সংস্কৃত বোৰ্ডৰ কৰ্ম্মকৰ্ত্তাসকলৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।**

সদৌশেহত ব্যকৰণ প্ৰণেতা-গৰাকীৰ বিষয়ে এষাৰ উল্লেখ কৰিবলৈ মন যায়: সেয়া হ'ল— তেওঁৰ ক্ষেত্ৰত অসমীয়া সাহিত্যৰ ইতিহাস ৰচোতা সকলৰ দৃষ্টি আকৰ্ষণ কৰাৰ সৌভাগ্য ঘটিছেনে নাই সেই কথা পঢ়ুৱৈ সমাজৰ বিচাৰ্য্য।

---

# অনন্ত ঠাকুৰৰ শ্ৰীৰাম-কীৰ্ত্তন আৰু কলাপচন্দ্ৰদ্বিজৰ ৰামায়ণচন্দ্ৰিকা

—শ্ৰীমতী কেশদা মহন্ত

[ প্ৰবন্ধ ]

মহাপুৰুষ শঙ্কৰদেৱৰ অনুগামী কবি, কালশিলা সত্ৰৰ প্ৰতিষ্ঠাতা অনন্ত ঠাকুৰ আতা বা হৃদয়ানন্দ কায়স্থই, ৰামায়ণৰ সম্পূৰ্ণ ঘটনাৱলীৰ সংক্ষিপ্ত বৰ্ণনাৰে শ্ৰীৰাম কীৰ্ত্তন নামৰ পুথিখনি ৰচনা কৰিছিল। মহাপুৰুষ গুৰুজনাৰ কীৰ্ত্তন ঘোষাৰ আৰ্হিৰে এই গ্ৰন্থতো ঘোষা-পদৰ কীৰ্ত্তনীয়া পদ্ধতিতে বিষয় বস্তু উপস্থাপন কৰিছে। ১৯২৫ চনত ৺হৰিনাৰায়ণ দত্তবৰুৱাৰ সম্পাদনাত এই পুথিৰ প্ৰথম সংস্কৰণটি ৰবকটকী এণ্ড কোম্পানীৰপৰা প্ৰকাশ হৈছিল আৰু বৰ্ত্তমানে 'শিশু ৰামায়ণ' আখ্যা লগাই দত্তবৰুৱা এণ্ড কোম্পানীয়ে এই পুথিখন প্ৰকাশ কৰিছে।

এইজন সম্পাদকে পুথিখনিৰ পাতনিত, তাৰ পাঠ ক'ৰ পৰা গ্ৰহণ কৰা হৈছিল আৰু অন্য পাঠৰ লগত সেই পাঠ তুলনা কৰা হৈছিল নে নাই, এই বিষয়ে কোনো কথা উল্লেখ কৰা নাই। তেখেতে এক মাত্ৰ কথা উন্মুকিয়াই গৈছে—"লক্ষীমপুৰ আৰু নগাৱঁৰবৰদোৱা অঞ্চলত বহুত নাম লগাই এই পুথিৰ পদ মুখস্থ ৰখা আৰু নাম প্ৰসঙ্গত ইয়াৰ পদ দিয়া দেখা যায়।"

পুথিৰ পাতনিত কোৱা হৈছে—"শ্ৰীৰাম-কীৰ্ত্তনৰ উৎস ক'ত ?" গ্ৰন্থকৰ্ত্তাই লিখিছে—

> সাতকাণ্ড ৰামায়ণ বাল্মীকিৰ কৃত।
> তাৰ সাৰ উদ্ধাৰিয়া কৰিলা বিদিত ॥
> ৰামায়ণচন্দ্ৰিকা থৈলন্ত তাৰ নাম।
> কলাপচন্দ্ৰ যে দ্বিজ মহন্ত উপাম ॥ ৬
> তাৰ সাৰ অৰ্থ কাঢ়ি কি কৈবো অধিক।
> উপযুক্ত নহো মই জ্ঞানতো অল্পিক ॥
> তথাপিতো হৃদি গুৰু দেৱ অনুগ্ৰহে।
> তাৰ অৰ্থ যেন পাওঁ কহিবো সংগ্ৰহে ॥ ৭
> কীৰ্ত্তনৰ ছন্দে আৰ ৰচিবো পয়াৰ।
> শ্ৰীৰাম-কীৰ্ত্তন নাম জানিবা ইহাৰ ॥

এতেকে শ্ৰীৰাম-কীৰ্ত্তনৰ মূল ৰামায়ণচন্দ্ৰিকা। ইয়াক কলাপচন্দ্ৰদ্বিজে লিখিছিল। অনন্ত আতাই ৰামায়ণচন্দ্ৰিকাকে কীৰ্ত্তনৰ ছন্দত ভাঙিছিল। পুথিখন পঢ়িলে বুজিব পাৰি তেৰাই পুথিৰ অনুৱাদ কৰা নাই, তাৰ ছাঁ লৈ ৰামায়ণক অসমীয়া সাজ-পাৰ দি কীৰ্ত্তনৰ ছন্দেৰে ৰচনা কৰিছিল। এই খিনিতে উল্লেখ কৰি থোৱা ভাল হ'ব যে ওপৰত উদ্ধৃত "উপযুক্ত নহো মই জ্ঞানতো অল্পিক"ৰ ঠাইত মূল গ্ৰন্থত "একে শূদ্ৰজাতি আৰু বুদ্ধিতো অল্পিক" বুলিহে আছে।

দত্তবৰুৱাৰ পাতনিৰ পৰা উদ্ধৃত ওপৰৰ কথাখিনিত কলাপচন্দ্ৰৰ ৰামায়ণচন্দ্ৰিকা সম্পৰ্কে একো তথ্য প্ৰকাশ পোৱা নাই। অনন্ত ঠাকুৰে ৰামায়ণচন্দ্ৰিকাকে ভাঙিছিল বুলি কোৱা কথাও তেখেতে অনুমানতহে কৈছে; ৰামায়ণচন্দ্ৰিকা তেখেতে পঢ়ি লৈ তাৰ লগত শ্ৰীৰাম-কীৰ্ত্তনৰ তুলনা কৰি চাই কোৱাৰ প্ৰমাণ তেখেতৰ লিখাখিনিত নাই। তেনেস্থলত তেখেতে দিয়া "পুথিখনি পঢ়িলে বুজিব পাৰি তেৰাই পুথি অনুবাদ কৰা নাই"—ইত্যাদি মন্তব্য একেবাৰে দুৰ্ব্বল হৈ পৰে। যি ৰামায়ণচন্দ্ৰিকাক শ্ৰীৰাম-কীৰ্ত্তনৰ মূল বুলি স্বীকাৰ কৰা হৈছে, সেই গ্ৰন্থ দৃষ্টিগোচৰ নোহোৱাকৈয়ে শ্ৰীৰামকীৰ্ত্তন তাৰ অনুবাদেই নে ছাঁ লৈ লিখা—এই বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰাটো সম্ভৱ নহয়।

অসমীয়া সাহিত্য জগতত ৰামায়ণচন্দ্ৰিকা নামৰ পুথিখনত উল্লেখ এই প্ৰসঙ্গৰ বাহিৰে আৰু ক'তো দ্বিতীয়বাৰ পোৱা হোৱা নাই। ৺ডিম্বেশ্বৰ নেওগে তেখেতৰ New light on the History of Asamiya literature নামক গ্ৰন্থত শ্ৰীৰাম-কীৰ্ত্তনৰ পৰিচয় প্ৰসঙ্গতে কৈছে—"...on work as Ramayana Chandrika by any Assamese author is known save this reference."

ডঃ মহেশ্বৰ নেওগে তেখেতৰ "অসমীয়া সাহিত্যৰ ৰূপ ৰেখা" নামৰ গ্ৰন্থত শ্ৰীৰাম-কীৰ্ত্তনৰ পৰিচয় প্ৰসঙ্গত 'ৰামায়ণচন্দ্ৰিকা'ৰ ( কলাপচন্দ্ৰ-দ্বিজ ৰচিত ) নামমাত্ৰও উল্লেখ কৰা নাই, অৰ্থাৎ এই পুথি শ্ৰীৰামকীৰ্ত্তনৰ আৰ্হি বা মূল গ্ৰন্থ বুলি স্বীকাৰ কৰা নাই। আনহাতে কলাপচন্দ্ৰদ্বিজ বোলা কবিৰ পৰিচয় প্ৰসঙ্গতো তেওঁৰ ৰামায়ণচন্দ্ৰিকা নামৰ ৰচনা থকা বুলি কোৱা নাই। ইয়াৰপৰা আমাৰ অনুমান হয় যে ডাঃ নেওগে ৰামায়ণচন্দ্ৰিকা নামৰ গ্ৰন্থৰ অস্তিত্বকে স্বীকাৰ কৰা নাই।

অধ্যাপক শ্ৰীউপেন্দ্ৰচন্দ্ৰ লেখাৰুৱে 'অসমীয়া ৰামায়ণ সাহিত্য' নামৰ পুথিখনিত লিখিছে—"শ্ৰীৰামকীৰ্ত্তনখনি সংক্ষিপ্ত ৰামায়ণ। কলাপ-চন্দ্ৰদ্বিজে ৰামায়ণৰ সাৰ সংগ্ৰহ কৰি এখনি সংস্কৃত ৰামায়ণ ৰচনা কৰিছিল। তাৰপৰা অসমীয়া পদলৈ ভাঙি শঙ্কৰদেৱৰ কীৰ্ত্তনৰ আৰ্হিত ঘোষাপদ আদিৰে ৰাম-কীৰ্ত্তনখনি ৰচা হৈছে।" লেখাৰুৱে ৰামায়ণচন্দ্ৰিকাকনো কি ভিত্তিত সংস্কৃত গ্ৰন্থ বুলিলে, তাক জনা নগ'ল। আমাৰ বোধেৰে তেখেতৰ এই সিদ্ধান্তৰ আধাৰৰ ওপৰত উল্লিখিত দত্তবৰুৱাৰ 'ভাঙিছিল' বোলা কথাষাৰেই আমাৰ এই অনুমান দৃঢ় কৰে। শ্ৰীৰামকীৰ্ত্তনৰ ৰচনা কাল সম্পৰ্কে দত্তবৰুৱাৰ পাতনিত থাকি যোৱা ভুল এটিৰ পুনৰাবৃত্তি লেখাৰুৱেও কৰিছে।

দত্তবৰুৱাই লিখিছে—"পুথি ৰচনাৰ শকটো গ্ৰন্থত এইদৰে লিখা আছে—

> অশ্ব মুনি বাণ চন্দ্ৰ শকত।
> আঘ্ৰাণ দ্বিতীয়া শুক্ল পক্ষত ॥
> শ্ৰীৰামকীৰ্ত্তন ভৈলা উপসাম।
> অনন্তে কহে বোলা ৰাম ৰাম ॥

অশ্ব=৪, মুনি=৷, বাণ=৫, চন্দ্ৰ=১

প্ৰাচীন নিয়মমতে অঙ্ক কেইটা ওভোতাই দিলে ১৫৭৪ হয়।"

লেখাকয়েও—"অশ্ব মুনি বাণ চন্দ্র শকত অৰ্থাৎ ১৫৭৪ শকত ৰামকীৰ্ত্তন ৰচনা কৰা হয় বুলি কবিয়ে গ্ৰন্থৰ শেষত নিজে উক্তি কৰিছে।"

পিছে অশ্ববাচক শব্দই চাৰি সংখ্যাটো নুবুজায় সাত সংখ্যাটোহে বুজায়। গতিকে শ্ৰীৰামকীৰ্ত্তনৰ ৰচনা কাল ১৫৭৪ নহৈ ১৫৭৭ শকহে হয়। ডঃ নেওগে শ্ৰীৰামকীৰ্ত্তনৰ ৰচনাকাল ১৫৭৮ শকহে বুলিছে। উল্লেখযোগ্য যে অধ্যাপক শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়েও তেখেতৰ অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী বোলা গ্ৰন্থত শ্ৰীৰামকীৰ্ত্তনৰ ৰচনাকাল ১৫৭৪ শক আৰু ইয়াৰ মূল আধাৰ ৰামায়ণচন্দ্ৰিকাক সংস্কৃত গ্ৰন্থ বুলিছে। লেখাকয়ে শ্ৰীৰামকীৰ্ত্তনৰ পদ সংখ্যা সম্পৰ্কে একো কোৱা নাই। দত্তবৰুৱা সম্পাদিত গ্ৰন্থখনত ১১০২টি পদ আছে, পিছে শ্ৰীগোস্বামীয়ে গ্ৰন্থখনিত এহেজাৰ পদ আছে বুলিছে। তালৈ চাই শ্ৰীগোস্বামীয়ে দত্তবৰুৱা সম্পাদিত পুথিখনৰ বাহিৰে অন্য কোনোবা পাঠ পাইছে যেন অনুমান হয়। এই বিষয়ে পাছত অনুসন্ধান চলোৱাৰ আশা ৰখা হৈছে।

৺ডিম্বেশ্বৰ নেওগে শ্ৰীৰামকীৰ্ত্তনত থকা 'সাতকাণ্ড ৰামায়ণ বাল্মীকিৰ কৃত' ইত্যাদি পদৰ ভিত্তিতে শ্ৰীৰামকীৰ্ত্তনৰ আহি ৰামায়ণচন্দ্ৰিকা বুলিছে যদিও ৰামায়চন্দ্ৰিকা সম্পৰ্কে তেখেতে বিশেষ একো তথ্য দিব পৰা নাই। তেখেতে লিখিছে—"Ananta Ata relates how he took the Ramayana Chandrika of one Kalapachandradvija as his model."

ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মাৰ 'অসমীয়া সাহিত্যৰ ইতিবৃত্ত' নামৰ গ্ৰন্থতো ৰামায়ণচন্দ্ৰিকা সম্পৰ্কে একো বিশেষ তথ্য পোৱা নাযায়। তেখেতে উক্ত গ্ৰন্থত লিখিছে—"শ্ৰীৰামকীৰ্ত্তনৰ ৰচনা শক ১৫৭০ শক, ইং ১৬০৫ খৃষ্টাব্দ। এই গ্ৰন্থ কলাপচন্দ্ৰ দ্বিজৰ ৰামায়ণৰ সাৰ স্বৰূপ 'ৰামায়ণচন্দ্ৰিকা' নামৰ পুথিৰ সহায়ত ৰচনা কৰে।" শ্ৰীৰামকীৰ্ত্তনৰ ৰচনাকাল ডঃ শৰ্ম্মাই কি আধাৰত ১৫৭০ শক তথা ১৬০৫ খৃষ্টাব্দ বুলি স্থিৰ কৰিলে, সেই বিষয়ে একো জনা নাযায়। ১৫৭০ শকত ইংৰাজী খৃষ্টাব্দ [ ১৫৭০ + ৭৮ বা ১৬৪৮ বা ১৬৪৯ হে হ'ব যিহেতুকে বহাগত শক আৰু পুথত খৃষ্টাব্দ আৰম্ভ হয়, একেটা শকত দুটা খৃষ্টাব্দ পৰে ]। দত্তবৰুৱা, অধ্যাপক লেখাক, অধ্যাপক গোস্বামীৰ দ্বাৰা স্বীকৃত সময় আৰু ডঃ নেওগৰ দ্বাৰা গৃহীত সময়ৰ লগত অমিল ডঃ শৰ্ম্মাৰ এই ভিন্নসুৰী সময় নিৰূপনৰপৰা তেখেতে শ্ৰীৰাম-কীৰ্ত্তনৰ অন্য পাঠহে গ্ৰহণ কৰিছে বুলি অনুমান হয়। ইয়ো ভবিষ্যতে অনুসন্ধানযোগ্য বিষয় হৈ ৰ'ল।

ওপৰত কৰি অহা আলোচনাবোৰৰ পৰা দেখা গ'ল যে অনন্ত ঠাকুৰ আতাৰ শ্ৰীৰামকীৰ্ত্তনৰ আধাৰগ্ৰন্থৰূপে স্বীকৃত 'ৰামায়ণচন্দ্ৰিকা' সম্পৰ্কে সংশ্লিষ্ট পণ্ডিত মণ্ডলীয়ে আমাক যুক্তিযুক্ত কোনো সিদ্ধান্ত দিব পৰা নাই। তেনেস্থলত 'ৰামায়ণ-চন্দ্ৰিকা' নামৰ এই অপ্ৰাপ্ত গ্ৰন্থৰ অস্তিত্ব সম্পৰ্কে আমাৰ মনত নিতান্ত সন্দেহ জন্মে। এই প্ৰসঙ্গৰ বাহিৰে অন্য ক'তো ৰামায়ণচন্দ্ৰিকা নামৰ গ্ৰন্থৰ উল্লেখ নোহোৱা কথাই আমাৰ সন্দেহ আৰু ঘনীভূত কৰে। এই প্ৰবন্ধ লেখিকাৰ হাতত পৰা শ্ৰীৰামকীৰ্ত্তনৰ এক হস্তলিপিত 'ৰামায়ণচন্দ্ৰিকা'ৰ কোনো উল্লেখ নোহোৱা কথাই এই বিষয়ত অধিক দৃঢ়তা আনে।

যোৰহাটৰ ঢেকীয়াজুলী অঞ্চলৰ শ্ৰীথিৰেশ্বৰ বৰদলৈৰ ঘৰত থকা শ্ৰীৰামকীৰ্ত্তনৰ সাঁচিপতীয়া



পুথিখনি অন্য কোনো অসমীয়া ৰামায়ণী কবিৰ ৰচনা বুলি এই লেখিকাই তাৰ প্ৰতিলিপি প্ৰস্তুত কৰাৰ চেষ্টা কৰিছিল। পাছত দত্তবৰুৱা সম্পাদিত শ্ৰীৰাম-কীৰ্ত্তনৰ পাঠৰ লগত সাদৃশ্য দেখি তৃতীয় পৃষ্ঠাতে সেই কাম এৰি পুথিখনি গিৰিহঁতক গতাই দিয়া হ'ল। পুথিখনিৰ প্ৰথম পাতখিলাৰ আখৰবোৰ মাতিৰ নোৱাৰাকৈ অস্পষ্ট হৈ পৰিছে যদিও মাতিব পৰা অংশৰপৰাই প্ৰমাণিত হয় যে ইয়াৰ আৰম্ভণিত থকা পদৰ লগত দত্তবৰুৱা সম্পাদিত শ্ৰীৰাম কীৰ্ত্তনৰ পদৰ অমিল আছে। প্ৰথম অধ্যায়ৰ সামৰণিত এই সাঁচিপতীয়া পুথিত লেখকৰ ভণিতা এই বুলি পোৱা যায়—

কহয় কলাপচন্দ্ৰে অতি অল্পমতি।
বোলা ৰাম ৰাম সবে হোক সদগতি॥

তেনেস্থলত অনন্ত ঠাকুৰ আতাৰ অন্যতম নাম হৃদয়ানন্দ [ কহয় হৃদয়ানন্দে বোলা হৰি হৰি॥ শ্ৰীৰাম-কীৰ্ত্তন—৬৬৩ ] হোৱাৰ দৰে অন্য এটি নাম কলাপচন্দ্ৰ আছিল বুলি অনুমান কৰিব পাৰি। শ্ৰীৰাম-কীৰ্ত্তনৰ বিভিন্ন পাঠৰ তুলনা কৰি এই বিষয়টো অনুসন্ধান কৰি চাবলগীয়া। তদুপৰি উক্ত সাঁচিপতীয়া পুথিখনত দত্তবৰুৱা সম্পাদিত খনত থকাৰ দৰে ৰামায়ণ-চন্দ্ৰিকাৰ কোনো উল্লেখ নাই। তাত "সাতকাণ্ড ৰামায়ণ বাল্মীকিৰ কৃত। তাৰ সাৰ উদ্ধাৰিয়া কৰিলা বিদিত॥" বোলা এই পদ-ফাঁকিহে আছে; পাছৰ "ৰামায়ণ-চন্দ্ৰিকা থৈলন্ত তাৰ নাম………আৰ॥" বোলাখিনি এই অংশ নাই। "সাতকাণ্ড ·····বিদিত"ৰ পাছতে সাঁচি-পতীয়া পুথিখনিত এইদৰে আছে [ অস্পষ্ট অংশবোৰ খালি ৰখা হৈছে ]—

……………কেন কৰি।
……………তুষ্ট হুয়া হৰি॥
শ্ৰীৰাম-কীৰ্ত্তন অনন্ত····· ···।

দত্তবৰুৱা সম্পাদিত খনত এইখিনি পদ নাই। ইফালে দত্তবৰুৱাই পাতনিত "উপযুক্ত নহো মই জ্ঞানতো অল্পিক" আৰু মূল পাঠত "একে শূদ্ৰজাতি মই বুদ্ধিতো অল্পিক" বোলা অংশটোও সাঁচিপতীয়া পুথিখনত নাই।

আমাৰ বোধেৰে শ্ৰীৰাম-কীৰ্ত্তনৰ মূল বুলি স্বীকৃত 'ৰামায়ণ-চন্দ্ৰিকা' নামৰ পুথিৰ অস্তিত্ব নাই। প্ৰকৃত-পক্ষে মহাপুৰুষ শঙ্কৰদেৱৰ একান্ত অনুগামী বৈষ্ণৱ কবি কালশিলীয়া ঠাকুৰ অনন্ত আতাৰ শ্ৰীৰাম-কীৰ্ত্তনৰ আহি গুৰুজনা ৰচিত উত্তৰাকাণ্ড, তেৰাৰ অনুমোদিত অপ্ৰমাদী পূৰ্বকবি মাধৱ কন্দলীৰ মাজৰ কাণ্ড পাঁচোটি আৰু মাধৱদেৱৰ আদিকাণ্ড হে। অনন্ত ঠাকুৰে শঙ্কৰদেৱৰপৰা কীৰ্ত্তনৰ আহি গ্ৰহণ কৰাৰ কথা ছপা আৰু সাঁচিপতীয়া দুয়োখনিতে আছে—

নমো নমো শ্ৰীশঙ্কৰ তুমি পূৰ্ণকাম।
কীৰ্ত্তনৰ ছন্দে বিৰচিলা গুণ-নাম॥
তুমি ঈশ্বৰ কৰ্ম্মে মোৰ মন ভৈল।
যেন ব্ৰহ্মবধীয়ে স্বৰ্গক আশা কৈল॥
তথাপিতো তযু কৃপা যিজনে পাৱয়।
তাৰ বাঞ্ছা সিদ্ধি হৈবে কি কৈবে লাগয়॥

অনন্ত ঠাকুৰে ঈশ্বৰ ৰূপে স্বীকাৰ কৰা শঙ্কৰ-দেৱৰ নিজা ৰচনা আৰু তেৰাৰ অনুমোদিত মাধৱ-কন্দলীৰ ৰচনা তথা তেৰাৰ আজ্ঞাত বিৰচিত মাধৱ-দেৱৰ ৰচনাৰপৰা আহি গ্ৰহণ নকৰি কোনোবা কলাপচন্দ্ৰ দ্বিজৰ অখ্যাত (?) গ্ৰন্থ ৰামায়ণ-চন্দ্ৰিকাক

আধাৰ স্বৰূপে গ্ৰহণ কৰাটো সম্ভৱ নহয়। ৰামায়ণৰ সাৰ উদ্ধাৰ কৰি সংক্ষিপ্তকৈ লিখা বুলি কল্পিত সেই পুথিৰপৰা অনন্ত ঠাকুৰে অনুবাদ কৰিবলৈ যোৱা যেন ধাৰণা নহয়। তাতকৈ শঙ্কৰদেৱে ভাগৱত আদিৰ কৃষ্ণ-কথাসমূহ সংক্ষিপ্তকৈ লিখা কীৰ্ত্তন-ঘোষাৰ আহিহে অনন্ত ঠাকুৰে গ্ৰহণ কৰাটো সম্ভৱ। ওপৰত উল্লেখ কৰি অহা সাঁচিপতীয়া পুথিত পদৰপৰা বুজা যায় যে অনন্ত আৰু অন্যতম নাম কলাপচন্দ্ৰ ( অৱশ্যে অন্য কলাপচন্দ্ৰ দ্বিজো থাকিব পাৰে ); ৰামসৰস্বতীৰ পুত্ৰ বুলি পৰিচিত কলাপচন্দ্ৰ দ্বিজৰ নামটো সাদৃশ্যবশতঃ ইয়াত জুৰি দিয়া হ'ল আৰু কলাপচন্দ্ৰ দ্বিজৰ ৰচনা বুলি 'ৰামায়ণ-চন্দ্ৰিকাক ইয়াত জড়িত কৰাৰ কাৰ্য্যও তাৰে অনুগামী মাত্ৰ। এই প্ৰসঙ্গত দ্বিজ কলাপচন্দ্ৰৰ অৰ্থ পাবলৈ অসমৰ্থ হোৱাৰ কাৰণ স্বৰূপে দত্তবৰুৱা সম্পাদিত পাঠে "একে শূদ্ৰজাতি আৰু বুদ্ধিতো অল্পিক" বুলি কোৱা কথাও প্ৰক্ষিপ্ত যে দুটা কথাৰ পৰা প্ৰমাণিত হয়। প্ৰথম কথা হ'ল—দত্তবৰুৱাই পাতনিত এই পদৰ ঠাইতে "উপযুক্ত নহো মই জ্ঞানতো অল্পিক" হে বুলিছে। দ্বিতীয়তে আমি পোৱা সাঁচিপতীয়া পুথিখনিত এই কথা নায়েই। প্ৰসিদ্ধ ভূঞা যশচন্দ্ৰখাঁৰ বংশজাত অনন্ত ঠাকুৰে যে নিজকে শূদ্ৰ বুলি পৰিচয় নিদিয়ে তাৰ সপক্ষেও যুক্তি আছে।

মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰৱৰ্ত্তক 'কায়স্থ শঙ্কৰে' আৰু তেৰাৰ অনুগামী মাধৱদেৱ, গোপালদেৱ, পুৰুষোত্তম ঠাকুৰ, যদুমণিদেৱ, ৰাবৰীয়া শ্ৰীৰাম আতা প্ৰভৃতি অব্ৰাহ্মণ লেখক ধৰ্ম্মগুৰুসকলে নিজকে কেতিয়াও শূদ্ৰ বুলি পৰিচয় দি যোৱা নাই। শঙ্কৰদেৱৰ ভ্ৰাতৃ হাথীয়া দলৈৰ নাতিনী বিষ্ণুপ্ৰিয়াৰ পাণি গ্ৰহণ কৰা যদুৰ পুত্ৰ অনন্ত ঠাকুৰ আতা। যদু হৈছে প্ৰসিদ্ধ ভূঞা যশচন্দ্ৰখাঁৰ কনিষ্ঠ ভাই সুকবি গিৰিৰ পুত্ৰ। দ্বিজজাতিৰ অন্তৰ্ভুক্ত এই ভূঞাৰ পোৱালি অনন্ত ঠাকুৰে নাশ্ৰুত নাভূতভাৱে "শূদ্ৰজাতি আৰু বুদ্ধিতো অল্পিক" বুলি দিয়া পৰিচয় আমাৰ বিশ্বাসযোগ্য নহয়। অনন্ত ঠাকুৰে শ্ৰীৰাম-কীৰ্ত্তনত [ পদসংখ্যা ১০২৫—১০২৬ ] নিজৰ আভিজাত্যসূচক পৰিচয় "শুনা কৃষ্ণদাসৰ চৰিত্ৰ" বুলি আৰম্ভ কৰি এই বুলি সামৰিছে—

শঙ্কৰৰ ভ্ৰাতৃ পৌত্ৰী নামে বিষ্ণুপ্ৰিয়া শাখী
বিহাইলন্ত যদু শুভনয়॥
তান গৰ্ভে ভৈলো জাত মুহিকোহু আমি খ্যাত
পৰম মূৰুখ মূঢ়মতি।

ইয়াত গ্ৰন্থকাৰে শূদ্ৰ বুলি বিনয় প্ৰকাশ নকৰি শঙ্কৰদেৱৰ আহিৰে [ বৰদোৱা নামে গ্ৰাম, শঙ্খে মংস্যে অনুপাম ইত্যাদি আত্ম-পৰিচয় ] নিজ পৰিচয় দাঙি ধৰি "পৰম মূৰুখ মূঢ়মতি" বুলি মহাপুৰুষীয়া বিনয়হে প্ৰকাশ কৰিছে।

ওপৰত কৰি অহা আলোচনাৰ ভিত্তিত, দত্তবৰুৱা সম্পাদিত পাঠখিনিত কিবা কেৰোণ থাকি যোৱাৰ সন্দেহ জন্মায়। এই সন্দেহ নিবাকৰণৰ কাৰণে অন্য পাঠৰ লগত তুলনা কৰাটো নিতান্ত আৱশ্যকীয়। এই ক্ষেত্ৰত সুধীসকলৰ দৃষ্টি মাত্ৰ আকৰ্ষণ কৰা হ'ল। শ্ৰীৰাম-কীৰ্ত্তনৰ আহি যে শঙ্কৰ-মাধৱ আৰু মাধৱ কন্দলীৰ ৰচিত ৰামায়ণহে, তাৰ প্ৰতিপাদনাৰ্থে তলত কাৰণ দৰ্শোৱা হ'ল—

শ্ৰীৰাম-কীৰ্ত্তনৰ ঘটনাৱলী মাধৱদেৱৰ আদিকাণ্ড আৰু শঙ্কৰদেৱৰ ৰচিত উত্তৰকাণ্ডৰ লগত একেবাৰে মিলি আছে। উল্লেখযোগ্য যে শঙ্কৰ-



মাধৱে ৰামায়ণী কথাৰ ক্ষেত্ৰত সম্পূৰ্ণভাৱে বাল্মীকিক অনুসৰণ কৰা নাই। তদুপৰি দুয়োজনাৰে ৰচনাত অনেকখিনি নিজা উদ্ভাৱনাও আছে। উদাহৰণ স্বৰূপে মাধৱদেৱৰ আদিকাণ্ডত থকা দশৰথৰ ওপৰত শনিৰ কোপবশতঃ ৰাজ্যত অনাবৃষ্টি হোৱা ঘটনাৱলী, কৈকেয়ীৰ বৰপ্ৰাপ্তি, বশিষ্ঠই দশৰথক ৰাম ঈশ্বৰৰ অৱতাৰ বুলি ৰাম-লক্ষ্মণক বিশ্বামিত্ৰৰ লগত পঠাবলৈ দিয়া উপদেশ আদি অবাল্মীকীয় কথাৰ উপৰিও মাধৱদেৱে স্বতন্ত্ৰভাৱে ৰচনা কৰা সীতা-জন্মৰ কাহিনীও অনন্ত ঠাকুৰে অপৰিৱৰ্ত্তিতভাৱে গ্ৰহণ কৰিছে। তদুপৰি শ্ৰীৰাম-কীৰ্ত্তনৰ পদত মাধৱদেৱৰ ৰচনাৰ প্ৰতিধ্বনি অনেক সুস্পষ্ট শুনা যায়। উদাহৰণ স্বৰূপে—পৰশুৰামৰ স্বৰ্গপথ ছেদ কৰা ৰামশৰ সম্পৰ্কে মাধৱদেৱৰ তাত আছে—

অদ্যাপিও ৰামশৰ দেখিয়ো স্বৰ্গত।

অনন্ত ঠাকুৰে লিখিছে—

আজিও প্ৰভুৰ বাণ, দেখি স্বৰ্গে বিদ্যমান।

ইত্যাদি উল্লেখযোগ্য যে এই কথা বাল্মীকীয় নহয়।

মূল ঘটনাৱলী মাধৱ কন্দলীয়ে বাল্মীকিৰ ৰামায়ণৰ দৰেই ৰাখিছে। গতিকে এই ক্ষেত্ৰত অনন্ত ঠাকুৰক মাধৱ কন্দলীৰ ওচৰত ধৰুৱা নকৰিলেও চলে যদিও বহু স্থলত অনন্ত ঠাকুৰে মাধৱ কন্দলীৰ ভাষা অনুকৰণ কৰালৈ চাই তেওঁক মাধৱ কন্দলীৰ ওচৰত ধৰুৱা কৰিবই লাগিব। তলত কেইটিমান মাত্ৰ উদাহৰণ দাঙি ধৰা হ'ল—

(১) শুকসাৰণে ৰাৱণক কৈছে [ মাধৱ কন্দলী ]

ত্ৰৈলোক্যৰ নাৰীগণে নাটিল তোমাক।
ৰাম অগনিৰ হৰি আনিলা সীতাক॥৪৮৮৬

( অনন্ত ঠাকুৰ )—

তুমি যে সুন্দৰী কৈতো নপাইলা।
ৰাম অগনিৰ শিখা হৰিলা॥৮৮

মাল্যৱন্তই ৰাৱণক কৈছে—

গৰ্বত থাকিয়া তুই নেদেখহ দিশ।
ৰামশৰে ফুটিয়া কৰিবে থিসমিস॥

[ মাঃ কঃ ৪৯৬০ ]

( অনন্ত ঠাকুৰ )—

ৰামশৰে হৈবি থিসমিস।
নেদেখিবি তই কোনো দিশ॥৭২০

*        *        *

মাধৱ কন্দলী—

দশশিৰ ছেদিবোহো ৰণচণ্ডী পূজিবোহো
ৰাৱণ হুইবেক বলিদান॥৪৮৭১

*        *        *

অনন্ত ঠাকুৰ—

দশশিৰ ছেদি তাৰ ৰণচণ্ডী পূজো॥৭৩০

মাধৱ কন্দলীৰ ৰচনাত দূত হৈ যোৱা অঙ্গদে ৰাৱণক কৈছে—

ৰামৰ ভাৰ্য্যাক সীতাক হৰিলি
ভাঙ্গিলি দৌলৰ ঘট।

একে প্ৰসঙ্গত অনন্ত ঠাকুৰৰ ৰচনাত আছে—

ধৰ্মদৌল সীতাদেৱী ঘটক ভাঙ্গিলি॥

এইদৰে দুয়ো ঠাইতে ত্ৰিজনাৰ সীতাৰ প্ৰতি উক্তিতো সাদৃশ্য ওলাই আছে—

মৃতকৰ মুখ কি জ্বলয় ভকভকি [ মাঃ কঃ ]

*        *        *

মৃতকৰ মুখ নোহে ভকভকি॥৭৫৫ [ অঃ ঠাঃ ]

এনেকুৱা অনেক মাধৱ কন্দলীৰ অনুকৰণ শ্ৰীৰাম-কীৰ্ত্তনত শব্দে শব্দে পোৱা যায়। কথাবস্তুৰ

ক্ষেত্ৰত স্বতন্ত্ৰতা গ্ৰহণ কৰা শঙ্কৰদেৱৰ উত্তৰকাণ্ডৰ ঘটনাৱলীকে অনন্ত ঠাকুৰেও অনুসৰণ কৰিছে। দুয়োখনি ৰচনা মিলাই চোৱাৰ ভাৰ সুধীসকললৈ এৰি ইয়াত অনন্ত ঠাকুৰে ৰচনাৰ ক্ষেত্ৰত শঙ্কৰদেৱক কৰা অনুকৰণৰ উদাহৰণ দুটা মানহে দাঙি ধৰা হল।

শঙ্কৰদেৱৰ উত্তৰকাণ্ডত সীতাই ৰামক স্বপ্নৰ কথা কওঁতে ৰামে উত্তৰ দিছে—

স্বপনৰ বস্তু কোনে পাৱে সচেতত।
হাসিবেক ইটো কথা নকৈবা লোকত॥

শ্ৰীৰাম-কীৰ্ত্তনত আছে—

বুলিলা ৰামে শুনা প্ৰাণেশ্বৰী।
স্বপ্নক কোনে মানে সত্য কৰি॥
এতেকে কাহাৰো আগে নকৈবা।
ইটো কথা শুনি লোকে হাসিবে॥

সীতা নিৰ্ব্বাসনত আদেশ দিয়াৰ পাছত ৰামে লক্ষ্মণক কৈছে—

সীতাক ৰাখিবি যেবে আগে মোক কাট॥
[ শঙ্কৰদেৱ ]

* * *

সীতাক ৰাখা যে কাটা আমাক। [শ্ৰীৰাম-কীৰ্ত্তন]

শঙ্কৰদেৱৰ ৰচনাত সীতাক বাল্মীকিৰ আশ্ৰমৰ পৰা আনিবলৈ যোৱা হনুমন্ত আদিক সীতাই কৈছে—

কিসক আমাক আউৰ কৰ উতপাত।

* * *

বোলাইবো ঘৰিণী আৰো ৰাঘৱৰ ঘৰে।
নাই তেৱে নাৰী নিলাজিনী মোত পৰে॥

* * *

ভুঞ্জো নিজ কৰ্ম আত নাহি কিছু খেদ।
ৰামৰ আমাৰ জানা ভৈল পৰিচ্ছেদ॥

* * *

নমৰিলো বনত ৰাঘৱে মোক জানি।
ইবাৰ কাটিবে মোক হাতে খাণ্ডা হানি॥

ইয়াৰ প্ৰতিধ্বনি অনন্ত ঠাকুৰৰ তাত স্পষ্ট ওলাই আছে—

কিসক আমাক তোৰা কৰ উতপাত।

* * *

তান ঘৰে আৰো মই বোলাইবো ঘৰিণী।
মোত পৰে তেৱে কোন আছে নিলাজিনী॥৯৫৮
মই নিজ কৰ্ম ভুঞ্জো আন কোন খেদ।
তান মোৰ জানা এহিমানে পৰিচ্ছেদ॥
ইমান দুখত আমি নমৰিলো জানি।
ইবাৰ কাটিব স্বামী হাতে খাণ্ডা হানি॥

ইয়াৰ উপৰিও অনেকখিনি নিজা উস্তাৱনাৰে শঙ্কৰদেৱে বৰ্ণোৱা সীতাৰ পাতালযাত্ৰাৰ ক্ষেত্ৰতো অনন্ত আতাই পদে পদে গুৰুজনক অনুসৰণ কৰিছে।

শঙ্কৰ-মাধৱৰ নিজা বৈশিষ্ট্য থকা ৰামায়ণী কথাৰ লগত আৰু মাধৱ কন্দলীৰ ভাৱ-ভাষাৰ ক্ষেত্ৰত ইমানখিনি মিল থকা স্থলত শ্ৰীৰাম-কীৰ্ত্তনৰ উৎস বুলি অখ্যাত, অপ্ৰাপ্ত ৰামায়ণ-চন্দ্ৰিকাক ধৰি লোৱাৰ যুক্তি নাই।

---



# আধুনিক অসমীয়া কবিতা

—শ্ৰীপৰেশমল্ল বৰুৱা

আধুনিক কবিতাৰ ওপৰত কেৱল একেটা অভিযোগ: অৰ্থৰ দুৰ্বোধ্যতা। সকলো যুগ আৰু কালৰ কবিতাতেই কম-বেছি পৰিমাণে দুৰ্বোধ্যতা আৰু জটিলতা যিদৰে আছে, সিদৰেই প্ৰথম অধ্যয়নতেই পাঠকক অভিভূত কৰিব পৰা আধুনিক কবিতাৰো অভাব নাই। এতেকে দুৰ্বোধ্যতা আৰু জটিলতা আধুনিক কবিতাৰ বৈশিষ্ট হ'ব নোৱাৰে।

তেন্তে আধুনিক কবিতাৰ মৌলিক বৈশিষ্ট্য কি?

আধুনিকতাৰ অৰ্থ, পৰিবৰ্ত্তনৰ মাজেদি আহি লাভ কৰা নবীনতম অৱস্থা। বিশ্বৰ যি কোনো কবিতাৰেই ভাব, ভাষা, গঠনৰীতি আৰু ছন্দশৈলীৰ বুকুত কালৰ নখৰ আচোৰ দেখিবলৈ পোৱা যায়। সেই বুলি বিশ্বৰ সকলো কবিতা একে সময়তে কালৰ একেটা সাঁচতে গঢ়ি উঠা নাই, উঠিব নোৱাৰে। কাৰণ, কাব্যৰ জীৱনী-শক্তি দেশীয়, কবিৰ দেশ আৰু জাতিৰ সভ্যতা, পৰম্পৰা আৰু আহাৰ্যৰ ওপৰত গঢ় লোৱা। কাব্য সম্ভাৰ প্ৰাণৰ উমে মাথোন বিশ্বজনীনতাৰ মঙ্গত মানৱীয়তাৰ কৰমৰ্দ্দন কৰি আন্তৰ্জাতিক স্তৰলৈ উন্নীত হয়।

আজিৰ পৰা আঢ়ৈ কুৰি বছৰৰ আগতেই যি সময়ত ফৰাচী দেশত পল ভালেৰী, পল ক্লোডেল, লুই আঁৰাগ, পল এলুয়েৰ আদি কবিসকলে চুৰৰিয়েলিজমৰ ওপৰত পৰীক্ষা-নিৰীক্ষা চলাইছিল, তেতিয়া জাৰ্মান দেশত ৰিল্‌কে, গদফ্ৰিড বেন আদিয়ে কাব্যৰ মাজেৰে এক্সপ্ৰেচনিষ্ট আন্দোলনত ব্যস্ত আছিল, ইতালীত মাৰিনেত্তি, উনগাৰেত্তি, মনতালে কাব্যধাৰাত ফিউচাৰিষ্ট বাতাৱৰণ ৰচনা কৰিছিল, ইংলণ্ড আৰু আমেৰিকাত এলিয়ট, পাউণ্ড, ফ্ৰষ্ট, চিটৱেল, উইল্‌ধাম লুইচ্ আদি কবিয়ে মানসচিত্ৰ-বাদ আৰু চাকনৈয়াবাদৰ স্বপ্ন দেখিছিল। সেই সময়তে ছোভিয়েট ৰাচিয়াত আলেকজেণ্ডাৰ ব্লক, চেৰ্গেই এচেনিন, মায়াক'ভস্কি আদি কবিয়ে কবিতাৰ প্ৰতীকৰ মাজেৰে সিঁচি দিছিল মাৰ্ক্সবাদৰ অফুৰন্ত জোঁৱাৰ। তথাপিও ইখন দেশৰ কাব্যৰ খলকনিৰ ঢৌৱে সিখন দেশৰ কাব্যৰ আত্মা স্পৰ্শ নকৰাকৈ থকা নাছিল। য়ুৰোপীয় কাব্যৰ গতি ইমান তীব্ৰ আছিল যে ই অতি সোনকালেই সমগ্ৰ বিশ্বৰ কাব্য-সাহিত্যলৈ সম্প্ৰসাৰিত হৈছিল।

এচিয়াৰ কাব্য মূলতঃ নন্দন তাত্বিক। নতুন দিনৰ এচিয়াৰ কাব্য-সাহিত্যসমূহ যদিও পাশ্চাত্যৰ প্ৰভাৱেৰে পূৰ্ণ হৈ উঠিছে আৰু লাহে লাহে নন্দন-তাত্বিক ৰোমাণ্টিকতাৰ পৰা আঁতৰি আহি চুৰৰিয়েলিজম, নৱৰোমাণ্টিকতা আৰু প্ৰতীক আৰু মানসচিত্ৰৰ বাহু বন্ধনত সোমাই পৰিছে, তথাপিও এচিয়াৰ কবিতাৰ দেশীয় ৰং মচা যোৱা নাই, যাৰ

নোৱাৰে। চীন, জাপান আৰু ভাৰতৰ কবিতাই তাৰ প্ৰমাণ।

ভাৰতীয় আধুনিক কবিতাও অতীতৰ শাস্ত্ৰীয় শৃঙ্খল যদিও লাহে লাহে আঁতৰি গৈছে, তাৰ ঠাই অধিকাৰ কৰিছে বিস্তীৰ্ণ আশাৰ দীপ্তি আৰু সীমাহীন উদাৰতা। এই কবিতা আজি নিৰ্ভাজ ৰোমান্তিকতাৰ পৰা আঁতৰি আহি ওঁঠৰ হাঁহিত সৃষ্টিৰ স্বাধীনতাক প্ৰতিষ্ঠা কৰি সঞ্জাৰ পৰা মুকলি হৈ ডালত পৰা গীত গোৱা চৰাইৰ দৰে মুকলিমুৰীয়া।

বিশ্বৰ এই আধুনিক কাব্যধাৰাৰ নবীনতম লক্ষণসমূহ অসমীয়া কাব্যধাৰাৰে তুলনামূলকভাৱে পলমকৈ আহিছে। ভাৰতীয় সাহিত্যৰ ক্ষেত্ৰত এই বিষয়ত বাংলা সাহিত্যই সবাতোকৈ আগবণুৱা। যি সময়ত ফৰাচী দেশত মালাৰ্মে, ৰ্যাবো, পল ভালেৰি, পল ক্লডেল; জাৰ্মান দেশত বিল্‌কে, শ্ৰয়েডাৰ, হাঁসে, ইংৰাজী সাহিত্যত এলিয়ট, পাউণ্ড, অ'ডেন, স্পেণ্ডাৰ ডিলান থমাচ, ৰুছ সাহিত্যত মায়াক'ভস্কি, এচেনিন, পাষ্টেৰনাক, আখ্‌মাতোভাই আধুনিকতম ৰূপত সগৌৰৱে কাব্য ৰচনা কৰি নতুন বিশ্বৰ স্বাক্ষৰ দিছিল, তেতিয়াও অসমৰ কবিসকলে ৰোমান্তিক আৰু অতীন্দ্ৰিবাদী আদৰ্শ আগত ৰাখি ৱৰ্ডচৰ্থ, শ্বেলী, কীট্‌চ, বাইৰণৰ অনুকৰণত পূৰ্ণ ৰোমান্তিক ধাৰাৰ কবিতা ৰচিছিল। অসমীয়া কাব্যলৈ দৰাচলতে এই নবীন প্ৰফেটৰ আগমন হৈছিল কলিকতাৰ বুকুৰ শিখাৰে। চতুৰ্থ দশকৰ শেষ আৰু পঞ্চম দশকৰ আদিভাগত কলিকতাত থকা অসমৰ তৰুণসকলে প্ৰথমতে ইংৰাজী আৰু বাংলা সাহিত্যৰ যোগেদি এই নবীন কাব্যগতিক আঁকোৱালি লয়। কলিকতা মহানগৰীত সাম্প্ৰদায়িক সংঘৰ্ষৰ বলি অমূল্য বৰুৱা আছিল এই সকল তৰুণ কবিৰ উজ্জলতম জ্যোতিষ্ক। তেওঁৰ কবিতা আছিল নতুন চিন্তা আৰু ছন্দৰ সামাজিক নিপীড়নৰ বিপক্ষে ৰচা প্ৰতীকী কবিতা—নতুন যুগৰ সোণালী স্বাক্ষৰ। এই নতুন বিপ্লৱৰ আন আন কেইগৰাকীমান কবি হ'ল—ভবানন্দ দত্ত, হেম বৰুৱা, দেৱকান্ত বৰুৱা, চক্ৰেশ্বৰ ভট্টাচাৰ্য্য ইত্যাদি।

এই নতুন কাব্যধাৰাৰ স্বাদ অসমীয়া পঢ়ুৱৈ সমাজত বিলাই দিয়ে দুখনি সাহিত্যালোচনী—'জয়ন্তী' আৰু 'পছোৱা'ই। এই নতুন কাব্যধাৰাই 'জয়ন্তী'ৰ গৰ্ভত জন্ম লাভ কৰে আৰু সমৃদ্ধি লভে 'পছোৱা'ৰ কোলাত।

দ্বিতীয় মহাসমৰৰ ভয়াবহ আত্মাই বিশ্বৰ সকলো চিন্তাশীল ব্যক্তিৰেই হৃদয়-তাঁৰ কঁপাই তোলে। মানুহৰ মনৰ প্ৰতিবাদ হৈ উঠে হৃদয় আৰু আত্মাৰ গভীৰ প্ৰতিবাদ। আত্মিক সহানুভূতি কামনাৰে সচেতন হৈ উঠে মানুহৰ মন। নিকৰুণ দৃষ্টিৰে সকলোৱে লক্ষ্য কৰে কল্পনাৰ শুভবাৰ্তাবাহী এক শান্তিৰ প্ৰফেটৰ মুখলৈ। সেই বাবে নতুন কাব্যধাৰাৰ মাজত প্ৰতিবাদৰ সুৰ গভীৰৰ পৰা গভীৰতৰ হৈ পৰে। প্ৰতিবাদেই হয় কবিতাবোৰৰ একমাত্ৰ প্ৰধান সুৰ। বাস্তৱৰ মানসচিত্ৰবোৰ হৈ উঠে সেই সুৰ কঢ়িয়াই নিয়াৰ প্ৰধান মাধ্যম। বাস্তৱ জগৎ, তাৰ ৰূপ আৰু ঋতুৰ পৰিবেশ, অৱস্থা আৰু আনুসাঙ্গিক সত্তাবোৰ হৈ উঠে মানুহৰ হাঁহি-কান্দোন, আনন্দ-বেদনা, আশা-নিৰাশাৰ জীৱন্ত প্ৰতীক।

নৱকান্ত বৰুৱা, হৰি বৰকাকতি, চৈয়দ আব্দুল মালিক, অজিত বৰুৱা, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, মহিম বৰা, কেশৱ মহন্ত প্ৰমুখ্যে এদল তৰুণ কবিয়ে



হাতত কলম লৈ জপিয়াই পৰে সেই আন্দোলনত। পছোৱাৰ বুকু ভৰি উঠে গৰ্ৱেৰে। পছোৱাই তুলি দিয়ে সেই গধুৰ কাব্য-বিপ্লৱৰ যুগ-সূচক অসমীয়া সাহিত্যালোচনী 'ৰামধেনু'ৰ কোলাত। তেতিয়া বিশ্বজুৰি যুদ্ধোত্তৰ পৰিবেশ—আণৱিক বোমাৰে চাৰখাৰ হোৱা হিৰোশ্বিমা-নাগাচাকিৰ ধ্বংস-লীলাৰ বিপক্ষে ভৰি উঠে মানুহৰ মনৰ ছবি। শান্তিৰ প্ৰফেট বিচৰা এই নতুন অসমীয়া কাব্যধাৰাক তৰ্কৰ জাল ফালি, আটোম টোকাৰিকৈ তুলি-তালি স্থায়ী ৰূপত প্ৰতিষ্ঠা কৰে ৰামধেনুৱে।

আধুনিক অসমীয়া কবিতাৰ ইতিহাস সেই ফালৰ পৰা বৰ কমদিনীয়া—মাত্ৰ ডেৰ কুৰি বছৰৰ। কিন্তু তাৰ গুণ আৰু বৈশিষ্ট্যৰ ফালৰ পৰা ভাৰতীয় আধুনিকতম কাব্যধাৰাৰ সমতুল্য। আধুনিক অসমীয়া কবিতা পৰিমাণৰ ফালৰ পৰা সীমিত হলেও সকলোবোৰ ভাৰতীয় প্ৰগতিশীল কবিতাৰেই গুণ আৰু লক্ষণ এই কাব্যধাৰাত বৰ্ত্তমান। অতি কম সময়ৰ ভিতৰতে অসমীয়া কবিতাৰ এই উল্লেখযোগ্য পৰিবৰ্তন বিশেষ মন কৰিবলগীয়া।

অসমৰ লগত বাহিৰৰ পৃথিৱীখনৰ সংযোগ ঘটাৰ সুযোগ ঘটিছে দ্বিতীয় মহাসমৰৰ পাচৰ পৰাহে। দ্বিতীয় মহাসমৰৰ বিদায় জাননীয়ে সমগ্ৰ বিশ্বৰ কুৰি শতিকাক অসমৰ বাতাবৰণৰ মাজতো যাপনা কৰি থৈ গৈছে। শিক্ষা আৰু ভ্ৰমণৰ সুযোগ তথা সংবাদ পত্ৰাদিৰ সম্প্ৰসাৰণে অসমৰ মানুহৰ বৌদ্ধিক জীৱনৰ অভাৱনীয় উন্নতি সাধন কৰিছে। সেইবাবে এই কালৰ নখৰ আচোৰত আধুনিক অসমীয়া কবিতাৰ কণ্ঠস্বৰ শুনা গ'ল।

কবি মহেন্দ্ৰ বৰাই যুদ্ধোত্তৰ অসমীয়া কবিসকলক দুটা বহল ভাগত ভগাই এভাগক জনতাৰ আৰু আনভাগক নিৰ্জনতাৰ কবি আখ্যা দিছে। তেখেতে নিৰ্জনতাৰ উপকণ্ঠত থকা কেইগৰাকীমান নিৰ্জনাতীতৰ কবিৰো সন্ধান পাইছে। বিজ্ঞান-সম্মত দৃষ্টিকোণৰে বিচাৰ কৰিলে এনেকুৱা বিভাগীকৰণৰ দ্বাৰা আধুনিক অসমীয়া কবিতাৰ প্ৰকৃত গুণাৱলী বিচাৰি উলিওৱা টান। কবিতাসমূহৰ গুণ আৰু চৰিত্ৰৰ এটি বাস্তৱমুখী চিত্ৰ অধ্যয়ন কৰিহে বিভাগীকৰণ কৰা উচিত। কাৰণ, কবিতা মূলতঃ অনুভূতিৰ ঝিলীৰ পাখি হলেও কবিতাৰ অস্তিত্ব এটি স্থায়ী স্বাধীন জাতিৰ দৰে সুস্থিৰ আৰু স্থিতপ্ৰজ্ঞ। কবিতাৰ বিচাৰৰ ক্ষেত্ৰত এটি বৈপ্লৱিক সূত্ৰ সমুখত ৰখা উচিত।

আধুনিকতাৰ ফালৰ পৰা সেই বিচাৰ কৰিব লাগিলে প্ৰথম কথা হ'ল—যিসকলে এসময়ত কবিতা ৰচিছিল, কিন্তু আজি কাপ সম্পূৰ্ণ নিস্তব্ধ, সেই সকলক এই যুগৰ কবিসকলৰ লগত একেলগে একেটি যুগৰ কবি হিচাবে আলোচনা কৰি বিভাগীকৰণ কৰা নিষ্প্ৰয়োজন। যুদ্ধোত্তৰ যুগৰ দেৱকান্ত বৰুৱা, হৰি বৰকাকতি, অজিত বৰুৱা, চৈয়দ আব্দুল মালিক, মহিম বৰা আদি অসমীয়া কাব্য-ধাৰাৰ একোটি একোটি উজ্জ্বল নক্ষত্ৰ আছিল যদিও আজি তেওঁলোকৰ কাব্য-কণ্ঠ সম্পূৰ্ণ নীৰৱ। এই কথাই ইয়াকে সূচাইছে যে তেওঁলোকৰ পাচত আধুনিক অসমীয়া কবিতাত এক নতুন বিপ্লৱৰ সূচনা হৈছে, যাৰ ফলত নৱকান্ত বৰুৱা, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্য, মহেন্দ্ৰ বৰা, হোমেন বৰগোহাঞি, বীৰেশ্বৰ বৰুৱা, দিনেশ গোস্বামী, ৰাম গগৈ, নীলমণি ফুকন, নলিনীধৰ ভট্টাচাৰ্য্য, কেশৱ মহন্ত, সুশীল শৰ্মা, নিৰ্মলপ্ৰভা বৰদলৈ আদি ষষ্ঠ দশকৰ কবিসকলৰ লগত সদা শইকীয়া, হীৰেণ দত্ত, হীৰেণ গোহাই,

ভবেন বৰুৱা, হৰেকৃষ্ণ ডেকা, হীৰেণ ভট্টাচাৰ্য্য, বিজনলাল চৌধুৰী, ৰবীন্দ্ৰ বৰা, ৰবীন্দ্ৰ চৰকাৰ, নিত্যা দত্ত, নাহেন্দ্ৰ পাহ্চন, গায়ত্ৰী কোঁৱৰ, মিকু-সিং ৰাজপুত, জ্ঞান পূজাৰী, আনিচ্-উজ-জামান, শান্তনা বৰুৱা, তৰুণ বৰুৱা ইত্যাদি কিছু-সংখ্যক ন পুৰণি কবিয়ে নিজৰ নিজস্ব কণ্ঠস্বৰ মিলাই দি নতুন কবিতাৰ নতুন দিশ নিৰ্ণয় কৰিছে।

বিক্ষুব্ধ তৰুণ মনৰ প্ৰতিবাদৰ সুৰ এই তৰুণ কবিসকলৰ কবিতাত স্পষ্ট। তেওঁলোকৰ ৰচনা-সমূহত দেখিবলৈ পোৱা যায় বাস্তৱৰ চিন্তা, দ্বন্দ্বাত্মিক মনৰ পৰীক্ষামূলক ঐকান্তিকতা আৰু কিছু-সংখ্যক মাৰ্ক্সবাদত বিশ্বাসী তৰুণ প্ৰাণৰ ক্ষুব্ধ প্ৰতিশ্ৰুতি। তৰুণ কবিসকলৰ প্ৰায় ভাগেই গোষ্ঠী নিৰপেক্ষ। আধুনিক অসমীয়া কাব্যধাৰাত এই সকল কবিয়ে এতিয়াও বাংলা কাব্যধাৰাৰ বিক্ষুব্ধ তৰুণ কবিসকলৰ ‘ক্ষুধিত জনতা’ অথবা তেলুগু সাহিত্যৰ নগ্নবাস্তৱৰ উপাসক ‘দিগাম্বৰ কবলু’, হিন্দী কাব্যধাৰাৰ নাস্তিকবাদী ‘অ-কবিতা গোষ্ঠী’ আৰু উৰীয়া তৰুণ বিপ্লৱী কবিসকলৰ ‘অবদূত গোষ্ঠী’ৰ দৰে নিজস্ব গোষ্ঠীৰ ধ্যান-ধাৰণালৈ আগবাঢ়ি অহা নাই, অথবা বিশ্বাসৰ ধাৰণাৰ মাজত আত্মবিলুপ্তিৰে কাব্য ৰচনা কৰা নাই। ব্যক্তিগত দৃষ্টিকোণৰ বিশ্বাসৰ মাজতে এই সকল কবিৰ ৰচনা সীমিত। তেওঁলোকৰ লিখনিতো তেনেদৰে কোনো বিশেষ দাৰ্শনিক সংজ্ঞাই পৰিপুষ্ট হৈ উঠা যেন নালাগে। আধুনিক অসমৰ তৰুণ কবিসকলে এফালে যিদৰে কোনোৱে হঠাৎ নিভাঁজ গভীৰ প্ৰতীকৰ আশ্ৰয়লৈ কবিতা ৰচনা কৰিছে, আনফালে হঠাৎ মানসচিত্ৰৰ মনোমোহা সৃষ্টিতো মনোনিবেশ কৰিছে। কাৰণ, তেওঁলোক নিৰ্জনতাৰ পৰা ওলাই আহি লিখনৰি মাজেৰে জনতাৰ বুকুত আশ্ৰয় লোৱাৰ আকাঙ্ক্ষাৰে উদ্বুদ্ধ হৈ উঠিছে। এওঁলোকৰ কাপৰ আক্ৰমণৰ প্ৰথম দিশ হল ধনতান্ত্ৰিক সমাজ-ব্যৱস্থা, আভিজাত্য আৰু মানুহৰ নষ্ট চৰিত্ৰ। জীৱনৰ বিশুদ্ধতা বিচাৰি কান্দি উঠা দেখা যায় তৰুণ কবিৰ অকুণ্ঠ চিত্ত। এই সকল তৰুণ কবিৰ বহুতৰে পদক্ষেপ এতিয়াও সুস্থিৰ নিৰ্ভুল হৈ উঠা নাই। ইয়াৰ বাবে ঘাইকৈ বহুতৰেই কবি-মনৰ চঞ্চলতাই প্ৰধান কাৰণ। সেই-বাবে তৰুণ কবিৰ ৰচনাত এটি বস্তু দেখা যায় বিশেষকৈ—সেয়া হল নতুনৰ কামনা। এওঁলোকক ইতালীয় ফিউচাৰিষ্ট ভাবধাৰাৰ ওচৰত শৰণাপন্ন হোৱা দেখা নাই যদিও প্ৰায় ভাগৰে কবিতাত প্ৰতীকৰ প্ৰকাশ আছে, মানসচিত্ৰৰ মনোমোহা ৰূপ আছে। দুই-এগৰাকীৰ লেখনীত জ্ঞাত আৰু অজ্ঞাতসাৰে চুৰৰিয়েলিজমৰ আভাসো পোৱা যায়। জাৰ্মান এক্সপ্ৰেচনিষ্ট কবি ঘাইকৈ বিল্‌কে আৰু শ্ৰয়েদৰ প্ৰকাশভঙ্গীৰ সুৰেও দুই-এটি কবিতাৰ স্তৱক স্পৰ্শ নকৰা নহয়।

এই তৰুণ কবিসকলৰ বেছি ভাগেই যদিও মাৰ্ক্সবাদত বিশ্বাসী বুলি লেখনিৰ পৰা ধাৰণা হয়। যুদ্ধোত্তৰ যুগতেই প্ৰতিষ্ঠা লাভ কৰা ৰামগগৈ, কেশৱ মহন্ত, সদা শইকীয়া আদিৰ দুই-এটি নিভাঁজ মাৰ্ক্সীয় দৰ্শনৰ কবিতাৰ দৰে তেওঁলোকৰ প্ৰায় ভাগৰে কবিতাত নিভাঁজ মাৰ্ক্সবাদৰ স্বাক্ষৰ নাই। প্ৰায় ভাগ তৰুণ কবিৰ এই শ্ৰেণীৰ কবিতা ধনতান্ত্ৰিক সমাজৰ বিপক্ষে মন্তব্য দি যোৱা হেম বৰুৱা আৰু বীৰেন্দ্ৰ ভট্টাচাৰ্য্যৰ কবিতাৰ লগত তুলনা কৰিব পাৰি। মাৰ্ক্সীয় দৰ্শনৰ সুৰ অৰশ্যে চাৰি গৰাকী তৰুণ কবি হীৰেণ গোহাই, হীৰেণ ভট্টাচাৰ্য্য, ৰবীন্দ্ৰ বৰা আৰু ৰবীন্দ্ৰ চৰকাৰৰ কবিতাত কিছু স্পষ্ট যদিও গভীৰ নহয়। কাৰণ, কবিতাৰ গঠনৰীতি আৰু শৈলী-সৃষ্টিৰ পোহৰত সেই চিন্তা অস্পষ্ট হৈ দেখা দিছে। এওঁলোকৰ কবিতাৰ পাহৰোৰ গুচাই চালে পৰাগত দেখা যায় প্ৰধানকৈ তিনি গৰাকী মাৰ্ক্সীয় কবিৰ চিন্তাধাৰাৰ প্ৰভাৱ—পাবলো নেৰুদা, মায়াক’ভস্কি আৰু নাজিম-হিকমৎ।

এই যুগৰ সুপ্ৰতিষ্ঠিত কবিসকলৰ ভিতৰত হেম বৰুৱাৰ কবিতাৰ মানসিক মানচিত্ৰ আজিও বিস্তীৰ্ণ আকাৰৰ, বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ কবিতাত নিম্ন-মধ্যবিত্তৰ প্ৰাণৰ সুৰ স্বকীয় বক্তব্যৰ মাজেৰে অজানিতভাৱে প্ৰকাশিত হৈ উঠে। নৱকান্ত বৰুৱাৰ সৃষ্টিৰ সাৰ্থকতা যিমানেই নিস্তব্ধতাৰ মাজলৈ নানামক ‘কিয়, নৱকান্ত বৰুৱা আধুনিক অসমীয়া কাব্যধাৰাৰ সনাতন সাক্ষী আৰু কবি লৰিয়েট। শব্দৰ সাৱলীলতা আৰু মানস-চিত্ৰৰ গুঞ্জনেৰে নৱকান্ত বৰুৱাই পাঠকৰ হৃদয়ত ৰাখি দিব পাৰে এক ঐন্দ্ৰজালিক আবেশ। তেওঁৰ কাব্যৰ পাহে পাহে উদ্ভাসিত জীৱনৰ গভীৰ দৰ্শন। সেই কবিতাত জনজীৱনৰ কল্লোল নাই সঁচা, কিন্তু পৃথিৱীৰ সমস্ত মানুহৰ বুকুৰ নীৰৱ ছবিবোৰে দি যায় মানুহৰেই নীৰৱ ভাষা।

“এটোপা অশ্ৰুৰ কণা ওলাই আহিব খুজি
ৰৈ যায়, হে সঞ্জয়,
শোণিতত আনি দিয়ে বিষাক্ত মাদক
প্ৰতিক্ৰিয়া
—নিৰন্ধ্ৰ চকুত নাই পোহৰৰ পথ!”

(সম্ৰাট : নৱকান্ত বৰুৱা)

দাৰ্শনিক আবিষ্কাৰ নৱকান্ত বৰুৱাৰ কবিতাৰ মৌলিক বৈশিষ্ট্য। কোমল মৃদু পদক্ষেপৰ শব্দ চালনাৰে নৱকান্ত বৰুৱাই গঢ়ে কবিতাৰ কোমল হৃদয়।

মহেন্দ্ৰ বৰা, হোমেন বৰগোহাঞি আৰু দিনেশ গোস্বামীৰ কবিতাত মানুহৰ মোহনীয় মাদকতা ভৰা জীৱন আৰু কগ্ন মনস্তাত্বিক জীৱনৰ প্ৰকাশেৰে পৰিপূৰ্ণ। তেওঁলোকৰ প্ৰতীকসমূহৰ মাজত ডি. এইচ. লৰেন্সৰ প্ৰভাৱ দেখা যায়। মহেন্দ্ৰ বৰাৰ ‘ফাউষ্ট’, হোমেন বৰগোহাঞিৰ ‘সাপ’ আৰু দিনেশ গোস্বামীৰ ‘দলীল’ এই বিষয়ত বিশেষ উল্লেখযোগ্য কবিতা।

আধুনিক অসমীয়া কবিতাৰ আলোচনাৰ ক্ষেত্ৰত সপ্তম দশকত পূৰ্ণ গৌৰৱেৰে কবিতা ৰচনা কৰি যোৱা অন্ততঃ তিনি গৰাকী কবিৰ বিষয়ে সামান্য চিনাকি দিয়া উচিত। তেওঁলোক হ’ল—নিৰ্মলপ্ৰভা বৰদলৈ, দিনেশ গোস্বামী আৰু হীৰেণ ভট্টাচাৰ্য্য। নাৰী মনৰ সহজাত চৰিত্ৰৰ গোপন বাৰ্ত্তা দাঙি ধৰি আবেগ চঞ্চল ভাষাৰে পাঠকক মোহিত কৰিব পাৰে কবি নিৰ্মল প্ৰভাই। মাদকতাপূৰ্ণ পৰিবেশ ৰচনাৰে পাঠকক আত্মনিবিষ্ট কৰি বাহিৰৰ জগতখনলৈ ভুমুকিয়াই চাবলৈ উৎকণ্ঠিত কৰি তুলিব পাৰে কবি দিনেশ গোস্বামীয়ে। এওঁলোক দুয়োৰে কবিতাত মনস্তাত্বিক আবেদন আৰু ফ্ৰয়েডীয় চিন্তাধাৰাৰ আমেজ আছে। মহিলা কবি হিচাবে নিৰ্মল প্ৰভাই আপোন ভাবাবেগৰ মাফকাঠিৰে নাৰী-চৰিত্ৰৰ অজ্ঞাত দিশ দুই-এটিৰ নিখুঁত চিত্ৰ বলিষ্ঠ ভাষাৰে প্ৰকাশ কৰি নিজৰ বৈশিষ্ট্য বজাই ৰখাত কৃতকাৰ্য্য হৈছে। কবি হীৰেণ ভট্টাচাৰ্য্যই নিজস্ব অথচ সাৱলীল গতিৰ শব্দ আৰু প্ৰাণোচ্ছল ভাষাৰ চুটি

চুটি নির্মল-বিশুদ্ধ কবিতাৰ মাজেৰে আধুনিকতম অসমীয়া কবিতালৈ এক শুভবাৰ্ত্তাৰ সঁহাৰি দিছে। এই তিনিও গৰাকী কবিৰ কলমত নতুন সৃষ্টিৰ সম্ভাৱনাৰ বীজ আছে; সুদীৰ্ঘ জীৱনী-শক্তি আছে আৰু আছে জনজীৱনক আঁকোৱালি লোৱাৰ অপৰাজেয় বাসনা। এওঁলোকৰ ৰচনাই নবীন তৰুণতম কবিসকলক প্ৰভাৱান্বিত কৰিছে। এওঁলোকৰ চিন্তাসুষমাৰ এটি সামান্য পৰিচয় দিবলৈ প্ৰত্যেকৰে একোফাঁকি কবিতা উল্লেখ কৰা হ'ল—

॥ ১ ॥

"প্ৰাণৰ পাত্ৰ জানো কেতিয়াবা ভৰে?
যেতিয়া নিজকে ভাবোঁ সবাতোকৈ
ঐশ্বৰ্যমণ্ডিতা বুলি
সকলো পাইছো বুলি গৰ্বিত ভঙ্গীত
স্ফীত হৈ উঠো
সেই ক্ষণতে মোৰ মনৰ কোণৰ অৱচেতনাই
হাঁহে বিদ্ৰূপৰ হাঁহি
ধূৰ্ত্ত এক খেলুৱৈৰ দৰে।"

( দ্ৰৌপদী : নিৰ্মলপ্ৰভা বৰদলৈ )

॥ ২ ॥

"ঠিক সেই মুহূৰ্ত্তত ৰাতিপুৱাৰ
তন্দ্ৰালস অৱসাদ হঠাৎ
যেন তীব্ৰ আৰ্ত্তনাদ আলিবাটত অজস্ৰ-
লোকৰ পদক্ষেপ
ত্ৰ্যস্ত ব্যস্ত কোনো হত্যা বিভীষিকা নে
কোনো দুৰ্ধৰ্ষ অপৰাধী
জীৱিত অথবা মৃত মস্তকত লক্ষমুদ্ৰা
আইনৰ ৰক্ষকৰ......"

( বৃত্তৰ বাহিৰত : দিনেশ গোস্বামী )

॥ ৩ ॥

"স্নায়ুৰ শিথিল তৰঙ্গেৰে
হীৰাৰ দৰে উজ্জ্বল এটা সপোন
অকস্মাৎ আহি
মোৰ হৃদয়ত আশ্ৰয় ললে।
শস্যৰ সুঘ্ৰাণ, মাটিৰ লুণীয়া স্বাদ
বিয়পি পৰিল
শৰীৰৰ তন্তুৰে তন্তুৰে।"

( সপোন : হীৰেণ ভট্টাচাৰ্য্য )

এই আটাইবোৰ দৃষ্টিকোণৰ ফালৰ পৰা বিচাৰ কৰিলে অসমীয়া কবিতাৰ আধুনিকতম স্তৰৰ মাজত তিনিটা বিশেষ লক্ষণ দেখিবলৈ পোৱা যায়: (১) বৈপ্লবিক বাস্তৱবাদী কবিতা, (২) পৰীক্ষামূলক দ্বন্দ্বাত্মিক কবিতা আৰু (৩) ক্ষুব্ধ তৰুণ মনৰ বিদ্ৰোহৰ কবিতা। পাশ্চাত্য ৰীতি আৰু সম্ভাৰেৰে এই কবিতাসমূহ পূৰ্ণ হৈ উঠিলেও, নতুন অসমীয়া কবিতা অসমৰ মাটি-পানী-বতাহ আৰু প্ৰাকৃতিক পৰিবেশৰ পয়োভৰত জীৱন লাভ কৰা ভাৰতীয় কবিতা।



এতিয়া স্বাভাৱিকতে প্ৰশ্ন হয়, এই কবিতাসমূহৰ মাজত আধুনিকতাৰ বৈশিষ্ট্য কি কি?— (১) কালৰ ফালৰ পৰা এই কবিতাসমূহ যুদ্ধোত্তৰ যুগৰ পৰৱৰ্ত্তী, (২) ভাৱৰ ফালৰ পৰা এই কবিতাসমূহ ৰোমান্তিক কালৰ কবিতাৰ পৰা সম্পূৰ্ণ পৃথক আৰু (৩) সৃষ্টিৰ ফালৰ পৰা এই কবিতাসমূহ নতুন ৰচনাশৈলী আৰু সূক্ষ্ম, অথচ মুক্ত সুৰৰ সাধক। বাংলা কবি সুধীন্দ্ৰনাথ দত্তই তেখেতৰ 'কাব্যের মুক্তি' নামৰ প্ৰবন্ধত লিখিছে: "বিংশ শতাব্দীর মূলমন্ত্র অবৈকল্য আর অকপটতা।" আধুনিক অসমীয়া কবিতাসমূহে বিংশ শতাব্দীৰ সেই বাস্তৱ পৰিচয়েৰে মহান ভাৰতীয় কবিতাৰ অঙ্গাঙ্গী সম্পৰ্ক ৰক্ষা কৰিছে।

---


# চায়েন্স ইণ্ডিয়া

স্কুল, কলেজ, টেকনিকেল শিক্ষানুষ্ঠান, বিশ্ববিদ্যালয় আৰু কৃষিকাৰ্য্যৰ বাবে প্ৰয়োজনীয় সৰ্বাধুনিক বিজ্ঞান সন্মত সা-সৰঞ্জাম যোগান ধৰিবলৈ হলে অনুগ্ৰহ কৰি খবৰ কৰক: মূল্য আৰু অন্যান্য ব্যৱস্থা সকলো সময়তে আপোনাৰ মনঃপুত।

সদৌ পূৰ্বাঞ্চলৰ একমাত্ৰ নিৰ্ভৰযোগ্য অনুষ্ঠান—

: শাখা কাৰ্য্যালয় :
চায়েন্স ইণ্ডিয়া
চাৰ্কিচ হাউচ ৰোড,
যোৰহাট-১

: প্ৰধান কাৰ্যালয় :
চায়েন্স ইণ্ডিয়া
চি কে ৰোড,
পানবজাৰ, গুৱাহাটী-১

ডিব্রুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ

অধ্যাপক লীলা গগৈৰ—টাই সংস্কৃতিৰ ৰূপৰেখা

অসমীয়া সাহিত্যলৈ আৰু এটি অনবদ্য অৱদান

টাই জাতি আৰু সংস্কৃতি, আহোম যুগৰ অসমীয়া সংস্কৃতিৰ এখনি বিস্তৃত বুৰঞ্জী। বহুতো বাছকবনীয়া ছবিৰে সমৃদ্ধ, উন্নত ছপা-বন্ধা আৰু দেখনিয়াৰ বেটুপাতেৰে, অসমীয়া ভাষাত এইখনেই, এই বিষয়ৰ প্ৰামাণ্য তথ্য সম্বলিত একমাত্ৰ গৱেষণামূলক গ্ৰন্থ।

প্ৰাচ্যবিদ্যা বিশাৰদ পণ্ডিত ডঃ সুনীতিকুমাৰ চট্টোপাধ্যায়ে কৈছে: "The book on Ahom contribution to Assamese culture is very good. There are a few books in Assamese on the subject by other Scholars also……"

মূল্য: ১০·০০

অগ্ৰগামী কৃষি—ডঃ কনক মহন্ত

আজিৰ এই আগবঢ়া যুগত কৃষিও হব লাগে অগ্ৰগামী। হব লাগে উন্নত আৰু বিপ্লৱমুখী। 'সেউজি বিপ্লৱ' হল আজিৰ কৃষিৰ মূল ভিত্তি। এই বিপ্লৱমুখী কৃষিৰ উন্নতি সাধন কৰিবলৈ হলে যিবোৰ জানিবলগীয়া তাকে এই গ্ৰন্থত বিস্তৃতভাৱে আলোচনা কৰা হৈছে। অসমীয়া ভাষাত অসংখ্য চিত্ৰশোভিত ই এখন যুগান্তকাৰী কিতাপ। ( যন্ত্ৰস্থ )

হাঁহ-কুকুৰা পালন আৰু ৰোগ নিবাৰণ—ললিতচন্দ্ৰ বৰা

মূল্য: ৮·০০

আমাৰ গ্ৰাম্য অৰ্থনীতিৰ বিকাশ আৰু সৰ্বসাধাৰণৰ কাৰণে হাঁহ-কুকুৰা পালনৰ ওপৰত সম্প্ৰতি বৰ গুৰুত্ব দিয়া হৈছে। কিন্তু এই বিষয়ে মানুহক বৈজ্ঞানিক শিক্ষা বা দিহা-পৰামৰ্শ দিবলৈ অসমীয়া ভাষাত জনপ্ৰিয় আৰু সহজবোধ্য কিতাপৰ অভাৱ আছিল। অসম কৃষি কলেজৰ পশুপালনৰ আৰু দুগ্ধ-শিল্প বিভাগৰ প্ৰধান অধ্যাপক শ্ৰীললিতচন্দ্ৰ বৰাই লিখা এই কিতাপখনে সেই অভাৱ দূৰ কৰিলে।

ভাৰত কৃষি পৰিচয়—গোবিন্দ শৰ্মা

১ম ভাগ, ২য় ভাগ, ৩য় ভাগ— প্ৰতি খণ্ড ৪·০০ টকাকৈ

আমাৰ দেশত খেতি-বাতিৰ যি অৱস্থা সি নিশ্চিতকৈ দুখ লগা। এই দুখ গুচাবলৈ এই কিতাপখনে অপৰিমিত সহায়তা দিব। উন্নত কৃষি-প্ৰকল্প আৰু আমাৰ কৃষিত কৌটিকলীয়া পদ্ধতিৰ অযোগ্যতা আদিৰ বহুল আৰু প্ৰাঞ্জল ব্যাখ্যা কিতাপখনত সৰ্বজন বোধগম্যকৈ শ্ৰীগোবিন্দ শৰ্মাদেৱে সন্নিবেশিত কৰিছে। ছপা-বন্ধা মনোমোহা।

শ্ৰীভূমি পাবলিচিং কোং

৭৯ মহাত্মা গান্ধী ৰোড, কলিকতা-৯

# কবিৰ দৃষ্টিত কবিতা

[ দিনেশ গোস্বামী ]

উপলব্ধি আৰু অনুভূতিৰ দৃষ্টিকোণৰ পৰা কবিতা অন্তৰ্লোকৰ বস্তু, আধ্যাত্মিকতাৰ এক প্ৰতিবিম্ব। এই আধ্যাত্মিকতা প্ৰচলিত অৰ্থৰ আধ্যাত্মিকতা নহয়; দেহ আৰু মনৰ সংমিশ্ৰণৰ ফলত যি নিৰ্য্যাসৰ উৎপত্তি হয়—আন ভাষাত কবলৈ গলে অভিজ্ঞতাৰ জাবকৰসৰ পৰা জন্ম হোৱা এক বিশেষ অনুভূতি, এক বিশেষ দৃষ্টিভঙ্গী —সেই অন্তৰ্লোকৰ নিৰ্য্যাসেই কবিতাৰ আধ্যাত্মিকতা। কেৱল সাময়িকতাৰ প্ৰতিচ্ছবি বা তাৰ বহিৰঙ্গৰ চাকচিক্য নহয়, সাময়িকতাৰ অন্তৰ্নিহিত পৰিপ্ৰেক্ষিত, একাত্মীয়তা আৰু ৰহস্যক শিল্পৰসত দ্ৰৱীভূত কৰি এক বিশিষ্ট জীৱন-চেতনা কবিতা-সৃষ্টিৰ ক্ষেত্ৰত একান্তই আৱশ্যক যেন অনুমান হয়। চৰম বিশ্লেষণত কবিতা—তথা সাহিত্য—হ'ল জীৱন-চেতনাৰ এক ৰূপক, যাৰ প্ৰকাশ হয় অভিজ্ঞতাৰ মাজেৰে। এই অভিজ্ঞতাৰ অৰ্থও কেৱল প্ৰচলিত অৰ্থৰ অভিজ্ঞতা নহয়। এই অভিজ্ঞতা প্ৰচলিত অৰ্থৰ লৌকিক অভিজ্ঞতা নহবও পাৰে। আপাতদৃশ্য, বাহ্য আৰু সাময়িকভাৱে গ্ৰাহ্য অভিজ্ঞতা যেনেকৈ বাস্তৱ, তেনেকৈ যি অদৃশ্য হৈ আছে অথচ যি দৃশ্য হোৱা অসম্ভৱ নহয়, সিও বাস্তৱ হব পাৰে। ঘটনা-সংঘাত বা সাময়িকতাৰ দ্বাৰা আন্দোলিত নহয় কাৰণেই সি বাস্তৱ নহয়, এনে ধাৰণা পোষণ কৰাটো নিৰ্ভুল নহয়।

আনহাতে কবিতা-সৃষ্টিৰ ক্ষেত্ৰত স্মৃতিৰো আছে এক প্ৰধান ভূমিকা। প্ৰতীক বা চিত্ৰকল্প নিৰ্মাণত স্মৃতিয়ে দৃঢ়ৰ ভূমিকা গ্ৰহণ কৰে। কৰবাত কেতিয়াবা পঢ়া বা দেখা এটা ঘটনা বা দুৰ্ঘটনা, সুখ বা দুখৰ প্ৰত্যক্ষ দৃশ্য ইত্যাদি হঠাৎ স্মৃতিৰ অতলৰ পৰা জাগি উঠি শব্দৰ ৰূপ গ্ৰহণ কৰি কবিতাত প্ৰকাশ হয় আৰু প্ৰতীক বা চিত্ৰকল্পত পৰিণত হয়। সচেতন কবি মাত্ৰৰে এইটো এটা অমোঘ অভিজ্ঞতা। কবিতা-সৃষ্টিৰ ক্ষেত্ৰত সেয়ে প্ৰেৰণা বা দৈৱবাণীৰ হৈ ওকালতি কৰাৰ আৱশ্যকতা মুঠেই নাই। প্ৰেৰণা বা দৈৱবাণী নহয়, অভিজ্ঞতাৰ অন্তৰ্নিহিত ৰূপ শব্দেৰে প্ৰকাশ কৰা অথবা ব্যক্তিসত্তাৰ ( ব্যক্তি-বাদ নহয় ) জাগৰণ সম্ভৱ মাত্ৰ প্ৰচেষ্টাৰ দ্বাৰা। এই প্ৰচেষ্টাৰেই সৃষ্টি হব পাৰে পাৰম্পৰ্য্যপূৰ্ণ, আন্তৰিকতাপূৰ্ণ চিন্তাসম্পন্ন কবিতা।

পাৰিপাৰ্শ্বিকতাৰ প্ৰভাৱ কোনো মানুহেই এৰাব নোৱাৰে। মানুহ একে সময়তে একক আৰু সামাজিক জীৱ। সহজাত প্ৰবৃত্তিৰ দ্বাৰা চালিত হৈ সি এফালে যেনেকৈ আত্মসংৰক্ষণ আৰু আত্ম-সংবৰ্দ্ধনত সচেষ্ট, তেনেকৈ সামাজিক জীৱ হিচাপে সমাজৰ আনন্দ-বেদনাৰ অংশদাৰী আৰু সমব্যথী। কিন্তু আধ্যাত্মিক দৃষ্টিভঙ্গীৰ হেতু শিল্পৰ ক্ষেত্ৰত সামাজিক দৃষ্টিভঙ্গীয়ে কবি বা শিল্পীৰ মনত বিচ্ছিন্নতাবোধ সৃষ্টি কৰিব পাৰে। বৰ্ত্তমানকালত অগণিত মানুহ যি বেদনাময় নিঃসঙ্গতা আৰু নিৰ্জনতাৰ কবলত পৰি চট্‌ফটাব লাগিছে, তাৰ

ফলতে জন্ম হৈছে কবি আৰু শিল্পীৰ বিচ্ছিন্নতা-বোধ। এই বিচ্ছিন্নতাবোধৰ ফলতে সৃষ্টি হৈছে মানসিক দ্বন্দ্ব। কিন্তু ব্যক্তিমানস যদি পঙ্গু হয়, তেন্তে সেই বিচ্ছিন্নতাবোধে কবিক কৰি তোলে সমাজবিমুখ, নিৰ্বিকাৰ আৰু নিৰালম্ব। এই পঙ্গুতা প্ৰগতিৰ অন্তৰায়। সেই কাৰণেই আৱশ্যক কালবিশ্ব আৰু ভাববিশ্বৰ মাজত সাযুজ্য। এই সাযুজ্যৰ সাধনাতেই কাব্যৰ মুক্তি।

## ॥ দিনেশ গোস্বামীৰ কবিতা ॥

### বৃত্তৰ বাহিৰত

ঠিক সেই মুহূৰ্তৰ ৰাতিপুৱাৰ তন্দ্ৰালস অৱসাদ হঠাৎ
যেন তীব্ৰ আৰ্তনাদ আলিবাটত অজস্ৰলোকৰ পদক্ষেপ
ত্ৰস্ত ব্যস্ত কোনো হত্যা বিভীষিকা নে কোনো দুৰ্ধৰ্ষ অপৰাধী
জীৱিত অথবা প্ৰাগৈতিহাসিক জন্তুৰ মত্ত বিচৰণ চূৰ্ণ
চুৰাক অট্টালিকাৰ গভীৰ অৰণ্যত হঠাৎ পথচাৰী অসতৰ্ক
অন্যমনস্ক আহত বা নিহত হাস্পাটাল ডাক্তৰ নাৰ্চ
অপাৰেচন থিয়েটাৰ প্ৰাৰ্থনা দূৰত চানাইৰ সুৰ স্ফটিক
পানপাত্ৰ উলঙ্গ মেডোনা বাটত ঈশ্বৰ পুত্ৰৰ ক্ৰুচবিদ্ধ
শৰীৰ ৰাজদৰ্শনেচ্ছুক জনতা আলোকোজ্বল ৰঙ্গমঞ্চত
দৰ্শকৰ উত্তাল আনন্দৰ ঢউ সমুদ্ৰৰ গৰ্জন ইতিহাসৰ
পৃষ্ঠাৰ পৰা উত্থিত বীৰৰ অভিযান-বন্দী সৈনিক নাৰী
শিশু বৃদ্ধ কুষ্ঠৰোগী সন্ন্যাসী ফকিৰ কুম্ভমেলা প্ৰতাৰণা
বলাৎকাৰ বিচাৰক উকীল মহৰীৰ প্ৰহসন 'আইনৰ চকুত······'
ইত্যাদি শ্লোগান ছায় স্বাধীনতা সমতা ভাতৃত্বৰ সংবিধান
ব্যতিৰেকেও নানা নাগপাশৰ আয়োজন লঘু সঙ্গীতৰ সুৰ
হঠাৎ সুতীক্ষ্ণ আৰ্তনাদ নিমগ্ন ছায়াৰ দৰে সংগোপনে
আত্মনিহিত ক্ষুধিত মানুহবোৰৰ লব-ধপৰা আলিবাটত
তেজৰ ডোঙা দণ্ড মুণ্ডৰ কৰ্তাবৃন্দৰ আস্ফালন ইতস্ততঃ
মৃতদেহ বিক্ষিপ্ত ক্ৰোধাগ্নিৰে ৰাঙলী আকাশ আৰু যিহেতু
সি বৃত্তৰ বাহিৰত জীৱনৰ প্ৰতিমুক্তিৰ আনন্দত উদ্বেল
অথবা নিৰ্বিকাৰ তাৰ অনুভৱ হল এইটো এটা দিন।



### স্ফিংক্সৰ বাবে কেই শাৰীমান

অন্ধকাৰত আছো
অন্ধকাৰত মোৰ নিশ্বাস
সোণালী ধূসৰ কোমল উত্তপ্ত

প্ৰতিদিনে ৰাতিপুৱা মই
নৈৰ সিপাৰৰ পৰা সূৰ্য্যদেৱতাক
উঠি অহা দেখো
তেওঁৰ প্ৰথম ৰশ্মি মোৰ মুখতেই পৰে
আৰু প্ৰতিফলিত হৈ
তেওঁৰ ফালেই ঘূৰি যায়

মই অন্ধকাৰৰ গৰ্ভৰ পৰা
পোহৰৰ জন্ম হোৱা দেখিছো
আৰু পোহৰৰ গানবোৰ
বোবা কবৰৰ দুৰ্বোধ্যতাৰ মাজত
হেৰাই যোৱা দেখিছো।

মোৰ চকুৰ দৃষ্টি
মোৰ মাতৃভাষা

অন্ধকাৰত আছো
অন্ধকাৰ হ'ম

## প্ৰত্যয়

সময়ৰ মুখৰা নদীৰে বৈ যায় ৰাতিৰ আত্মাৰ স্ৰোত
মন্ত্ৰমুগ্ধৰ দৰে অসহন এক বিহ্বলতাত স্তব্ধ মোৰ মন
ক্লান্ত হ'ল দিনান্তৰ হেজাৰ কল্লোল, লক্ষ-লক্ষ উল্কাৰ পোহৰ।

ৰাতিৰ গৰ্ভত শুই শুই স্বপ্ন দেখে পৰম আত্মীয় অন্ধকাৰে
অগণন নক্ষত্ৰৰ নিশ্বাসত সৰে ফুল ম্লান হয় সবিতাৰ জ্যোতি
কেৱল পাখিৰ ধ্বনি ক্লান্তিহীন ক্ষান্তিহীন পল অনুপল

মেঘ আৰু পৃথিৱীৰ সমুদ্ৰৰ অৰণ্যৰ তৰংগৰ ওপৰেদি
গুছি যায়। ৰাতিৰ উন্মুক্ত বক্ষত মৃত্যুৰ সৰ্পিল আলিংগন
কোমল মাংসৰ ছাপ। ছায়া আৰু পোহৰৰ চিৰ উৎকণ্ঠা

থুপ খায় মনৰ কোণত। সমুখত বহল দিগন্ত আৰু এক
খৰস্ৰোতা নদী। যোৱাৰ পথত মিছা অংগীকাৰৰ তোৰণ
মত্ত হিয়াৰ সমস্ত ব্যস্ততা ৰাতিৰ সমুদ্ৰত নীৰৱ মগ্ন।

চেতনাৰ ওপৰেদি চলি যায় অবিৰাম ৰাতিৰ মিছিল
বিস্ময়ত মুগ্ধ মই : নিৰুপায় সূৰ্য্য আৰু পৃথিৱীৰ মন।


বিৱেকানন্দ বাইণ্ডিং ৱৰ্কছ
২৬, সীতাৰাম ঘোষ ষ্ট্ৰীট্
কলিকতা-৯
১৯২৬ চনৰ পৰা অসম আৰু পশ্চিমবঙ্গত বিভিন্ন কিতাপ-পত্ৰাদিৰ
বাইণ্ডিঙৰ কামত সুনাম আৰু সুখ্যাতি আৰ্জন কৰা
নিৰ্ভৰযোগ্য অনুষ্ঠান।




## আত্মহত্যাৰ মুহূৰ্ত্ত

মৃত্যুৰ সময় হ'ল, হে পৃথিৱী,
শূন্য গাঢ় ঘোৰ তমিস্ৰাত
হৃদয়ৰ নীল বিষবোৰ পিয়লাত ঢালি লৈ
আকণ্ঠ কৰিম পান। নীলকণ্ঠ নহওঁ ইবাৰ।
ক্লান্ত মই পথ ভ্ৰমণত। দেখিছো অনেক মই
সকলো সঠিক চলে ঘড়ী-ঘণ্টা, পল-অনুপল
জনস্ৰোত, ৰিক্সা-বাছ, জীৱিকাৰ নটী,
গৰ্ভাধান গৰ্ভপাত—
ভিখাৰীৰ হাত
আৰু পুলিচৰ হাত তোলা ৰাষ্ট্ৰৰ শাসন।

নাজানো কিয়নো মাজে মাজে দেখা পাওঁ
শাৰী শাৰী প্ৰেতাত্মাৰ দল
মাজে মাজে প্ৰীতৰাদমুখৰ আকাশ
ৰক্তাক্ত সূৰ্য্যৰ দৰে। খন্তেক পিছতে হয়
নিদ্ৰামগ্ন সমস্ত চহৰ।
অৱসন্ন দৃষ্টি লৈ গুছি যায় নিৰাসক্ত
নিস্পৃহ দৰ্শক।

অন্ধকাৰ হলে
পৃথিৱীৰ ভিতৰ ঘৰলৈ অকলে খোজ লওঁ
ভয়াবহ শূন্যতাক শয্যাসঙ্গিনী কৰি
পিয়লাত বিষ ঢালি লওঁ।

## শব্দময়ী অপ্সৰ-ৰমণী সম্পৰ্কে

মোৰ ওঁঠত ওঁঠ মিলাবগৈ
তাই হঠাৎ হাঁহি উঠিব
( মই তাইৰ কৰুণাৰ পাত্ৰ )
মাজে মাজে তাই
মোৰ ডিঙিত সাৰটি ধৰিব
তাই মোৰ আলিংগনৰ দৃঢ় পাশত
বন্দী কৰিব
( মই দ্বীপান্তৰৰ কয়েদী )।

তাই আৰু মই
মই আৰু তাই
( অৰ্থাৎ অৰ্ধনাৰীশ্বৰ সেই যে ৰহস্য
সেই যে কুহক—সচেতন স্বাধিকাৰ মত্ত )
একাকাৰ স্বৰ্গ আৰু নৰক
একাকাৰ ধ্বনি আৰু ৰঙ—
জীৱন—জীৱন মাথো
উদগ্ৰ ইচ্ছাৰ কলৰৱ।

মাজে মাজে টুকুৰা-টুকুৰ কৰি
ছিন্ন কৰোঁ মই তাইৰ প্ৰতিটি গ্ৰন্থি
মাজে মাজে পলায়নৰতা
তাইৰ পিছে পিছে গৈছো মই
কাঙাল ভিক্ষুকৰ দৰে।
সম্ৰাজ্ঞী, শাশ্বতী, ৰহস্যময়ী
তাই আৰু মই
দগ্ধ হওঁ একে শ্মশানত।



[ নিৰ্মলপ্ৰভা বৰদলৈ ]

কবিতা হেনো যৌৱনৰ দূত। অকল যৌৱনৰে-ইনে? জীৱনৰ সকলো প্ৰহৰৰ। শৈশৱৰো।

প্ৰথম কবিতা লিখিছিলো ছন্দ মিলাৰ আনন্দত। আনন্দ! ( সাহিত্যৰ শেষ মূল্যও যে আনন্দ! ) কি সেই আনন্দ মোৰ লবালিব॥

তাৰ পাচত কবিতা লিখিবলৈ আৰম্ভ কৰিছো বিচিত্ৰ অনুভৱৰ তীব্ৰতাত, সুখৰ কাতৰতাত, সচেতনতাৰ যন্ত্ৰণাত, বুজা-নুবুজাৰ অস্পষ্ট ৰহস্যময়তাত। সুতীক্ষ্ণ অনুভৱে যেতিয়াই মোক অসহায় অনুভৱ কৰায় তেতিয়াই একোখিলা উকা কাকতৰ বুকুত মই আশ্ৰয় লওঁ। কবিতা মোৰ সত্তাৰ সঙ্গী। মোৰ দ্বিতীয় পৃথিৱী, মোৰ আশ্ৰয়। সেয়ে কবিতা লিখো।

মোৰ জীৱনৰ বিভিন্ন প্ৰহৰৰ বৰ্ণ আৰু নিৰ্য্যাস লৈ এজোপা কাঁইটীয়া গছে নিতৌ কলি পেলায়। কেতিয়াবা পাহি মেল খায়। কেতিয়াবা কলিতেই মৰহি যায়।

নিজক পৰিব্ৰাজক যেনো লাগে।—শেষযাত্ৰা আত্মাৰ নিৰ্জনতন প্ৰদেশলৈ, মনৰ বিচিত্ৰ ৰাজ্যলৈ, সমাজ আৰু চতুৰ্দ্দিশৰ জীৱন তৰঙ্গলৈ, প্ৰকৃতিলৈ ......যাওঁ, শুনো, হৃদয় বিনিময় হয়, সহানুভূতি অথবা গভীৰ উপলব্ধিয়ে কেতিয়াবা চকুপানী সৰুৱায়, কেতিয়াবা জুই জ্বলায়। ব্যক্তি আৰু সমাজ—এনেকৈয়ে মোৰ কবিতাত একাত্ম হয়।

কবিতা লিখোতে মই কিছুমান সমস্যাৰ সম্মুখীন হওঁ। বস্তুৰ তাৎপৰ্য্য ( significance ) বুজাবলৈ শব্দৰ বাচ্যাৰ্থ ত্যাগ কৰিব লগা হয়। কেৱল—বাস্তৱানুগতাই ভাব বা দৃশ্যৰ প্ৰকৃত সত্তা ফুটাই তুলিব নোৱাৰে যেন লাগে। তেতিয়াই অনুভৱ কৰো প্ৰতীক ( symbol )-ৰ প্ৰয়োজনীয়তা। শিল্পৰ প্ৰকৃত বৰ্ণ সুস্পষ্ট হলে আস্বাদনৰ চমৎকাৰিত্ব হেৰাই যায় যেন লাগে। "আধা আলো আধা ছাঁয়াহে শিল্পৰ বোধকৰো আচল ৰং। কি বাদ দিয়া যায়, কি তুলি লোৱা যায়—এইয়েই কবিৰ চিৰন্তন সমস্যা। হৃদয় আৰু বুদ্ধি দুয়োটাকে শিহৰিত কৰিব পৰাটোৱেই আধুনিকতা।—কবিৰ প্ৰতিভাও তাতেই।

মই নিটোল, সংহত কবিতাৰ পক্ষপাতী। সেই চেষ্টা মোৰ কবিতাত কৰিছো।—বহু ক্ষেত্ৰত সাৰ্থক যে হোৱা নাই এই কৰুণ উপলব্ধিও আছে।

সকলো শিল্পই ঐতিহ্যাশ্ৰয়ী। কবিতাত ব্যতিক্ৰম নহয়। কিন্তু প্ৰয়োজন হলে সকলো কবি প্ৰসিদ্ধি ভাঙি দিবলৈও আধুনিক কবি প্ৰস্তুত। তাৰ অৰ্থ ঐতিহ্যৰ পৰা আঁতৰি যোৱা নহয়—ঐতিহ্যক আগবঢ়াই নিয়াহে।

অপেক্ষাকৃতভাৱে জীৱনতকৈ শব্দ স্থাণু। আধুনিক কবিয়ে সেয়ে শব্দৰ গতিময়তা বিচাৰে। বহু ব্যৱহৃত, জীৰ্ণ, অক্ষম শব্দই নতুন অৰ্থ বহন কৰিব নোৱাৰে। সেয়ে আধুনিক কবি যথাৰ্থ শব্দৰ সাধনাত নিবেদিত।

কবিতা আৰু জীৱন অভিন্ন। এই ঐকান্তিক উপলব্ধি হৃদয়লৈ আহক—কবিৰো, পাঠকৰো।

## ॥ নিৰ্মলপ্ৰভা বৰদলৈৰ কবিতা ॥

॥ ১ ॥

তেওঁ অহাৰ কথা
তোমাৰ দৃষ্টিৰ ক্ষুৰধাৰেদি
তেওঁ অহাৰ কথা
তোমাৰ তেজত
তেওঁ অহাৰ কথা
সঙ্কুচিত তোমাৰ হাত
প্ৰসাৰিত কৰাৰ আৰু মুঠি মৰাৰ মুদ্ৰাত ॥

তেওঁ আহিব খোজে
আৰু বাৰে বাৰে উভটি যায়—
কুঞ্চিত ভ্ৰূ আৰু নিৰুপায় মুখভঙ্গীৰে

ওলমি পৰা মূৰ আৰু শূন্য দৃষ্টি দেখি—
তোমাৰ তেজত পানী দেখি—
তোমাৰ প্ৰসাৰিত হব লগা হাত—
স্ব মৈথুনত আবদ্ধ আৰু সঙ্কুচিত দেখি

তেওঁ কেতিয়াবাই আহিলহেঁতেন।

॥ ২ ॥

সঞ্জাল ধৰা আহিনৰ পথাৰৰ দৰে
তোমাৰ চিঠিখন হাতত লৈ থাকোতেই
মই টোপনি গলো।
দেখিলো জোনটোক এটা
টফিৰ দৰে মই চুপি থাইছো
মোৰ গাৰ পৰা
ৰূপালী জোনাক
সৰি পৰিছে জিৰ্ জিৰ্ কৈ।

॥ ৩ ॥

মোৰ আজুককা, আইতাহঁতে
কি ভাবিছিল, তেওঁবিলাক
কেনে আছিল, মই নাজানো,
আয়ে কয় তেওঁলোকক অনুভৱ
কৰিব পাৰিবা
সঞ্জাল ধৰা পথাৰ
ৰেবাৰ টেঙাৰ ফুল
ঘাঁহ, নিয়ৰ আৰু
পকাধানৰ গোন্ধ
হৃদয়েৰে লব জানিলে।

॥ ৪ ॥

তোমাৰ মাটিত তেজ ডোঙা বান্ধি থাকিলে
মোৰ মাটিত ফুল নুফুলে
কাৰণ ফুল ফুলিব নোৱাৰাকৈ
সি কঠিন, কটুৰ।



॥ ৫ ॥

আটাইবোৰ আয়নাতে
মই তোমাৰ মুখ দেখো
কতো এখনো আয়না
বিচাৰি নেপালো—
যত দেখা পাওঁ
মোৰ মুখখন এবাৰলৈ।

॥ ৬ ॥

তেওঁক মই যোৱাগৈ দেখিছিলো
বেলি লহিওৱাৰ পৰত
পথাৰৰ বঁকিয়াইদি
মূৰত জাপি—
কান্ধত মেটমৰা ছুটা ডাঙৰীৰ
জিবিক্ জিবিক্ মাত
তেওঁৰ পাচে পাচেই গলগৈ
আঘোণৰ সোণবৰণীয়া বদ
খেৰৰ চুবুৰিটো, বাঁহ বননিৰ
কেঁচা আলিটো
আৰু গান গোৱা চৰাইজাক।
গৈ আছিল আৰু গলগৈ
কোনে জানে তেওঁ আৰু
উভটি আহিবনে নাহে ? ?


### স্বাধীনতাৰ ৰূপালী-জয়ন্তী উপলক্ষে

অধিক ৰেহাই মূল্যত—

| | | | | | |
|---|---|---|---|---|---|
| চুপৰত অন্ধকাৰ | ৪'০০ | গোমথা বংশাৱলী | ২'০০ | হেৰোৱা দিগন্ত | ৪'০০ |
| হজৰত মোহাম্মদ (ছঃ) | ১'৫০ | মতিছাহৰ ঘাট | ৩'০০ | শিল্পৰ জনক | ৩'৫০ |
| ম'দ আৰু কুঁৱলী | ৪'০০ | ছোবিগ | ৪'০০ | অদানোৰ ঘণ্টাৰ কাহিনী | ৪'০০ |
| কোনবাটে | ২'৫০ | আমাৰ গাঁচতীয়া গীতিসুৰ | ৩'০০ | বিচাৰ ( নাটক ) | ৩'০০ |
| অযোধ্যাকাণ্ড ৰামায়ণ | ৩'০০ | মুছলিম জাতিৰ চমু ইতিহাস | ৪'৫০ | অতীতৰ সপোন | ১'০০ |
| ওকাইদাং | ৩'০০ | গৃহকথা | ১'২৫ | আৰু কি নৈশব্দ | ২'০০ |
| চিত্ৰ দৰ্শন | ৪'৫০ | অশ্লীল স্কেচ | ৩'৫০ | জংঘাসুৰ বধ | '৭৫ |
| অনেক পুতলাৰ ভিৰ | ৩'৫০ | বছৰৰ কবিতা | ৩'০০ | লটি-ঘটি | ১'০০ |
| বভ্ৰুবাহন পৰ্ব | ১'২৫ | বিভিন্ন পথ | ৩'৫০ | কল্পনা মাধুৰী | ৩'০০ |
| প্ৰথম প্ৰতিশ্ৰুতি | ৫'০০ | ধোঁৱা | ১'০০ | বাগমতী দেখিছো | ৪'০০ |
| | | কুৰি শতিকাৰ ছোভিয়েট কবিতা | ৬'০০ | | |

( ১৯৭১ চনত ছোভিয়েট দেশ পুৰস্কাৰ প্ৰাপ্ত একমাত্ৰ অসমীয়া গ্ৰন্থ )

॥ আমাৰ গ্ৰাহক-গ্ৰাহিকা আৰু পাঠক-পাঠিকাসকলৰ সুবিধাৰ্থে পোহৰ আগষ্ট পৰ্য্যন্ত শতকৰা ৫০ ভাগ ৰেহাই মূল্যত এই পুথিসমূহ আগবঢ়োৱা হ'ল ॥

**দত্তবৰুৱা এণ্ড কোম্পানী ঃ** কলেজ হোষ্টেল ৰোড ঃ গুৱাহাটী—১।

[ হীৰেণ ভট্টাচাৰ্য্য ]

মোক মোৰ কবিতা আৰু কাব্যচিন্তা সম্পৰ্কে দুআষাৰ লেখিবলৈ সম্পাদকে অনুৰোধ কৰিছে। কলম হাতত লৈ এতিয়া অনুভৱ কৰিছো : মই কবি, কাব্যৰ ব্যাখ্যাতা নহয়।

মোৰ প্ৰথম মুদ্ৰিত কবিতা 'নিমন্ত্ৰণ' ১৯৫৪ চনত হলেও প্ৰকৃতপক্ষে '৬০ চনৰ পৰাহে মই কবিতা লেখিবলৈ লৈছো।

মোৰ কবিতা সম্পৰ্কে আনে কি ভাবে মই নেজানো, বন্ধুইতে হলে প্ৰশংসা কৰে।

কিন্তু প্ৰশংসা পাবৰ বাবেই কবিতা লেখিছো নে ?

বোধকৰো কবিতাৰে নিজৰ কথা ক'ব পাৰো বুলি মোৰ ধাৰণাই মোক কবিতা লেখিবলৈ প্ৰলুব্ধ কৰিছে।

মোৰ সৌভাগ্য, এই সামান্য কবি-জীৱনত ভালে কেইজন সাহিত্যপ্ৰাজ্ঞ ব্যক্তি আৰু মোতকৈ বহু ভাল কবিৰ সান্নিধ্য লাভ কৰিছো।

মোৰ সেয় সঞ্চিত ঐশ্বৰ্য্য।

মই ভাবো কবিতা কেবল ভংগিৰেই নহয়, ভাব আৰু ভংগিৰেহে আধুনিক। শব্দ, ছন্দ এইবোৰ আধুনিকতাৰ দাবী নিশ্চয়, কিন্তু আধুনিকতাৰ বাবে সেয়ে জানো যথেষ্ট ? আধুনিকতাৰ দাবী তাতোকৈ বহুত বেচি, বহুতো ব্যাপক। এই দাবী হৈছে সচেতন ব্যক্তি মনৰ দাবী। সচেতন মানসিকতাৰ ফলশ্ৰুতিয়েই হৈছে আধুনিকতা।

কবিতা বা যিকোনো শিল্পৰেই বিষয়-বস্তু মানুহৰ জৈবিক-সত্তা আৰু সামাজিক সত্তাৰ ঘাত-প্ৰতিঘাতত জন্ম। এই দ্বন্দ্ব প্ৰকাশৰ বাবে, পাঠকৰ সতে মনৰ বিনিময় আৰু স্পষ্ট আৰু প্ৰত্যক্ষ কৰিবৰ বাবে আধুনিক কবি সচেষ্ট। শব্দ, ছন্দ আৰু আংগিকৰ অন্তহীন পৰীক্ষাতেই তেওঁলোকৰ এই আন্তৰিকতাৰ পৰিচয় পোৱা যায়।

আজি আমাৰ কবিতা এক নতুন সম্ভাবনাৰ মুখামুখি। বস্তুনিষ্ঠ চেতনাৰ সমুখা-সমুখি। এই সময়ত কবি আৰু কবিতাৰ সমালোচকৰ অধিক দায়িত্ব আহি পৰিছে। যাতে নতুন সম্ভাবনাই সুবিস্তৃত পৰিণতি লাভ কৰিব পাৰে। সেয়ে নহলে আশংকা হয় একেটা বৃত্ততে আৱৰ্তিত হৈ আমাৰ সকলো উদ্ভাৱনী শক্তি শেষ হৈ যাব। কবিতা হৈ পৰিব একে ভাষাৰেই একে কথাৰেই পুনৰুক্তি।

জটিল যুগৰ জটিল মানসিকতাক শিল্পজনোচিত ৰূপ দিয়াৰ দায়িত্ব যিদৰে কবিৰ, সেইদৰে সমালোচকো হ'ব লাগিব অভিভাৱকৰ দৰে দৃঢ়, আইৰ দৰে সস্নেহ। দায়িত্বহীন সমালোচনাই কেতিয়াও কবি বা পাঠকৰ ৰুচি উন্নত কৰিব নোৱাৰে। সমালোচক কবিৰ সমুদ্ৰ সন্ধানৰ নিৰীক্ষকেই নহয়, পথ-প্ৰদৰ্শকো।

আধুনিক কবিতাক যিসকলে আন্তৰিকতাৰে গ্ৰহণ কৰিছে সেই কবিসকল আজি আশান্বিত। দুৰ্বোধ্যতাৰ অতিৰঞ্জনেৰে অভিযুক্ত কেবাজনো কবি আন্তৰিকতাৰ গুণত পাঠকৰ মানসত সুপ্ৰতিষ্ঠ।

কবিতা কল্যাণময়। কবিৰ প্ৰত্যাশা : শব্দেৰে, ছন্দেৰে তেওঁৰ কবিতাত সত্য হৈ উঠক বিশ্ব-নিখিল।



## ॥ হীৰেণ ভট্টাচাৰ্য্যৰ কবিতা ॥

### ব্যৰ্থশৰ

মই মৰি গৈছো
ভিতৰে ভিতৰে।
এইযে কথা পাতো, গান শুনো
( আনকি তোমাৰ গানো ! )
সেয়া অভ্যাস।
পানীৰ তলত থাকে জানো
মৰা মাছ ?

আচলতে,
মই মৰি গৈছো
তিলে তিলে।
বৰ কষ্টকৰ এই উশাহ !

### জোনাকী মন

মোৰ অহঙ্কাৰৰ হাঁড় গুৰি কৰি
দিয়ে অন্ধকাৰে
দুঃস্বপ্নৰ মাজত বছৰ বছৰ কতকাল
গুমৰি মৰে
লাৱণ্যময় ৰক্তিম প্ৰভাত, মোৰ দুখন হাত।

### ধুমুহা

শ্বাসৰোগী এই ধুমুহাৰ ৰাতি
শোণিতৰ শীতল সোঁতত
থুপখাই থকা মেঘবোৰ চেকুৰিছে।
ৰক্তস্ৰাৱী হৃদয়ৰ সোণোৱালী ছাঁ
ক্ৰমে সপিল ৰেখা হৈ
আকাশৰ ইফালে সিফালে বগাই গৈছে।
যৌৱনৰ স্তম্ভিত স্তূপত থিয়দি
মই ভাবিছোঁ : এদিন মেঘ হ'ব খুজিছিলোঁ।

# প্ৰথম অসমীয়া অভিধানৰ পাতনিখন

—শ্ৰীবিশ্বেশ্বৰ হাজৰিকা

প্ৰথম অসমীয়া অভিধানখনৰ নাম আছিল ইংৰাজীত, 'A Dictionary, Assamese and English' আৰু প্ৰকাশ হৈছিল ১৮৬৭ চনৰ ১২ আগষ্ট তাৰিখে নগাঁৱৰ পৰা। এই পাতনিখন ইংৰাজীত লিখা। ইয়াৰ পাছতে অসমীয়া পাতনি এখনো দিয়া হৈছে। কিন্তু ইংৰাজীখনত অসমীয়াখনতকৈ কিছু বেছি তথ্য-পাতি থকা যেন অনুমান কৰি তাৰ অসমীয়া অনুবাদ এটা কৰি দিয়া হ'ল। এই পাতনিখনৰ পৰা বহুত তথ্য অনুসন্ধিৎসুসকলে পাব; যেনে—সেই কালত পাহৰীয়াসকলে অসমীয়া ভাষাৰে ভাব-বিনিময় কৰিছিল, যদুৰাম বৰুৱা নামেৰে শিক্ষিত অসমীয়া পণ্ডিত এজনৰ মতে তেওঁ অভিধানৰ ৰ্জোটনি নিৰ্ণয় কৰিছিল ( ডঃ মহেশ্বৰ নেওগে 'অসমীয়া সাহিত্যৰ ৰূপ-ৰেখাত' লিখা দৰে জাদুৰাম নহয় ), ৰেভাৰেণ্ড ব্ৰাওনে এখন অসমীয়া শব্দৰ তালিকা কৰিছিল, ৰেভাৰেণ্ড হোৱাইটিঙে 'দ'-আখৰলৈকে অসমীয়া শব্দৰ তালিকা এখন ছপাই উলিয়াইছিল ইত্যাদি।

## ॥ পাতনি ॥

গোটেই ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া কোৱা হয় আৰু সৰহ ভাগ ক্ষেত্ৰত দাঁতিয়লীয়া পাহাৰী লোকৰ সৈতে অসমীয়াৰ মাধ্যমেৰেহে ভাব-বিনিময় কৰিব পাৰি। অসমীয়া জাতি আৰু অসমীয়া ভাষা যে মনত নপৰা কালৰে পৰা এই অঞ্চলত নাছিল তাক প্ৰমাণ কৰি দেখুৱাবলৈ একো ( তথ্য-পাতি ) নাই, আৰু ই অতি আচৰিত কথা যে, শাসকসকলৰ পৰিবৰ্তনৰ সময়ছোৱাত কুশাসন আৰু পীড়ন হোৱা সত্ত্বেও এই ভাষাটোত পৰিবৰ্ত্তনৰ চিন খুব কমেইহে আছে। শ্যান বা টাই বোলা ডাঙৰ জাতি এটাৰ আহোম নামেৰে ঠাল এটাই পুৰণি কালতে অসম জয় কৰি বৰ্তমানৰ চৰকাৰৰ হাতলৈ অহালৈকে কেইবা শ বছৰ ধৰি শাসন কৰিলে; কিন্তু বৰ্তমানৰ অসমীয়া ভাষাত তেওঁলোকৰ ভাষাৰ চিন-মোকাম অতি কাচিৎহে পোৱা যায়। মানসকলে, মুচলমানসকলে আৰু শক্তিশালী কছাৰীসকলে একাদিক্ৰমে অসমৰ বিপক্ষে যুদ্ধ কৰিও অসমীয়া ভাষাৰ একো কৰা নাই। এই কথাকে নিজৰ ভাষাৰ কাৰণে জনসাধাৰণৰ ভালপোৱা দেখুৱাবলৈ ব্যৱহাৰ কৰিব পাৰি, আৰু তেওঁলোকক যদি আমি বিজ্ঞান আৰু সত্য-ধৰ্মৰ আশীৰ্বাদ বিলাব খোজোঁ ( তেন্তে ইয়াৰ বাবে ) অতি পোনপটীয়া আৰু সফল মাধ্যম হ'ব তেওঁলোকৰ নিজা ভাষা।

দুৰ্ভাগ্যবশতঃ ধাৰণা এটা প্ৰচলিত হৈ আছে যে অসমীয়া আৰু বঙলা একে বা প্ৰায় তেনেকুৱাই। সেই কাৰণেই আটাইবোৰ পঢ়াশালি আৰু আদালত



আৰু চৰকাৰী কাম-কাজ বঙলা ভাষাতে চলোৱা হয়। ইয়াৰ ফলত জনসাধাৰণৰ শিক্ষা আৰু সাধাৰণ প্ৰগতি বেছিকৈ ব্যাহত হৈছে। তেওঁলোকে নিজৰ ভাষাটো এৰি বেদেশী ভাষা এটা শিকিব নোখোজে। উচ্চ শ্ৰেণীৰ লোকসকলে নিজৰ ভাষাটো অৱহেলিত হোৱা দেখি চৰকাৰী কাৰ্য্যালয়ত কাম চলাব পৰাকৈ বঙলা শিখিবলৈ যতন কৰে; কিন্তু তেওঁলোকে সেই ভাষাটোক আপোন বুলি ভাবিব নোৱাৰে। পৰিয়ালত আৰু সমাজত নিজ ভাষাটোৰ বাহিৰে একো কোৱা নহয়। আজি যদি চৰকাৰে দেশখন এৰি যায়গৈ, অসমীয়াই আটাইবোৰ ভাষাক চেৰ পেলাব; কাৰণ, ই জনসাধাৰণৰ ভাষা।

সেই প্ৰখ্যাত ভাষাবিদ মেক্স ম্যুলাৰে কৈছে, "মিশ্ৰিত ভাষা বুলি ক'ব নোৱৰা ভাষা নায়েই। কিছু সংখ্যক বেদেশী শব্দ সোমাব নোৱৰাকৈ কোনো জাতিয়েই বা জনজাতিয়েই পূৰাপূৰি অকলে থকা নাছিল।" আৰৌ, "অন্য এটা ভাষাৰ পৰা যিমান শব্দকেই নানক লাগে সেই কথাটোৱে এই ভাষা দুটাৰ কোনো পৰিচয় নিদিয়ে। ভাষা দুটাৰ পৰিচয় বিচাৰিবলৈ হ'লে আমি ব্যাকৰণলৈ চাব লাগিব।"

অসমীয়া আৰু বঙলাৰ ধৰি লোৱা পৰিচয়ৰ সম্পৰ্কত এই কথা মনত ৰাখিব লাগিব যে য'লৈকে হিন্দু ধৰ্ম গৈছে তাৰ লগতে পৱিত্ৰ ভাষা সংস্কৃত গৈছে। ভাৰতৰ হিন্দুসকলে কোৱা সকলো ধৰ্মীয় আৰু বৈজ্ঞানিক পৰিভাষাৰ মূল সংস্কৃত, প্ৰত্যেকটো ভাষাৰ বিশেষত্বৰ দ্বাৰা কম-বেছি পৰিমাণে পৰিবৰ্তিত হৈছে ( মাত্ৰ )। কিন্তু এই ভাষাবোৰৰ ব্যাকৰণ বেলেগ; বহুতো উমৈহতীয়া শব্দ থাকিলেও. এই কাৰণেই এইবোৰ একোটা একোটা বেলেগ ভাষা। আমাৰ আগত থকা ভাষাটোও তেনেকুৱা এটা ভাষা। অসমীয়া আৰু বঙলা ভাষাই সংস্কৃতৰ পৰা বাৰুকৈয়ে ধাৰ কৰিছে, কিন্তু ভাষা দুটাৰ ব্যাকৰণ সম্পূৰ্ণ বেলেগ, দুয়োটা ভাষা বিজালেই এই কথা চকুত পৰে। সংস্কৃতৰ পৰা অহা গুণেই অসমীয়া আৰু বঙলা যদি এটা ভাষা হয়, তেন্তে লেটিনৰ পৰা অহা গুণে ফৰাচী আৰু ইটালীয় একেটা ভাষা হ'ব।

জনসাধাৰণৰ লগত ত্ৰিশ বছৰ ধৰি পৰিচিত হৈ থাকি মই বুজিব পৰিছোঁ যে তেওঁলোকৰ ভাষাটোক আওহেলা কৰাটো ভুল হৈছে। বৰং এই ভাষাটোৰ চৰ্চাহে কৰিব লাগে। যদি উপযুক্ত উৎসাহ যোগোৱা হয় শিক্ষিত অসমীয়াসকলে পঢ়াশলীয়া পুথিৰ যোগান ধৰিব পাৰিব আৰু জনসাধাৰণৰ মাজত শিক্ষাৰ বাবে এটা নতুন উদ্দীপনা জাগৰিত হৈ উঠিব। ইয়াৰ বাহিৰে আন কোনো উপায়েৰেই তেওঁলোকৰ মাজত শিক্ষাক জনপ্ৰিয় কৰি তুলিব নোৱাৰি।

এই গ্ৰন্থখনৰ সম্পৰ্কে ( কবলৈ হ'লে ) এই ভাষাৰ প্ৰকাশিত হোৱা এইখনেই সৰ্বপ্ৰথম অভিধান আৰু সেয়ে ইয়াৰ ৰচনা এটা স্বাভাৱিকতেই টান কাম। ইয়াৰ সংগৃহীত হোৱা চৈধ্য হেজাৰ শব্দৰ ভিতৰত জনসাধাৰণে দিনৌ ব্যৱহাৰ কৰি থকা এনে কিছুমান শব্দ ওলাব, যিবোৰ কোনো বঙালী পণ্ডিতে বুজি নাপাব। ইয়াৰ সৰহ ভাগকেই মানুহৰ মুখৰ পৰা যেনেকৈ শুনিছোঁ তেনেকৈয়ে লিখা হৈছে। যদিও মই কথিত ভাষাটোকেই ইয়াত দিব বিচাৰিছোঁ, তথাপি ইয়াত অতি সাধাৰণ সংস্কৃত শব্দ কিছুমানো দিছোঁ, যিবোৰ শব্দ পুথিত ব্যৱহৃত হয় কাৰণে মানুহে বুজি পায়। এই শব্দ-

যোৰ আমাৰ পঢ়াশলীয়া পুথি আৰু ধৰ্মশাস্ত্ৰৰ অনুবাদত ব্যৱহাৰ কৰা হয়। কিন্তু এই কথা মনত ৰাখিব লাগিব যে এইবোৰক প্ৰায়ে পৰিবৰ্তিত অৰ্থত ব্যৱহাৰ কৰা হয় আৰু বেলেগ উচ্চাৰণেৰে উচ্চাৰণ কৰা হয়। কিছুমান শব্দ অলপ বেলেগ আকাৰত লিখা হয় আৰু বেলেগ উচ্চাৰণেৰে উচ্চাৰণ কৰা হয়। এনেবোৰ শব্দক একেলগে লিখিছোঁ আৰু বন্ধনীৰে যুঁটিছোঁ। ইংৰাজী শিকাৰু-সকলৰ সুবিধাৰ কাৰণে ঠায়ে ঠায়ে জুৰে মানে সৰল আৰু বিবিধ অৰ্থৰ ইংৰাজী প্ৰতিশব্দ দিছোঁ। এতিয়া-লৈকে ভাষাটোৰ কোনো নিৰ্দিষ্ট মান্য ৰূপ নথকাৰ কাৰণে আৰু অস্পষ্ট ৰূপত ব্যৱহৃত হৈ থকাৰ কাৰণে সকলো প্ৰথম কামেই অসম্পূৰ্ণ গুণৰ হোৱাৰ দৰেই, এই অভিধানৰ তাঙৰণটোও কম বেছি পৰিমাণে অসম্পূৰ্ণ ধৰণৰ হ'ব বুলি মই বুজিছোঁ। সাৱধানেৰে পৰীক্ষা নকৰালৈ এটা শব্দও ইয়াত সুমাবলৈ দিয়া হোৱা নাই আৰু যেতিয়াই সন্দেহ উপস্থিত হৈছে, তেতিয়াই আটাইতকৈ বুঢ়া আৰু সকলোতকৈ জনা জনৰ লগত আলোচনা কৰা হৈছে।

অসমীয়াত আংশিকভাৱে অৰ্থ দিয়া মূল্যৱান শব্দ-তালিকা এখনৰ বাবে ৰেভাঃ ডাঃ ব্ৰাওনৰ ওচৰত মই অতিশয় ধৰুৱা। ৰেভাঃ মিঃ হোৱাইটিঙেও অৰ্থ নিদিয়াকৈ দ-লৈকে এখন শব্দ তালিকা ছপাইছিল।

এই গ্ৰন্থত ব্যৱহৃত লিখন-পদ্ধতি বিজ্ঞ অসমীয়া পণ্ডিত যদুৰাম বৰুৱাৰ (Joduram Borua), অন্য পদ্ধতিতকৈ এই পদ্ধতিয়েই জনসাধাৰণৰ সঁচা সঁচি উচ্চাৰণৰে সৈতে মিলে ( চাওক, "Introductions to Brown's Grammatical Notices", Page IX )।

গ্ৰন্থখনৰ উন্নতিৰ বাবে সকলোৰে পোৱা পৰামৰ্শ গ্ৰহণ কৰা হব আৰু গ্ৰন্থখনৰ দ্বিতীয় সংস্কৰণৰ বেলিকা ধন্যবাদৰ সৈতে মনত ৰখা হ'ব।

যি উদাৰ সাহায্য পাইছোঁ সেইবোৰৰ বাবে মই বহু ধন্যবাদ আগবঢ়াইছোঁ। স্বাস্থ্য ভালে থাকিলে ইংৰাজীৰ পৰা অসমীয়া অভিধান এখন দ্বিতীয় গ্ৰন্থ হিচাপে ইয়াৰ পাছতে ওলাব।

নওগাঁও,
১২ আগষ্ট, ১৮৬৭ } **এম. ব্ৰন্সন**



# গ্ৰন্থ সমালোচনা

॥ ১ ॥ **মানস প্ৰতিমা :** শ্ৰীনীলমণি ফুকন ( কৰ্ত্তা ) : প্ৰকাশক, গুৱাহাটী বুক ষ্টল, প্ৰথম প্ৰকাশ, ডিচেম্বৰ '৭১ : পৃষ্ঠা সংখ্যা—১৬৬ : বেটুপাত, অঙ্গসজ্জা : শ্ৰীত্ৰৈলোক্য দত্ত।

সুন্দৰ বেটুপাত আৰু মনোৰম ছপা-বন্ধাৰে 'মানস প্ৰতিমা' পাঠক সমাজলৈ আগবঢ়োৱা বাবে বংশীধৰ শৰ্ম্মা তথা নন্দ তালুকদাৰ আমাৰ ধন্যবাদৰ পাত্ৰ।

সংকলনখনত বছা বছা উন-ষাঠিটা কবিতাক ঠাই দিয়া হৈছে। নবন্যাসৰ যুগৰ কাব্যৰ সৰ্ব্বজন-বিদিত অভিব্যক্তি ফুকন ডাঙৰীয়াৰ কবিতাত তিমান স্পষ্ট নহয় ; অৱশ্যে ভাৰতীয় দৰ্শন তথা আধ্যাত্মবাদ ফুকনৰ সৰহ সংখ্যক কবিতাৰ বীৰ্য্য-শক্তি, ৰহস্যৰ সুগন্ধই বহু কবিতাক সুবাসিত কৰি অতীন্দ্ৰিয়বাদ-পৰ্য্যায়লৈ লৈ গৈছে। ঐশ্বৰিক সত্তাত কবিৰ ঐকান্তিক বিশ্বাসে ফুকনৰ কিছুমান কবিতাক তাৰ প্ৰভাৱ ফুটাই তোলাত সাহায্য কৰিছে। বস্তুবাদ, সমাজ তথা সমাজবাদ, দেশ-জননীৰ উন্নয়ন আৰু সুস্থ বিৱৰ্ত্তন-কামনা কবি-প্ৰাণৰ সুস্পষ্ট প্ৰকাশ, এই বৰ্গীয় অনুভূতিৰ তাড়নাই বহুসংখ্যক কবিতাৰ হৃদয় চুইছে। 'সৃষ্টিৰ ৰহস্য'ত কবিয়ে একমেবাদ্বিতীয়ম্ সত্তাৰ ছায়া দেখিছে—ই শাশ্বত, অৱক্ষয়বিহীন। ফুকনৰ কবিতাত ব্যৰ্থতাতকৈ আশা আৰু দৈন্যতকৈ প্ৰাণোচ্ছ্বাস বেছি উজ্জ্বলকৈ চিত্ৰিত, ই সামগ্ৰিক আশাবাদৰ ধ্বনি কঢ়িয়াইছে। ফুকনৰ কবিতা আধুনিক দুৰ্ব্বোধ্যতাৰ পৰা মুক্ত আৰু ছন্দৰ ঝঙ্কাৰেৰে বলীয়ান। কবিতাবোৰ সেই সময়ৰ কোনো ধাৰা-বাহিক প্ৰকাশ নহয়—অৱশ্যে সংকলনখনৰ সেইটো উদ্দেশ্যও নহয়।

ছন্দৰ সুসংবদ্ধ গাঁঠনিয়ে গঠনত উজুতি খাব-লগীয়া অৱস্থাৰ সৃষ্টি কৰা নাই। নবন্যাস যুগৰ সম্পূৰ্ণ আধুনিক কবিতাৰ বাহিৰে তাৰ আগৰ কবিতাবোৰৰ কবিসকলে ছন্দ ৰক্ষা কৰাটোকে এটা ডাঙৰ আঙ্গিক হিচাবে লৈছিল। ফুকন ডাঙৰীয়াও ইয়াৰ ব্যতিক্ৰম নহয়। ফুকনৰ কবিতাত সৌন্দৰ্য্যৰ প্ৰতি এক গভীৰ আস্থা পৰিলক্ষিত হলেও, বিদেশী সমালোচকে কৰৰ দৰে কব পাৰি, 'Beauty cannot be absolutely realised and there are some orthodox poets, orthodox in the sense that they do not want to be dissolved by beauty.'—ফুকন সম্ভৱতঃ এই শ্ৰেণীৰ কাব্য-ধৰ্ম্মৰ কবি। ৰহস্যানু-সন্ধানৰ তীব্ৰতা বেছি উপাদেয়, বেছি মিষ্টিয়াচ ; ফুকনৰ 'সুন্দৰ, তুমি ক'ত' কবিতাত এনে ধ্বনি স্পষ্ট। এই ৰহস্যৰ আধাৰ হ'ল ৰহস্যময় প্ৰকৃতি। 'চিৰ-সুন্দৰ' কবিতাত এই ৰহস্যৰ উপলব্ধি বাস্তৱ-চেতনা জগতত প্ৰতিভাত হৈছে। সংকলনত কেবাটিও চনেট কবিতা অন্তৰ্ভুক্ত কৰা হৈছে। জ্যোতিকণা, প্ৰতিধ্বনি, খুদ, সঞ্চয়, আত্মজিজ্ঞাসা এইবোৰ চনেট কবিতা। **ফুকনৰ কাব্যৰ ভাষা সংযত**

আৰু বাহুল্য বিবৰ্জ্জিত হোৱা বাবে কবিতা কেইটিৰ 'চোফিষ্টিকেটেড হাৰমনি' অক্ষুণ্ণ ৰৈছে। 'কাৰাৰ ছায়াত' বিশ্বজনীন সাম্যবাদ কিছুদূৰ উদ্দীপিত। স্বগতম বৈপ্লবিক তেজস্বিতাৰ চাপেৰে পৰিপূৰ্ণ। কিছুমান কবিতাত দেশপ্ৰেমৰ চেতনা বজ্ৰৰ দৰে গৰ্জ্জন কৰি উঠিছে। ই নীলমণি ফুকনৰ ৰাজনৈতিক তথা মানসিক বুদ্ধি চেতনাৰ কষটি-শিলত প্ৰাণ-পোৱা অভিজ্ঞান। মৃত্যুপূজা কবিৰ কাব্যৰ চেতনা-নিষ্ঠ অভিব্যক্তিৰ নমুনা। বেদী হল আজি মাতৃ-পূজাৰ, আহুতি, বিপ্লৱ এই শ্ৰেণীৰ কবিতা।

নানাবিধ উছৱ, প্ৰকৃতি আৰু মানৱজীৱনৰ বিভিন্ন তথ্যৰ ওপৰত লিখা বহুসংখ্যক কবিতাকো সংকলনটোত ঠাই দিয়া হৈছে। বাণী বন্দনা, ৰৰদৈচিলা, দীপান্বিতা, ৰাসলীলা, বিহুৰ শৰাই, দোলযাত্ৰা আদি এই শ্ৰেণীৰ কবিতা। ইতিহাসৰ বীৰত্ব-ব্যঞ্জক ঘটনাৰ প্ৰতি ফুকনৰ দৃষ্টি আৰু আস্থা আছে। প্ৰহ্লাদ সম, চিতোৰ প্ৰবেশ, বুৰঞ্জীৰ বিঃ ইত্যাদি এই পৰ্য্যায়ৰ কবিতা। এইবোৰৰ মাজত কবিৰ আশাবাদৰ আভাস, সাহস আৰু উদ্দেশ্য সাধনৰ সৎ-পন্থা আৰু সুস্থ সৌন্দৰ্যবোধৰ পবিত্ৰতা বিচাৰি পোৱা যায়।

নতুন পুৰুষৰ মাজতো প্ৰবীণ চেতনাৰ উদ্ৰেকবোধ এখন বৰ্ণ-বিদ্বেষবিহীন শ্ৰেণীহীন সমাজ স্থাপনৰ বাসনা আৰু গান্ধীবাদী দৰ্শনে কবিক উতলা কৰাৰ চিনাকি নীলমণি ফুকনৰ ভালেমান কবিতাতেই পৰিস্ফুট হৈ উঠিছে। নতুন পুৰুষৰ প্ৰতি থকা উদাৰতাৰ মাজত কবিয়ে এখন নতুন জনতাৰ নতুন অসম গঢ়ি তোলাৰ সপোন দেখিছে। চহাক পণ্ডিতে বুজিছে জানো, এই কবিতাটি এই ক্ষেত্ৰত তাৎপৰ্য্যপূৰ্ণ। শেষ কবিতা মানস প্ৰতিমাৰ মাজত নিজৰ মনৰ সৌন্দৰ্য্যক পৰোক্ষভাবে ব্যক্তিসত্তাত আৰোপিত কৰি আচল সৌন্দৰ্য্যৰ প্ৰকাশ চাবলৈ নিজৰ মনটোকে বিচাৰকৰ আসনত বহুৱাই বিচাৰ কৰিছে। অসমৰ প্ৰবীণতম কবি নীলমণি ফুকনৰ 'মানস প্ৰতিমা a source of self content, an eternal source of beautitude, but all regarding it are confined to self' (য়েট্‌চ)।

—ভুপেন শৰ্মা

॥ ২ ॥ **সোণালী সংগম :** কবিতা : লিখক শ্ৰীপৰেশমল্ল বৰুৱা : পৃষ্ঠা সংখ্যা ৭০ : প্ৰকাশক শ্ৰীদুৰ্গাপদ ৰায়চৌধুৰী, ওৰিয়েণ্টেল বুক কোম্পানী, গুৱাহাটী : দাম তিনি টকা। প্ৰথম প্ৰকাশ : জুলাই, ১৯৭০ চন।

ছপা-বন্ধা আৰু মোহনীয় বেটুপাতেৰে মনোগ্ৰাহী ১৯৭১ চনৰ ছোভিয়েট দেশ নেহেৰু পুৰস্কাৰ প্ৰাপ্ত কবি শ্ৰীপৰেশমল্ল বৰুৱাৰ এইখন চতুৰ্থ কাব্য-গ্ৰন্থ। ইয়াৰ আগতে তেখেতৰ 'সান্ধ্য-আৰতি', 'আৰণ্যক', 'কুৰি শতিকাৰ চোভিয়েট কবিতা' : এই তিনিখন কাব্য আমি পঢ়িবলৈ পাইছোঁ। অসমত যথেষ্ট সংখ্যক লেখত লবলগীয়া কবিতা (আধুনিক) তথা লব্ধপ্ৰতিষ্ঠ কবিৰ সৃষ্টি হোৱা সত্বেও সাম্প্ৰতিক কবিতাৰ কা তব কান্তা কস্তে পুত্ৰাঃ ধৰ্ম্মী অনাদৰলৈ লক্ষ্য কৰিলে শ্ৰীবৰুৱাৰ এই নতুন পদক্ষেপ সঁচাকৈয়ে প্ৰশংসা ধন্য। সম্ভবতঃ আগতে উল্লেখ কৰা বাকী তিনিখন কাব্যতকৈ বৰ্ত্তমানৰ 'সোণালী সংগমে' শ্ৰীবৰুৱাক অসমীয়া আধুনিক কাব্য-জগতৰ এগৰাকী অন্যতম 'চিন্তা-তৰংগৰ' কবি হিচাবে সুপ্ৰতিষ্ঠিত কৰাইছে। 'সোণালী সংগম' লেনিন জন্ম-শতবাৰ্ষিকী উপলক্ষ্যে ৰুছ ভাৰত সম্প্ৰীতিৰ উদ্দেশ্যে উছৰ্গিত হৈছে আৰু সঙ্কলনৰ মুঠ একত্ৰিশটা কবিতাত ভাৰত আৰু ৰুছিয়াৰ ভাতৃত্ব আৰু বন্ধুত্ব শীৰ্ষক প্ৰসঙ্গ উত্থাপিত কৰা হৈছে। কাব্যখনৰ প্ৰত্যেকটো কবিতাৰ বিতং আলোচনা-যোগ্য। কিন্তু সেয়া সম্ভৱপৰ নহয় বাবে আমি মাত্ৰ চমুকৈ এইবোৰৰ এটা থুলমূল আভাস দিবলৈ চেষ্টা কৰিম।

'কৃষক বনুৱাৰ গীত' নামৰ সঙ্কলনৰ প্ৰথম কবিতাত গীতিধৰ্ম্মিতা যেনেকৈ সহজ-সবল-স্পষ্ট হৈ উঠিল ঠিক তেনেকৈ ই সাম্যবাদী ৰুছিয়াৰ কৃষক আৰু বনুৱা শ্ৰেণীৰ জীৱনৰ বহল বিপ্লৱী দিশটো যথাৰ্থভাৱে ইঙ্গিতময় কৰি তুলিব নোৱাৰিলে; তথাপি ই উক্ত শ্ৰেণী দুটাৰ আনন্দময় জীৱনৰ প্ৰাণ-ময়তাৰ ধ্বনি তুলিবলৈ সক্ষম হৈছে। 'মায়াক'-ভঙ্গি'ত কাব্যিক উচ্ছ্বাসৰ সৈতে সঙ্গতি ৰাখি আলোচ্য কবি গৰাকীক বহুলাংশে ফুটাই তোলাত শ্ৰীবৰুৱাৰ কাপ সফল; তথাপি কবিতাটোৱে মায়াক'ভস্কিৰ বলশ্বেভিক্ ৰিয়েলিজিম আৰু তেওঁৰ কাব্য-সত্তাৰ অফুৰন্ত উচ্ছ্বাসক অধিক প্ৰাণৱন্ত কৰি তুলিব পৰা নাই যেন লাগে। ছেৰ্গেই এছেনিনত কবিতাৰ মাজেৰে শ্ৰীবৰুৱাই উক্ত কবিক বিচাৰ কৰি চাইছে। টীকা সম্বলিত এই কবিতাটোত এছেনিন তেওঁ কাব্যৰ বৈপ্লৱিক চেতনা স্ৰোতেৰ ইঙ্গিতমুখৰ যদিও কবিতাটোৰ কিছুমান শব্দত আঁৰ থকা যেন অনুভৱ হয়; যেনে হ্ৰদবিন্দুৰ শয্যাশালা, জননৱায়ন, আবেগবন্দী ইত্যাদি।

সংকলনৰ আটাইতকৈ শ্ৰেষ্ঠ কবিতাটো হৈছে বেলা আঁদিয়ানোভা (কবিতাটি সম্প্ৰতি নেচনেল বুক-ট্ৰাষ্টে তাৰ হিন্দী আৰু ইংৰাজী অনুবাদসহ স্বাধী-নতাৰ ৰূপালী জয়ন্তী উপলক্ষে ভাৰতীয় কবিতাত অন্তৰ্ভুক্ত কৰা বুলি জানিব পৰা হৈছে) কবিতা-টোত জীৱনানন্দৰ বনলতা সেনৰ কাব্যধ্বনি অস্বীকাৰ কৰিব পৰা নাযায়। কাব্য নায়িকা আঁদ্ৰিয়ানোভাক শ্ৰীবৰুৱাই ৰুছ-ভাৰত মৈত্ৰিৰ সেতু-বন্ধনৰ সূত্ৰ হিচাবে অঙ্কন কৰাত যথেষ্ট নৈপুণ্য দেখুৱাইছে। ভাবৰ উচ্চাদৰ্শই কবিতাটিক আবৃত্তিৰ গতিশীলতা দান কৰাত অকণো বাধাৰ সৃষ্টি কৰা নাই। গান্ধী-টলষ্টয়ত দুখন দেশৰ দুই মহাত্মাৰ মানুহৰ মাজত মানুহ নিৰ্ণয়ৰ অভিজ্ঞান আৰু পৰাজিত যেতিয়া মনৰ পৃথিৱী তাৰ মাজত গান্ধী আৰু টলষ্টয়ক বিচাৰি গৈছে। সাৰ্বজনীন মানৱতাবোধৰ আকাঙ্ক্ষাই শ্ৰীবৰুৱাৰ এই কবিতাটিৰ মূল উৎস আৰু গান্ধী-টলষ্টয় প্ৰশান্তিৰো সিয়েই মূল কাৰণ। গুড়িয়াচভিলিৰ ৰঙৰ ভাষ্যত শিল্পী গৰাকীক শ্ৰীবৰুৱাই সম্যকভাৱে বুজি পাইছে বুলি অনুভৱ কৰিব পাৰি। 'সেই ৰং পেৰিচীয় নিশ্বাসত জৰ্জিয়াৰ কলিজা এটি ......লুইত আৰু ভল্গাৰ' এই কেইটা শাৰীৰ মাজত গুড়িয়াচভিলিৰ শিল্পকাৰ্য্যৰ সাৰ্বজনীন সম্প্ৰীতিবোধ আৰু প্ৰকৃতিৰ মাজত মানুহৰ স্থিতিৰ গভীৰতা নিৰাকৰণ স্পষ্ট। গুড়িয়াচভিলি এই **গ্ৰন্থ সৃষ্টিৰ** অন্যতম উপাদান যেন লাগিছে! আনকি বেটুপাত ছবিখনো গুড়িয়াচভিলিৰেই সৃষ্ট এখনি বিশ্ব-বিখ্যাত ছবি। 'ৰ'বিছ কুষ্টডিয়েভ্'ত শিল্পীৰ মানসৰ উছৱ-মুখৰ জনকোলাহলে জীৱনৰ ধ্বনি কঢ়িয়াই আনে, নাটকীয় জীৱনৰ সাৱলীল ব্যস্ততাৰ দুৰ্বাৰ প্ৰত্যয় : এই অভিব্যক্তিৰ গভীৰতা যথাযথ; কাৰণ কুষ্ট-ডিয়েভ্ আছিল জনতাৰ শিল্পী। নিদ্ৰিত সৌন্দৰ্য্যৰ প্ৰকাশৰীতি বিছু নতুন। 'আসন্ন প্ৰসৱা পৃথিৱীয়ে কোনো শিশুৰ ৰাতৰিৰে সান্ত্বনা দিলে প্ৰত্যাশাকুল

তৃষ্ণার্ত্ত জনতাক' স্তৱকটোৰ বিশ্লেৰণটো কিছু দুৰ্বহ যেন লাগিছে। জৰ্জ্জিয়াৰ সঙ্গীততো কেবা ঠাইতো এনেকুৱা দুৰ্বহতা নথকা নহয়। 'নীলসৰসীত মৎস্যপোৱালৰ ৰাগীৰ ধ্বনিৰে কিশোৰ টোপনিত' সেই দুৰ্বহতাৰ বাবে কাব্য অনুভূতি যেন তাত ক্ষীয়মান; তথাপি কবিতাটোত কাব্য বস্তুৰ অভাৱ ঘটা নাই। 'জীৱন ভাস্কৰ্য্য' আন এটি বিশ্লেষণাত্মক কবিতা। শ্ৰীবৰুৱাই তেখেতৰ অন্যান্য কবিতাত কাব্যৰ প্ৰবাহ ৰক্ষাৰ বাবে শব্দৰ যথাযথ ব্যৱহাৰৰ প্ৰতি সচেতন হ'লে আমি তেখেতৰ পৰা অধিক উন্নত কবিতা পাম বুলি আশা ৰাখিছোঁ। 'Alles fur Deutschland' এটা দীঘলীয়া কবিতা। কবিতাটোত আৰ্মেনিয়ান যুৱক-যুৱতীৰ মাজত হোৱা বিয়াৰ লৌকিক দিশটোৰ মাজেৰে আৰ্মেনিয়ান জনজীৱনৰ সাংস্কৃতিক দিশ উন্মোচিত হৈছে। 'দলাল' এটা অন্যতম ভাল কবিতা। 'এটি শিশুৰ হাঁহিৰে', 'কাঠগড়াত আলেকজেণ্ডাৰ উলিয়ানোভ', আৰু 'আইতাত' ৰাচিয়াৰ বৈপ্লৱিক জগতখন পৰিচিত হৈছে। 'লেলিন', 'নদেজ্ দা কনষ্টান্তিনোভ্না ক্ৰুপ্স্কায়া' আৰু 'লেনিন প্ৰশস্তিত' শ্ৰীবৰুৱাই বিষয়-বস্তুৰ আঙ্গিকৰ উপলব্ধিতকৈ আবেগক গুৰুত্ব দিয়াটো স্পষ্টভাৱে পৰিদৃষ্ট। 'ত্ৰয়ী', 'মহাজাগতিক', 'তুন্দ্ৰা', 'বিশ্বশান্তি', 'টাচকন্দ : ১০ জানুৱাৰী, ১৯৬৬', 'উজ্জ্বল তিনিটা তৰা', 'চিম্‌বিস্কৰ গুণগুণনি' আদি বাকীবোৰ কবিতাত ধ্বনি শ্লথ হলেও বিষয়-বস্তুৰ প্ৰাধান্যৰ শিল্প নৈপুণ্য অস্পষ্ট হোৱা নাই। 'লেনিন স্তোত্ৰ' আন এটি উন্নত ক্ষুদ্ৰকায় কবিতা। তাৰ পিছৰ চাৰিটা কবিতা যথাযথ। শেষৰ কবিতা 'সোণালী সংগম'ত ৰাচিয়া-প্ৰশস্তিৰ সুৰ নিভাঁজ। 'ইউনিভাৰ্চেল বিদম্', 'বিশ্বৰ সামগ্ৰিক ঐক্যৰ আকাঙ্ক্ষা' 'সোণালী সংগমৰ' ফচল।

শ্ৰীবৰুৱাৰ ভবিষ্যৎ প্ৰচেষ্টা আৰু সুন্দৰ হ'ব বুলি আমি আশা ৰাখিব পাৰোঁ। 'সোণালী সংগমে' সেই স্বাক্ষৰ বহন কৰিছে। দেশীয় আৰু মহাদেশীয় চিন্তা-সমৃদ্ধি এই কাব্যগ্ৰন্থখনি আমাৰ জাতীয় জীৱনৰ উল্লেখনীয় সম্পদ।

—ভুপেন শৰ্মা

॥ ৩ ॥ **কোনোবা শীতৰ এটা বগা সন্ধিয়াত:** হৰি বৰকাকতি : প্ৰকাশক, মিত্ৰ এজেন্সি এণ্ড কোম্পানী, তিনিচুকীয়া : প্ৰথম প্ৰকাশ, অক্টোবৰ '৭০ : দাম তিনি টকা, পৃষ্ঠা সংখ্যা ৫২।

সংকলনখনত মুঠ আঠাইশটা কবিতা আছে আৰু বৰকাকতিয়ে উল্লেখ কৰা মতে কবিতাবোৰ বিভিন্ন আলোচনীৰ পাতৰ পৰা তুলি লোৱা হৈছে। 'ৰামধেনু', 'মণিদীপ'ৰ যুগত উক্ত আলোচনী দুখনত লিখা শ্ৰীবৰকাকতিৰ মিঠা কবিতাবোৰৰ সোৱাদ আমাৰ আজিও পাহৰাৰ কথা নহয় আৰু সেই হিচাপে সংকলনৰ ৰূপত সেই কবিতাবোৰ পাঠক সমাজলৈ আগবঢ়োৱাৰ প্ৰচেষ্টা নিঃসন্দেহে প্ৰশংসনীয়। বৰকাকতিৰ কবিতাৰ নিপুণ প্ৰতীক ( Dexterous Symbol ) আৰু বিষয়-বস্তুৰ গভীৰতাই পাঠকক মোহগ্ৰস্ত কৰাত দাবী ৰাখে আৰু এক কথাত আলোচ্য সংকলনখনে আমাক সেই স্বাদৰ পৰা বঞ্চিত কৰা নাই। হৰি বৰকাকতিৰ কবিতাৰ বিষয়-বস্তু আমাৰ মগজুৱে ঢুকি পোৱা জগতখনৰ মাজতেই সীমাবদ্ধ কাৰণে কবিতাবোৰৰ আঙ্গিক আৰু সৌন্দৰ্য্য উপলব্ধি কৰোঁতে উজুটি খাব নালাগে। কবিয়ে প্ৰকৃতিক কোনো ক্ষেত্ৰতেই অস্বীকাৰ কৰা নাই। অৱশ্যে ঠায়ে ঠায়ে ই প্ৰতীকি সত্তাকো নিৰূপিত



কৰিছে। কাব্যধ্বনিৰ গতিশীলতা আৰু সুসংযত ভাষাৰ মাজত আধুনিক কবিতাৰ দুৰ্বোধ্যতা নাই। 'সন্ধিয়াৰ ধোঁৱা' কবিতাত কাব্যব্যঞ্জনা সুস্পষ্ট। স্মৃতিৰ মাজত জীৱনৰ আঙ্গিক ৰিপ্ৰেজেণ্টেচন, পলৰীয়া আশাবাদ কবিতাটিৰ স্থিৰচিত্ৰ। কোনোবা শীতৰ এটা বগা সন্ধিয়াত কবিটোৰ মৌন বিষাদ আৰু সুপ্ত আশাবাদৰ ধ্বনি স্পষ্ট, অতীতৰ স্মৃতি ভাবনাৰ দাপোণত পৰিস্ফুট হোৱাৰ কাৰণেই শীতৰ সন্ধিয়া এটাৰ সাৰ্থকতা। 'পাৰা যদি তুচকুত চিনাকি অঞ্জন সানি...... বনপোৱা ছাই কণিকাৰে' বাক্যটোৰ মাজত সেই মৌন আকাঙ্ক্ষা নিটোল হৈ উঠিছে। বিৱৰ্ত্তনত পুৰণি প্ৰীতিৰ সাঁচ। 'প্ৰশ্ন'ত আধুনিকতাক বিচাৰ কৰা হৈছে। 'ম'হৰ শিঙৰ দৰে জোন' প্ৰতীকটো সুন্দৰ। 'অৰ্কেষ্ট্ৰা', 'জন এফ কেনেডী', 'প্ৰিয়াৰ চিঠি', 'ঈভ আৰু ঈশ্বৰৰ ছাঁ', 'স্বাক্ষৰ' এই আটাইকেইটি কবিতাৰ উপস্থাপন ৰীতি, বিস্তাৰ আৰু উপসংহাৰত মাধুৰ্য্যৰ অভাৱ ঘটা নাই। 'ইভনচং'ত আবেগৰ ধাৰ স্পষ্ট, অৱশ্যে মন্দাক্ৰান্তা কবিতাটোত প্ৰেমৰ চিন্‌থেচিচ্ জটিল। প্ৰেমৰ কবিতা হিচাবে ই উন্নত হোৱা বুলি খুব মনে নধৰে। হৰি বৰকাকতিৰ এই অন্যান্য আন দুই-এটি কবিতাতো তৰুণ অনুভূতিৰ মাজেৰে উচ্চাৰিত চেতনাই গভীৰতা নিম্নগামী কৰি তোলা দেখা যায়। 'দিনান্ত' বৰকাকতিৰ এটি স্বাভাৱিক সৃষ্টি। বাকীবোৰ ভাল লগা কবিতাৰ ভিতৰত 'জ্যোতি প্ৰসাদ' —যাৰ প্ৰশস্তি কল্পচিত্ৰৰ মাজেৰে পৰিস্ফুট। 'আৰু স্বপ্নবোৰ মাইলৰ খুটি হৈ থাকি গ'ল নতুন বাটেদি দেও দিব খোজা এই হৰিণাজাকলৈ'; বাক্যটোৰ যাথাৰ্থতা ইঙ্গিতময়। 'আমাৰ ছবি' চিৰকালৰ কবিতা হই পৰা নাই। 'নংপুত পোল্কৰ মিনিট'ত কোনো গভীৰ বিশ্লেষণ নাথাকিলেও কবিতাটোৰ চিন্তাভঙ্গী মনোমোহা। 'আৰু আচলৰ চিনাকি সুবাস এৰি থই শ্ৰীলেখা দত্ত আকউ গুচি গল মই নাজানিলো কিমান দিনৰ বাবে' শাৰীটোত বিৰহ-বিচ্ছেদৰ স্পৰ্শ নাথাকিলেও গভীৰ বেদনা আছে। 'প্ৰান্তিক' কবিতাটিত শব্দৰ ভীৰে আত্ম-অস্তিত্ব বিলোপ কৰা যেন লাগে। 'পলাশ' কবিতাটিৰ উদ্দেশ্য যিয়েই নহওক, ই মূলতঃ বিষাদৰ কবিতা। 'বলাকাত' এলিয়টৰ কবিতাৰ দাৰ্শনিক সৌন্দৰ্য্য ছায়া আছে। 'কল্লোল' আৰু 'উপসংহাৰ'ত গাঠনি আৰু বক্তব্যৰ সবলতা আছে—কিন্তু কোনো তাত্বিক উচ্ছ্বাস নাই।

হৰি বৰকাকতিৰ ভাষা, কল্পচিত্ৰ, প্ৰতীক আৰু আঙ্গিকৰ বৈশিষ্ট্য অনস্বীকাৰ্য্য। তেখেতে আজিকালি কবিতা লিখিবলৈ প্ৰায় এৰিলেই বুলিব পাৰি। অভিজ্ঞপুষ্ট জীৱনৰ প্ৰকৃত মুহূৰ্ত্তবোৰ কাব্যচিন্তাৰে পৰিপূৰ্ণ কৰিবলৈ পাহৰি যোৱা বৰকাকতিয়ে যেন আজিও তৰুণ মনৰ চিন্তা প্ৰবাহৰ মাজৰ সেই কবিতাখিনিতেই নিজকে এৰি দি আত্মতৃপ্তি হে বিচাৰিছে মাথোন।

—ভুপেন শৰ্মা

॥ ৪ ॥ **অঘোৰী আত্মাৰ কাহিনী : গ্ৰন্থকাৰ :** চৈয়দ আব্দুল মালিক, প্ৰকাশক : গুৱাহাটী বুক ষ্টল, মূল্য—৪·৫০ পইচা, পৃষ্ঠা ১৬৬।

"এইবোৰ আমাৰ কি হৈ গ'ল ককাইদেউ? কি হৈ গ'ল?" চেপা মাতেৰে বেদনাত অপৰাই কলে।

"কিন্তু আমাৰ কাহিনী শেষ হোৱা নাই।··· ছেক্সপীয়েৰৰ সেই পুৰণি কথাষাৰেই আমাৰ জীৱনত সঁচা হ'ল। পৃথিবীৰ নাট্য-মঞ্চত পুৰুষ-নাৰী আমি সকলোৱে একোজন অভিনেতা। পিছে আমাৰ জীৱনৰ নাটকখন হ'ল এখন আমনি লগা মেল' ড্ৰামা।" উত্তৰ দিছিল শশাংকই।

আৰু 'অঘৰী আত্মাৰ কাহিনী'ৰ বিষয়েও শশাংকৰ উক্ত বাক্যৰ শেষৰটো বাক্যৰে দিব পাৰি —'আমনি লগা' শব্দটিৰ ওপৰত সৰ্ব্বাধিক গুৰুত্ব দি। অনাৱশ্যকভাৱে ঘটনাৰ পিচত ঘটনা সংযোগ কৰি উপন্যাসখনৰ মাজেৰে কি কৰলৈ বিচাৰিছে, সেয়া যেন মালিকে নিজেই পাহৰি গৈছে। তথাপিও এনে মন্তব্য তপৰাই দিয়া সহজ নহয়। কবিতা কবিতা লগা নামেৰে 'অঘৰী আত্মাৰ কাহিনী'ৰ "খুব কম দিনতে প্ৰথম সংস্কৰণ শেষ" হৈ যোৱাৰ পৰাই প্ৰমাণিত হয় যে অসমীয়া সাহিত্যৰ বিস্তৃতি আৰু গভীৰতা দানৰ ক্ষেত্ৰত মালিক চাহাবে যি বৰঙণি দিছে আলোচ্য গ্ৰন্থখনিতো সেয়া থাকিব। মৃগাংক, শশাংক, নিৰঞ্জন, অপৰা—কেউটি চৰিত্ৰ অঘৰী হলেও তেওঁলোকৰ কাহিনীত কোনো গভীৰ জীৱন জিজ্ঞাসা বিচাৰি পোৱা নেযায়। বৰং মালিকে ঘটনা সংযোগৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰি নিম্ন শ্ৰেণীৰ পাঠকৰ মনোৰঞ্জনৰ বাবে বেছি সচেষ্ট হোৱা যেন লাগে, যিটো মালিক চাহাবৰ পৰা আমি নিবিচাৰোঁ বা আশা নকৰোঁ।

চৰিত্ৰৰ কাৰ্য্যকাৰণৰ সম্পৰ্কৰ ক্ষেত্ৰত এটা উদাহৰণ দিলেই বোধকৰোঁ যথেষ্ট হব। অপৰাই মৃগাংকক ভাল পাইছিল। বিয়া কৰাইছিল (হৈছিল ?) নিৰঞ্জনক। বিয়াৰ পিচতো অপৰাই শাৰীৰিক মানসিক দুয়োটা সম্পৰ্কই ৰাখি চলিছিল মৃগাংকৰ সৈতে। শশাংকৰ মুখত যেতিয়া জানিলে যে অপৰাৰ মাকো আছিল মৃগাংকৰ দেউতাকৰেই ৰক্ষিতা তেতিয়া অপৰাই আত্ম-অনুশোচনাত চিঞৰি —"বাপেকৰ ৰক্ষিতা আছিল মোৰ মা আৰু পুতেকৰ উঠিছে ৰক্ষিতা মই। কি বীভৎস! কি জঘন্য! কি অমাৰ্জ্জনীয়, অক্ষমনীয় পাপ—কি ভয়াবহ পশুত্ব! এয়া মই কিহৰ প্ৰায়শ্চিত্ত কৰিছোঁ। মোৰ দাৰিদ্ৰ্যৰ? মোৰ ৰূপৰ, অহংকাৰৰ, মোৰ দুৰাকাঙ্ক্ষাৰ নে মোৰ মূৰ্খামিৰ? ······মই এজনী শিক্ষিতা ভদ্ৰ মহিলা। বিশ্ব-বিদ্যালয়ৰ ডিগ্ৰীধাৰী, দেশ-কৰ্ম্মী, সংস্কৃতিসেৱী নেত্ৰী। কি প্ৰহসন। মই এজনী পতিতা, বাৰাঙ্গনা। মই এজনী শিক্ষিত বেশ্যা!" এই আত্ম-অনুশোচনাৰ মুহূৰ্ত্ততে কনকে আহি খবৰ দিলে যে নিৰঞ্জনৰ মটৰ দুৰ্ঘটনা হৈছে। অপৰাৰ প্ৰশ্ন: "তেওঁ বাচি আছে নে নাই কব পাৰা?" এই প্ৰশ্নই কনকক কৰিছে বিস্মিত। আৰু মোক? মোক কৰিছে অবাক! তাৰ পিচতো মুখ-হাত ধুই চাহ খাই নিৰঞ্জনৰ খবৰ লবলৈ অপৰা যাব খোজা দেখি মালিকৰ বাক্যটি (উপন্যাসতে আছে) মনত পৰে—"মঞ্চত যি অচল আৰু বিফল হয়, জীৱনত সেয়ে সত্য হয়।" মই কওঁ: জীৱনত যি অচল আৰু বিফল হয় মালিকৰ সাহিত্যত তাকে অদ্ভুত যুক্তিৰে সঁচা বুলি চলোৱা হয়। নহলে কটা-ঘাত চেঙা তেল দি পাঠকক অতিষ্ঠ কৰিবৰ বাবে শশাংকই নকলেহেঁতেন— "নিৰঞ্জনটো মৰিলে বৰ বেয়া হব নেকি বাৰু?" তাতোকৈ আচৰিত অলপ পিচতে অপৰাৰ মনটো "যতেই থাকক নিৰঞ্জনক এবাৰ দেখা পাবৰ কাৰণে ব্যাকুল হৈ উঠিল।"

কিন্তু মূল-কাহিনীৰ উপৰিও প্ৰসংগক্ৰমে আহি পৰা মন্তব্য কিছুমানেহে আমাক অধিক আচৰিত



কৰি তোলে। শশাংকই ভাবে: "নিৰঞ্জনৰ জ্ঞান-বুদ্ধি-অধ্যয়ন আৰু আদৰ্শবাদেৰে তেওঁ এজন মন্ত্ৰী হবৰ উপযুক্ত মানুহ আছিল। তেওঁতকৈ অতি কম বিদ্যা-বুদ্ধিৰ মানুহ মন্ত্ৰী হৈছে।" যেন বিদ্যা-বুদ্ধি থকা মানুহবোৰৰ লক্ষ্য হোৱা উচিত মন্ত্ৰী হোৱাহে। "এজন মন্ত্ৰীৰ আৰু এজন সক্ৰিয় ৰাজনীতিবিদৰ পুত্ৰ হলেও শশাংকৰ ৰাজনীতিৰ প্ৰতি কোনো আকৰ্ষণ, শ্ৰদ্ধা নাই।" বাতৰি কাকত সম্পৰ্কে তেওঁৰ ধাৰণা—"ভাৰতত ভাতৰ আকাল, ভিয়েটনামত সংঘৰ্ষ, এৰোপ্লেনৰ এক্সিডেণ্টত এদল মানুহ মৰিল, ৰুচিয়াৰ কিবা এটা সৰ্ব্বপ্ৰথম বা বৃহত্তম উদ্ভাৱনৰ গতানুগতিক বাতৰি। এইবোৰ বাতৰি লৈ এখন কাকত কেনেকৈ বাতৰি হব পাৰে। ভাৰতীয় ৰাজনৈতিক নেতাবোৰৰ দীঘলীয়া ভাষণ আৰু বক্তৃতা আজিলৈকে শশাংকই তাৰ এটা শব্দও পঢ়া নাই।" অথচ ৰাজনীতিৰ ওপৰত শশাংকই গুৰু-গম্ভীৰ বক্তৃতা দিয়ে: "মই নকওঁ যে ভাৰতত পলিটিক্স কৰা আটাইবোৰ মানুহেই বুৰ্ব্বক।··· ভাৰতত ৰাইজৰ সমৰ্থনতকৈ আৰু অৰ্থহীন বস্তু একো নাই। দহ টকা ৰূপ বা এবটল দেশী মদ দি য'ত এশটা ভোট কিনিব পাৰি তত ৰাইজৰ সমৰ্থনৰ কি মূল্য আছে?" —ৰাজনীতিৰ প্ৰতি "কোনো আকৰ্ষণ নথকা" শশাংকই যুক্তি দৰ্শায়—"কংগ্ৰেছ ৰাজনীতিৰ এটা চিষ্টেম আছে; পদ্ধতি আছে, ই চেণ্টিমেণ্ট বা ভাবোচ্ছ্বাস বা আদৰ্শবাদৰ কথা নহয়। ৰাজনীতি কৰাৰ এটা পদ্ধতিৰ কথা। এই পদ্ধতিটো বুজি নোপোৱা কাৰণেই তুমি আজিলৈকে এম-এল-এ মিনিষ্টাৰ হব পৰা নাই। আৰু একেবাৰে অডিনাৰী মানুহবোৰ তোমাৰ চকুৰ আগেদিয়েই ভব্য-গব্য নেতা-মন্ত্ৰী হৈ শোভা-যাত্ৰা কৰি ফুৰিছে।" শশাংকৰ যুক্তি সঁচা নে মিছা তেনেধৰণৰ যুক্তি তৰ্কৰ ভিতৰলৈ নগৈও কব পাৰি,—বৰ্ত্তমানৰ সমাজ-ব্যৱস্থাত বিতুষ্ট, বিক্ষুব্ধ তৰুণৰ মুখত এই মন্তব্য খাপ খালেও বাতৰি নপঢ়া, ৰাজনীতি ভাল নোপোৱা, প্ৰতিষ্ঠিত ব্যৱসায়ী শশাংকৰ মুখত শোভা নেপায়। ভূতপূৰ্ব্ব মন্ত্ৰী দেউতাকৰ প্ৰতি জন্মা ঘৃণাৰেই এয়া বহিঃ-প্ৰকাশ হলেও। "মূৰ্খবোৰৰ বাহিৰে বাকী সকলোৱে নিজৰ পদোন্নতিৰ কাৰণেই ৰাজনীতি কৰে। নহলে তুমি কংগ্ৰেছ বা যি কোনো এটা ৰাজনৈতিক দলৰ অফিছ চেক্ৰেটৰী কৰা বা মদৰ দোকানৰ মেনেজাৰী কৰাৰ মাজত কি পাৰ্থক্য আছে?" বুলি কৰা মন্তব্য সম্পৰ্কে ৰাজনীতি কৰা মানুহবোৰে (মালিক নিজেও বাদ নপৰে) বা কি ভাবে? নিৰঞ্জনে শশাংকক এই প্ৰশ্নৰ উত্তৰ হিচাপে কিন্তু দিছিল: "তুমিওতো চিষ্টেমটোকে বুজি পোৱা নাই?"

প্ৰসংগক্ৰমে আহি পৰা এনে মন্তব্য 'অঘৰী আত্মাৰ কাহিনী'ত বহু আছে। আনধৰণৰ এটি মন্তব্যলৈ আহোঁ—"কাৰবে কোনোবা এঘৰত ৰেডিঅ'ত ৰবীন্দ্ৰ সংগীত বাজিছিল। সেই ঘৰ বঙালী মানুহ। পৃথিবীত যে কলিকতাৰ বাহিৰেও আৰু কেন্দ্ৰ আছে সিহঁতে যেন কব নোৱাৰে।" কাহিনীয়ে নিবিচৰা সত্বেও অন্য-ভাষী মানুহৰ প্ৰতি এই বিষোদগাৰ কিয়? নে অসমীয়া মানুহৰ দৰে হিন্দী গীতৰ প্ৰতি যুক্তিহীন দুৰ্ব্বলতা মালিকে বঙালীসকলৰ পৰাও বিচাৰে? অইন ভাষী মানুহৰ প্ৰতি "সিহঁতে"ৰ নিচিনা তুচ্ছাৰ্থবাচক শব্দৰ প্ৰয়োগ ৰুচিসম্মত নে? সাধাৰণ পাঠকৰ মন যোগাবলৈ এনেধৰণৰ সস্তীয়া মন্তব্য দিওতেও যদি

মালিকে 'অঘৰী আত্মাৰ কাহিনী'তে নিৰঞ্জনে কোৱা এই মন্তব্যকাকি মনত ৰাখিলেহেঁতেন—"generalise কৰাটো আমাৰ এটা দুৰ্ব্বলতা।"

'অঘৰী আত্মাৰ কাহিনী'ৰ ইংৰাজী অসমীয়া মিহলি বাক্যবোৰেও আমাক চিন্তিত কৰিছে। শশাংকৰ বাক্য : "তেওঁলোকৰ unconcerned আৰু aloofness-ক তেওঁলোকে তেওঁলোকৰ integrity বুলি প্ৰত্যয় যাবৰ চেষ্টা কৰিছিল।" শশাংকৰ দৰে নিৰঞ্জনৰ প্ৰকাশ-ক্ষমতাও একেধৰণৰ : "physical deformity থাকিলে inferiority complex হয়। এই complex থাকিলে, নাই বুলি বুজাবৰ বাবে কামবোৰ কিছু excess ত কৰিব বিচাৰে।" বাস্তৱ জীৱনত কথা পাতোতে এনেধৰণৰ ভাষা ( অসমীয়া ? ) শুনিছোঁ। কিন্তু মাজতে পাঁচ-দহ মিনিট সম্পূৰ্ণ ইংৰাজীতে আলোচনা কৰি মাতৃভাষালৈ আকৌ উভতি আহে। "অঘৰী আত্মাৰ কাহিনী"তো এনেধৰণৰ আলোচনা যোগ দিলে অধিক 'বাস্তৱ' হ'লহেঁতেন বুলি অকাট্য যুক্তি আগবঢ়োৱাৰ সুবিধাখিনি লেখকে কিয় নললে বাৰু ?

তেনেহলে উপন্যাসখনত ভাল বুলিবলৈ একো নাই জানো ? আছে। নহলে প্ৰথম সংস্কৰণৰ সমগ্ৰ কিতাপ "খুব কমদিনতে শেষ" হোৱাকৈ পাঠকৰ মৰম পাব কেনেকৈ ? আচল কথা মালিকে কাহিনী কব জানে। প্ৰতি স্তৰে স্তৰে পাঠকৰ মনত অনুসন্ধিৎসা যোগাই পাঠকৰ মন একনিবিষ্ট কৰাত মালিকৰ সমকক্ষ কাহিনীকাৰ অসমীয়া সাহিত্যত বেছি নাই। কাহিনী কোৱাৰ অপূৰ্ব্ব দক্ষতা, ত্ৰৈলোক্যৰ বেটুপাত, গুৱাহাটী বুক ষ্টলৰ সুন্দৰ ছপা-বন্ধা আৰু সৰ্বোতোপৰি মালিকৰ পূৰ্ব্বৰ যশস্যা আৰু খ্যাতি—এইবোৰেই 'অঘৰী আত্মাৰ কাহিনী'ৰ মূল সম্পদ। মালিকৰ সাহিত্য-প্ৰেমী পাঠক হিচাপে কবৰ মন যায় : বিস্তৃতিৰ ওপৰত গুৰুত্ব নিদি গভীৰতাৰ ফালে মালিকে চকু দিবৰ হ'ল। অসমীয়া সাহিত্যই মালিকৰ পৰা বিচৰা উপন্যাসখন আজিও পোৱা নাই।

—ৰমেশ পাঠক

॥ ৫ ॥ **অন্য যুগ অন্য পুৰুষ :** লেখক : দেবেন্দ্ৰনাথ আচাৰ্য্য, প্ৰকাশক : গুৱাহাটী বুক ষ্টল, মূল্য : ৪·৫০ পঃ, পৃঃ ১৭৫।

শ্ৰীদেবেন্দ্ৰনাথ আচাৰ্য্যৰ অন্য যুগ অন্য পুৰুষ এখন ভিন্নসুৰী গ্ৰন্থ। প্ৰকাশকৰ মতে A wonderful novel with rural background. হোমেন বৰগোহাঞিৰ মতে—"এই উপন্যাসত আমাৰ হেৰাই যাব ধৰা গাৱলীয়া সমাজ এখনৰ এটা নিখুঁত বাস্তৱ চিত্ৰ বিষয়োপযোগী ভাষাৰে বৰ্ণনা কৰিছে।" সঁচা কথা কবলৈ হলে অন্য যুগ অন্য পুৰুষক উপন্যাসেই বুলিম নে কালৰ কোবাল সোঁতত হেৰাই যোৱা অসমৰ গাৱলীয়া জীৱন-ধাৰাৰ এখন মনোৰম চিত্ৰকেই বুলিম কব পৰা নাই। বুঢ়ী আইতাৰ মুখত শুনা "কি দিন আছিল"ৰ এয়া সাধু সাধু লগা কাহিনী ; অন্য যুগ অন্য পুৰুষত বেলেষ্টৰে কৈছে।

বেং বেলেষ্টৰ বা নন্দীৰামে অতীত অসমৰ সকলো কথা জানে। অৱশ্যে এই বৰ্ণনাত নামনি অসমৰ কথা নাই। নেথাকিবৰ কথাই। বেলেষ্টৰ অঘৰী মানুহ। য'তে ৰাতি ততে কাতি। কিন্তু তেওঁৰ অভিজ্ঞতা উজনি অসমতে সীমাবদ্ধ।



"ডিগবৈ, লিডু, মাৰ্ঘেৰিটা হৈ ঘূৰি যোৰহাট আৰু তাৰ পিচত গোলাঘাটৰ ফালে যায়। গোলাঘাটৰ পৰা আৰু নামনিলৈ নেযায়। ঠাইতে পুৰমুৱা হয়। এৰছৰত এখন ঠাইলৈ তেওঁ তিনিবাৰমানকৈ আহে।"

বেলেষ্টৰে সাধু কয়। অসমৰ ভাওনা, অসমত প্ৰথম ৰেলগাড়ী, মটৰগাড়ী, চাহখেতিৰ মনোৰম সাধু। মৰি দিখৌ বিলৰ কিম্বদন্তিৰ সাধুৰ পৰা টুনী-কায়ে শকুনিৰ ভাও দিওঁতে ওলা সত্ৰৰ বৰজনা অধিকাৰে খঙতে কেনেকৈ "এটা মস্ত গোৰ" শোধালে সেই কাহিনীও বাদ নপৰে। কাহিনীবোৰ মনোৰম, তাতোকৈ মনোৰম বৰ্ণনাত থকা যাদুকৰী শক্তি। সৰু সৰু ল'ৰা-ছোৱালীৰ আগত কোৱা বাবেই চাগৈ বৰ্ণনাত ঘৰুৱা পৰিবেশ এটি আছে। উপমাবোৰো ঘৰুৱা। বেং বেলেষ্টৰ মুখ্য কাম বৰশী বোৱা। এদিন "বৰশী বাইছোঁ। মোৰ বোম্বাই খালৈটোৰে এখালৈ মহাবাণীৰ চিকা ৰূপবোৰৰ দৰে চলচলীয়া পুঠিমাছ উঠিল।" উজনিত প্ৰথম মটৰ-গাড়ী চলাৰ বৰ্ণনা : "দীপ্তি কমিচন আৰু বৰ বৰ চেহাবসকলৰ লগতে আমাবো যুৰ জিলিকা ছুই-একে মটৰগাড়ী ললে আৰু লেথৰ মানুহৰ শাবীত উঠিল। পিছে বাটৰুৱা-পথৰুৱাক শনিৰ দশাই লম্ভিলে বোপাইহঁত—মটৰগাড়ীৰ হৰন শুনিলে বাটৰ মানুহ থিতাতে পলাই পিয়াপি দিয়ে। গোবিন্দ মন্দিৰৰ আগত ফেলেগ তুলি থকা ভলন্টিয়াৰবোৰে পুলিচ দেখিলে পলোয়াদি। খালে-ডোঙে কচুৱনিয়ে গেলেকানিয়ে য'তে পায় ত'তে সোমায় আৰু থৰ্ থৰ্ কৰি কঁপি কঁপি ছাতি লাঠি কাষকাতিৰ তলত লৈ হাতযোৰ কৰি বৈ থাকে।" বন্ধ হোৱা মটৰ চলাৰ বৰ্ণনা বেং বেলেষ্টৰৰ ভাষাত—দেবাই পুৰোহিতে নলীত লগোৱা গুৰ্ গুৰিত ধঁপাত খোৱাদি ভোঁ-ভোঁৱাই চলিবলৈ ধৰিলে।

বেং বেলেষ্টৰে মাজে মাজে নিৰ্দ্দোষ ব্যঙ্গোক্তিও কৰে। চৰাইমৰীয়া সত্ৰৰ অধিকাৰৰ কাহিনী সত্ৰৰ অধিকাৰসকলৰ ওপৰত ব্যঙ্গোক্তিয়ে নে সৰু ল'ৰা-ছোৱালীক আমোদ দিবৰ বাবেই বৰ্ণোৱা একেষাৰে কোৱা টান। চলাজনা গোঁসাইয়ে "বোম্বাই খালটোৰ" মহাবাণীৰ চিকাৰ তপ যেন "পুঠিমাছ"-বোৰ যি বুজ্ঞিৰে ৰাখিলে সেই বৰ্ণনা সুন্দৰ। কিন্তু বেলেষ্টৰৰ এই মন্তব্যৰ তাৎপৰ্য্য ? "মই ভাবিলোঁ বোলো শাস্ত্ৰই কোৱামতে এসিকিত এজনীকৈ গৰু পোৱা হলে ৰৰগুৱালে ছুসেৰ গাখীৰ বেচি এজনীকৈ গৰু ললেহেঁতেন।" কিন্তু এই বৰ্ণনাকো চেৰ পেলাই হাস্যৰসে চূড়ান্ত ৰূপ পাইছে ডেকা সত্ৰাধিকাৰে প্ৰকাণ্ড বৰালী মাছটোৰ ফিচাৰ ফালৰ ছুচকলমান বেলেষ্টৰহঁতক দি "ৰাকী গোটেই বৰালী মাছটো ভাতৰ মাজতে লৈ গৎ লগোৱা" বৰ্ণনাত। এনে কাৰ্য্যত মনে মনে অসন্তুষ্ট গোৱায়ে খাই থাকোতে কেৰাহি কেৰাহিকৈ চাই কৈছে—"পৰম্ভুৰ ভাগত মাছ তেনেই তাকৰীয়া হল যেন পাওঁ।"

ইংৰাজী শব্দবোৰৰ উচ্চাৰণ বেলেষ্টৰৰ মুখত সুন্দৰ শুনি—ইস্তিন্দিং কুম্পানী, পচেছন, ফেলেগ, বেচ ( এৰেষ্ট ) ইত্যাদি। কঠিন অসমীয়া শব্দৰ উচ্চাৰণ—"ছুচোনমান পঢ়ি" "বন্দে মাত্ৰম" গায় ইত্যাদি।

কিন্তু এই সকলোবোৰৰ উপৰিও আটাইতকৈ আকৰ্ষণীয় চৰিত্ৰটি হ'ল বেলেষ্টৰ মানুহজন। অন্য যুগ অন্য পুৰুষ ডেকা চামে মন দি পঢ়া উচিত। অতীত অসমৰ গাৱলীয়া জীৱন-ধাৰাৰ এখনি সপোন

সপোন লগা বৰ্ণনা ইয়াত আছে। শেষত গুৱাহাটী বুক ষ্টলৰ নাম নললে নহয়। গুৱাহাটী বুক ষ্টলে প্ৰকাশ কৰা কিতাপবোৰক নিজৰ সন্তানৰ দৰে ধুনীয়াকৈ সজাই ভাল পায়।

—**ৰমেশ পাঠক**

**[ এজন পাঠকৰ দৃষ্টিৰে ]**

॥ ৬ ॥ **ৰঙা কৰবীৰ ফুল ঃ** অসমৰ ৰাজনীতি, সাহিত্য দুয়ো দিশতে সমানে থিয় হোৱা শ্ৰদ্ধেয় হেমবৰুৱা দেৱৰ ভ্ৰমণ কাহিনী "ৰঙা কৰবীৰ ফুল" পঢ়িছিলো। নিজে ৰঙা কৰবী ফুলৰ পুলি কৰৰ যোগ্যতা নাই। কিন্তু বৰুৱাদেৱৰ ৰঙা কৰবীৰ ফুল শুঙি চোৱাৰ আৰু শুঙি কিমান ভাল পালোঁ— তাক ক'বলৈও যোগ্যতা নাই। তথাপি ক'বৰ যেতিয়া মন যায়—তেন্তে পেটত ৰাখি থোৱাও ভাল নহয়। গতিকে কলম হাতত ল'লো।

হেমবৰুৱা ঃ এই নামটো বহুদিনৰ পৰাই শুনিছোঁ। "নতুন অসমীয়া" কাকতত হেমবৰুৱা দেৱৰ ভ্ৰমণ-কাহিনী পঢ়া মনত আছে। কিতাপ আকাৰে ওলোৱাৰ পিচতো পঢ়িছোঁ। "ৰঙা কৰবীৰ ফুলৰ" "মিনতি"ত তেখেতে কৈছে—"নতুন কথা শিকিবলৈ যত্ন কৰিম। মনৰ পৰিধিয়ে বিস্তৃত লাভ কৰিব। ......" আমাৰ ভাষাত ভ্ৰমণ কাহিনীৰ সংখ্যা তাকৰ। তেখেতৰ ভাগ্যই বাহিৰৰ বহু দেশ চাবলৈ তেখেতক সুবিধা দিছিল। তেখেতে দেশ চাই— কি দেখিলে—মনোৰম বৰ্ণনাৰে আমাক জনালে। পৰ্ব্বত দেখিবলৈ দূৰৰ পৰা শুৱনি। আমি দূৰলৈ নগৈ বা যাবলৈ নাপাই তেখেতৰ লিখনিৰ মাজেদি নীলা সাগৰৰ সিপাৰৰ দেশবোৰৰ কথাবোৰ পঢ়িবলৈ পাইছোঁ। তেখেতে কৈছিল,—"এটা তীক্ষ্ণ অনুসন্ধানী মন লৈ চালে তৎক্ষণাত বহুত কথাই জানিব পাৰি।" সেই কথাষাৰ তেখেতৰ "সাগৰ দেখিছা" বা "ৰঙা কৰবীৰ ফুল"তেই দেখিছোঁ। সেইবাবে এজন সাধাৰণ পাঠক হিচাবে মই ক'ব খুজিছো যে "ৰঙা কৰবীৰ ফুল" অসমীয়া সাহিত্য কাননৰ—এপাহি অতি সুগন্ধি পুষ্প।

কবিপ্ৰিয়াৰ খোপাৰ ৰঙা কৰবীৰ ফুলটিলৈ মনত পেলাই বৰুৱা ডাঙৰীয়াই "মস্কো বহুত দূৰ" শিতানেৰে "ৰঙা কৰবীৰ ফুল" আৰম্ভ কৰিছে। "ৰাণী অৱ বিজাপুৰ" উৰাজাহাজখনত উঠি তেখেতে ভাৰত এৰে—তেতিয়াৰ পৰাই কথা আৰম্ভ হৈছে। কবিগুৰুৰ কল্পনাৰ কাবুলীৱালা আৰু সৰু ছোৱালী-জনীৰ কথা লিখকৰ মনলৈ আহিছে। হঠাতে লাই-লাই কাবুলৰ কথা ক'লে। লগে লগে লিখকে কাবুলীৱালাৰ প্ৰসঙ্গটো সামৰিছে এটি ধুনীয়া বাক্যৰে।—"সেই বুলি দড়ীয়া 'মন্ত্ৰীবৰ আজানৰ' ৰঙা গালৰ হটঙাহটঙ কাবুলীয়ালাবোৰ চকুত পৰা নাছিল।" মস্কো চহৰত ব্যস্ত দিন এটাত লিখকে মাস্তনিশাৰ মহানগৰীৰ পৰিবেশ লক্ষ্য কৰি সময়ে ৰগা কৰিব খোজা চুলি কিডালমৈকো হাত নিছে। এইয়া হেম বৰুৱাৰ লিখাৰ বাহাদুৰী। মূলকথাৰ লগতে কবিতাৰ কলি একোটা দি কিতাপখন অতি মনোৰম কৰি তুলিছে। বৰ সৰু কথাও বাদ দিয়া নাই; যেনে—দোভাষী যুৱতী গৰাকীয়ে সুন্দৰ প্ৰতিশব্দ কণ্ঠতে এজনে দিয়া উত্তৰটোও পাহৰা নাই। ৰুছ ভাষাত "ৰেড"ৰ ৰুছীয় প্ৰতিশব্দৰ অৰ্থ হৈছে সুন্দৰ। এতিয়া অৱশ্যে ইয়াৰ অৰ্থই ৰাজনৈতিক ৰহনৰ প্ৰতিকৃতি গ্ৰহণ কৰিছে। এই



দিনৰ পৰাই ইয়াৰ অৰ্থ আজি অধিক স্পষ্ট আৰু বুৰঞ্জীসম্মত হৈছে। দোভাষী ছোৱালীজনীয়ে ইয়াৰ প্ৰতিশব্দ "সুন্দৰ" বুলি কোৱাৰ লগে লগেই আমাৰ মাজতে এজনে উচ্ছ্বাসত কৈ পেলাইছিল ঃ "যেনে তুমি।" লিখকৰ শব্দ বাচনিও মন কৰিব লগা। আগৰ বাক্যটোত উচ্ছ্বাসত শব্দটোৱে বাক্যটো মধুৰ কৰি তুলিছে। তুলনাৰে কথাবোৰ কৈ গৈছে। কবিতা কবিতা লগা বাক্যবোৰ ভাল লাগে। কিতাপখনৰ বিষয়ে নিজে ক'বলৈ গৈ একো বিচাৰি নেপাও দেখোন। আকৌ তেখেতে লিখা বাক্য এটাকে ক'বৰ মন গ'ল—

"এনেয়ে ৰঙা গাল,—তাতে লাজত ৰঙা পৰি আৰু অলপ ৰঙা আৰু সুন্দৰ হৈ পৰিছিল। ছোৱালীজনী সঁচাই ধুনীয়া,—লাহী।"

চেণ্ট্ৰেল লেনিন মিউজিয়াম চাই লিখকে সেই সম্পৰ্কৰ এটি—বুৰঞ্জীমূলক দৃশ্য আমাক উপভোগ কৰোৱাইছে। নিজে নগৈও যোৱাৰ অভিজ্ঞতা যেন লাগিছে। সেয়েহে তেখেতে কৈছিল, "এইবোৰ যে পুলকভৰা অভিজ্ঞতা।" ১৬ পৃষ্ঠাৰ শেষত ভাগ্যক বিশ্বাস কৰি ষ্টেলিনৰ কথাও কৈছে।

বহুতে কয়—হেমবৰুৱাই বোলে নিজৰ কথা লিখে আৰু বৰ বেচি উদ্ধৃতি দিয়ে। কিন্তু উদ্ধৃতিৰে ৰঙা কৰবীৰ গোন্ধ যে তীব্ৰ কৰি তুলিছে—তাকনো আৰু অস্বীকাৰ কৰোঁ কেনেকৈ? ৰাতিপুৱা কোনো জগাবলৈ নাই যদিও ঠিক সময়তে সাৰ পায়। তাক আকৌ কবিতা এফাঁকিৰে ৰিজাইছে। লিলিয়ে মস্কোৰ লগৰীয়া হৈ বৰুৱা দেৱৰ কবি মনটো জীয়াই ৰাখিলে। ইংৰাজী, অসমীয়া, বঙলা কবিতাবোৰ ওলাবলৈ বোধকৰো লিলিয়ে অদৃশ্যভাৱে সহায় কৰিলে। ২৫ পৃষ্ঠাত গাইডৰ বিশ্লেষণ কৰি কবিৰ মনলৈ আহিল কবিতা। মস্কোৰ ঘণ্টা দেখি আকৌ ল'ৰাকালৰ কথা মনত পৰিল। ভ্ৰমণ-কাহিনী পঢ়ি আমনি পোৱা লোকে এনেদৰে মাজে মাজে পালে নিশ্চয় আমনি ক'ৰবালৈ যাব। লিখকৰ এনেধৰণৰ বৰ্ণনা তেখেতৰ আন কিতাপতো পাওঁ। আৰু এনে কিছুমান উদাহৰণেৰে কথাটো প্ৰকাশ কৰে যে তাক পাহৰাই টান। কিছুমান কিতাপ পঢ়িলে পাহৰি যোৱা যায়। কিছুমান কিতাপৰ কথা আকৌ মনত থাকে। "ৰহাগতে পাতি যাওঁ বিয়া" নামৰ গ্ৰন্থত "যুৰীয়া জীৱন ঃ সমাজ-বুৰঞ্জী" নামৰ অধ্যায়টিত অবৈধ সন্তান যে প্ৰতিভাৰ অধিকাৰী হোৱাটো সম্ভৱ—তাক কৰ্ণ, ব্যাসমুনি, বিদুৰ আদিৰ নাম উল্লেখেৰে কথাষাৰৰ সত্যতা দৃঢ় কৰিবলৈ যত্ন কৰিছে। মনত থকা কথা কৈছো ৰাবে এই উপমাটো দিলে।

লিখকৰ স্মৃতিশক্তি বৰ চোকা। মস্কোৰ কলা শিল্পৰ সম্পৰ্কে আলোচনা আৰম্ভ কৰিয়েই সৰু-কালত "ব্লু বাৰ্ড" পঢ়াৰ কথা উল্লেখ কৰিছে। কিতাপখনত ৰুছিয়াৰ মঞ্চবোৰৰ আঁৰ-কাপোৰত লিখা ধুনীয়া বাক্য দুটা লিপিবদ্ধ কৰা হৈছে। বাক্য দুটা হৈছে এই ঃ "লুণ্ঠনৰ আন এটা নাম হৈছে নিষ্কৰ্ম্মা জীৱন। বৰ্বৰতাৰ আন এটা নাম হৈছে কলাহীন কৰ্ম্ম-সাধনা।" আৰ্টৰ সম্বন্ধে চাই-মেলি যুদ্ধতে ৰুছদেশৰ প্ৰচাৰ কাৰ্য্য যে কলাত পৰিণত হৈছে তাক লক্ষ্য আমাৰ বৰুৱা ডাঙৰীয়াই নকৰাকৈ থকা নাই। "আকাশত উদাৰ নিমন্ত্ৰণ" অধ্যায়ত মঞ্চ সম্পৰ্কৰ এটা নিৰ্ভীক আলোচনা আমি পঢ়িবলৈ পাইছোঁ। মঞ্চবোৰৰ ক্ৰমবিকাশ, সংস্কৃতিৰ প্ৰতি সেইদেশৰ জনসাধাৰণৰ আগ্ৰহ, বেলে-নৃত্য আদিৰ কথা ভালদৰে উপলব্ধি কৰিব পৰা হয়।

লিখকে নিজে যেনেকৈ কিতাপ পঢ়ি ভাল পাই, ঠিক তেনেকৈয়ে ভ্ৰমণ কৰোঁতেও তেনে মানুহ লগ পাইছে। চোভিয়েট ৰুছিয়াৰ মানুহে কিতাপ পঢ়ে। তেওঁলোকৰ কিতাপ পঢ়াৰ প্ৰতি যথেষ্ট আগ্ৰহ আছে। অৱশ্যে তেনে কিতাপ পঢ়াৰ আগ্ৰহ যুক্তৰাষ্ট্ৰতো আছে বুলি লিখকে কৈছে। এই কিতাপ পঢ়াৰ কথাটো দেখি লিখকৰ বৰ ভাল লাগিছে; লগে লগে,—লাইব্ৰেৰীৰ পৰা যে মানুহৰ এই আগ্ৰহ হৈছে—তাক লিখকে কৈছে আৰু এটি লাইব্ৰেৰীৰ সম্পৰ্কত এটি সুন্দৰ বৰ্ণনা আগবঢ়াইছে। আকাশত উদাৰ নিমন্ত্ৰণ অধ্যায়টো সামৰণি মাৰিলে। সেই দিনা লিলিক ফুল এথোপা কিনি দিয়াৰ কথা কৈ কবিতা এফাঁকি গাইছে।

“You gave me the hyacinths first
a year ago,
They called me the hyacinth girl.”

“পাতৰ আঁৰৰ পোহৰ” অধ্যায়টোত হেম বৰুৱা দেৱৰ কবি-মনটো অধিক সজীৱ হৈ উঠা দেখা যায়। কৃষি প্ৰদৰ্শনী চাবলৈ গৈছিল। প্ৰদৰ্শনীৰ ভিতৰ সোমাল। লিলি লগত আছেই। প্ৰদৰ্শনীৰ দুৱাৰ মুখত আন এগৰাকী যুৱতী বৈ আছিল। সেই যুৱতী গৰাকীয়েই প্ৰদৰ্শনীৰ “গাইড”। লিখকৰ মনলৈ আহিল ভিবেকৰ কবিতা। এজনত ইতিহাসৰ ছাত্ৰৰ দৰে প্ৰদৰ্শনীখন বৰ্ণনা কৰিছে। লগে লগে ৰাজনৈতিক নেতা হিচাবে ৰাজনীতিৰ মনেৰেও দৃশ্যবোৰ চাইছে।—· ·কৃষি পামৰ উপাৰ্জনৰ এটা ভাগহে তাৰ বনুৱাক দিয়া হৈছে।

“দাস্তদনিয়া” অধ্যায়টোত লেনিনগ্ৰেড চহৰৰ যাত্ৰাত হোৱা বৰযুণনৰ শব্দৰ বৰ্ণনা দিছে। শকুন্তলাৰ কথাও মনত পেলাইছে। কৰ্ম্মব্যস্ত চোভিয়েট ৰুছিয়াৰ কাম কৰা মানুহৰ কাম অনুপাতে কম তাক লিখকে লক্ষ্য কৰিছে। লিলিয়ে যেতিয়া শেষ সময়ত উৰাজাহাজখন দেশলৈ বুলি ঘূৰিবৰ সময়ত বিদায় সম্ভাষণ জনাইছিলহি—সেই দৃশ্যৰ এটিৰ সুন্দৰ বৰ্ণনাৰে লিখকে “ৰঙা কৰবীৰ ফুল”ৰ সামৰণি মাৰিলে।

ৰিল্কৰ কবিতাৰে শেষ হ’ল।—

“I have said farewell,
Farewell upon farewell.
No dying soul could bid more
Sure farewells.”

ৰঙা কৰবীৰ ফুল কেইবাবাৰো পঢ়িছোঁ। আকৌ পঢ়িবৰ মন যায়। মই ভাল পোৱা কেইখনমান কিতাপৰ ভিতৰত ৰঙা কৰবীৰ ফুলো এখন। হেম বৰুৱাই নিজে দেশ চাই তাৰ সোৱাদ আমাকো দিছে। অসমীয়া সাহিত্যত ৰঙা কৰবীৰ ফুলে এখন ওখ আসন লাভ কৰি থাকিব। ই সঁচা কথা। কিতাপখন প্ৰকাশ কৰিছে লয়াৰ্ছ বুক ষ্টলৰ শ্ৰীবিচিত্ৰনাৰায়ণ দত্তবৰুৱাই। প্ৰথম প্ৰকাশ—১৯৫৯ চনৰ জানুৱাৰী। মূল্য দুই টকা। কলিকতাৰ নৱজীৱন প্ৰেছত ছাপা কৰোৱা হৈছে।···ছোৱালীৰ কথা থাকিলেও সঁচা ছোৱালীৰ সঁচা কথাই ৰঙা কৰবীৰ গোন্ধ সদায় বিয়পাই থাকিব।

—ৰাম গোস্বামী



# ॥ সম্পাদকীয় ॥

**ব্ৰজেন বৰুৱাৰ মৃত্যুত**

যোৱা ২৮ জুন তাৰিখে অসমৰ খ্যাতনামা বোলছবি শিল্পী ব্ৰজেন বৰুৱাৰ পৰলোক প্ৰাপ্তি ঘটিল। আজি কেই বছৰ মানৰ পৰা অসমৰ নাট্য আৰু বোলছবি জগতৰ উজ্জ্বল তৰাবোৰ এটি এটিকৈ স্তিমিত হৈ আহিছে। বিষ্ণু ৰাভা, ফণী শৰ্ম্মা, সৰ্বেশ্বৰ চক্ৰবৰ্ত্তী, ব্ৰজেন বৰুৱা ইত্যাদি অভিনয় জগতৰ শিল্পীসকলৰ মহাপ্ৰস্থানে অসমৰ নাট্য আৰু বোলছবি আন্দোলনৰ অভাৱনীয় ক্ষতি কৰিছে। এই ক্ষতি পূৰণ কৰিবলৈ অসমৰ উদীয়মান অভিনয় তাৰকা সকলৰ বহু কষ্ট আৰু বহু সাধনাৰ প্ৰয়োজন হ’ব। আজিও চালুকীয়া অৱস্থাতেই থকা অসমৰ বোলছবি শিল্পক সৰ্বভাৰতীয় স্তৰলৈ নিবলৈ সেই কষ্ট আৰু সাধনাত কৰ্মৰত নাট্য আৰু বোলছবি শিল্পীসকল ব্ৰতী হ’বই লাগিব। জনসাধাৰণৰ দৃষ্টিত মৃত্যুমলিন ব্ৰজেন বৰুৱা মৃত্যুৰ বাহুবন্ধনত উজ্জ্বলহৈ গতি কৰিলে। সেই উজ্জ্বল ৰূপৰ অমৰ সৌন্দৰ্য্য অসমীয়া শিল্পীসকলে শিল্পৰ মাজত সজাই তোলক, এয়ে আমাৰ কামনা।

ব্ৰজেন বৰুৱা একেধাৰে সঙ্গীতজ্ঞ, নাট্যকাৰ অভিনেতা, চিত্ৰপৰিচালক আছিল। তেওঁৰ শিল্প সাধনাৰ মাজেৰে মানুহৰ জীৱন আৰু বাস্তৱক স্বীকাৰ কৰি গৈছে। ডঃ বেজবৰুৱা, মুকুতা, ললিতা প্ৰতিখন ছবিতেই মানৱ জীৱনৰ বাস্তৱ চিত্ৰ সুস্পষ্ট হৈ উঠিছে। পৰিচালকে ছবিৰ মাজেৰে প্ৰকৃত শিল্পৰ নমুনা দাঙি ধৰিছে। অসমৰ দুৰ্ভাগ্য এই তৰুণ শিল্পী গৰাকীয়ে পাতনিহে মেলিছিল মাথোন, কিন্তু গভীৰলৈ যোৱাৰ সুযোগ নোপাওঁতেই কালৰ হাতত বন্দী হ’ল। ব্ৰজেন বৰুৱাৰ আত্মাৰ সংগতি হওক!

**ভাষা আৰু সাহিত্য**

আমাৰ দেশৰ ভাষাতত্ত্ববিদ আৰু সাহিত্যিক-সকলৰ মাজত এটি আন্তৰিক দ্বন্দ্ব পৰিলক্ষিত হয়। এই কথা সঁচা যে ভাষাৰ মাধ্যমেৰে সাহিত্যৰ জন্ম আৰু প্ৰসাৰ ঘটে। সেই বুলি ভাষা আৰু সাহিত্যৰ মাজৰ পাৰ্থক্য অস্পষ্ট নহয়। ভাষাই সাহিত্য নহয়, ভাষাৰ উন্নত স্তৰহে সাহিত্য। ভাষাৰ পৰিসৰৰ এটা সীমাবদ্ধতা আছে; কিন্তু সাহিত্যই কোনো স্থানীয় আনকি দেশীয় সীমাবদ্ধতাও নামানে। এই সূক্ষ্ম কথাখিনি বুজিবলৈ চেষ্টা নকৰাৰ ফলতেই সাহিত্যৰ গাত দোষাৰোপ কৰি ভাষাৰ ভিত্তিত মনোমালিন্যৰ সৃষ্টি কৰিবলৈ আমি কুণ্ঠাবোধ নকৰো।

কিছু দিনৰ আগতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম সংক্ৰান্তত গোটেই অসমজুৰি এটি আলোৰণৰ সৃষ্টি হয়। কিন্তু, যেতিয়া বিশ্ববিদ্যালয়ৰ একাডেমিক কাউন্সিলে অকল অসমীয়া ভাষাক (দহ বছৰলৈ ইংৰাজী আনুসঙ্গিক মাধ্যম হিচাবে

ৰাখি ) একমাত্ৰ মাধ্যম হিচাবে গ্ৰহণ কৰিলে সেই আলোৰণ শাম কাটিল যদিও এক নতুন আলোৰণৰ সৃষ্টি হ'ল কাছাৰৰ বাংলাভাষীসকলৰ মাজত। এই সন্তুষ্টি আৰু অসন্তুষ্টিৰ মাজত জৰিত হৈ থকা মূল পৰিস্থিতিটো এবাৰ ফহিয়াই চোৱা উচিত।

অসমত থকা গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয় দুখন মূলতঃ কেৰালা, পঞ্জাব, বিহাৰ, পশ্চিমবঙ্গ ইত্যাদি ৰাজ্যৰ জনসাধাৰণৰ শিক্ষাৰ বাবে প্ৰতিষ্ঠিত হোৱা নাই। প্ৰতিষ্ঠিত হৈছে, অসমৰ জনসাধাৰণৰ শিক্ষাৰ বাবেহে। এই বিশ্ববিদ্যালয় দুখন গুৱাহাটী বা ডিব্ৰুগড়, কামৰূপ বা শিৱসাগৰ, ব্ৰহ্মপুত্ৰ উপত্যকা বা সুৰমা উপত্যকা ইত্যাদি কোনো ঠাই, জিলা বা অঞ্চলক ভিত্তি কৰি স্থাপিত হোৱা নাই। অসমৰ জনসাধাৰণৰ শিক্ষা বিস্তাৰৰ বাবে তাৰ জন্ম। শিক্ষাৰ মাধ্যমৰ ক্ষেত্ৰত এই নীতি উৎকল, পাটনা, কুৰুক্ষেত্ৰ, ভাগলপুৰ, গোৰখপুৰ ইত্যাদি সকলো বিশ্ববিদ্যালয়তে মানি চলা হৈছে। এতেকে গুৱাহাটী বিশ্ববিদ্যালয়তে সেই নিয়ম মানি লোৱাত কোনো শ্ৰেণীৰ মানুহৰেই অসন্তুষ্টি নিষ্প্ৰয়োজন।

অসমত বিভিন্ন ভাষাভাষী লোক আছে, যিদৰে আছে পশ্চিমবঙ্গ, উৰিষ্যা, মহাৰাষ্ট্ৰ তামিলনাডু সকলোতে। সেইবোৰ ঠাইত যদি তাৰ ঠাইৰ বিশ্ববিদ্যালয়বোৰৰ শিক্ষাৰ মাধ্যম হিচাবে গৃহীত নোহোৱা ভাষাভাষীসকলৰ অসন্তুষ্টিৰ কাৰণ নাথাকে, অসমত অসন্তুষ্টি কিয়? এয়া হ'ল এই অসন্তুষ্ট সকলৰ অহৈতুক ভাষাগত গোড়ামি। দেশীয় স্বাৰ্থত আমি সেইবোৰ এৰিব লাগিব।

বাংলা সাহিত্যই আজি বিশ্বসাহিত্যৰ উল্লেখনীয় অঙ্গ হৈ উঠিছে। এই উন্নতিত প্ৰতিজন ভাৰতীয়ৰেই গৰ্বৰ কাৰণ আছে। ৰবীন্দ্ৰনাথ বাংলা ভাষাৰ মাধ্যমেৰে সাহিত্য ৰচনা কৰিলেও তেওঁ বাঙালী জনসাধাৰণৰেই নহয়, সমগ্ৰ ভাৰতৰেই গৌৰৱ। কাৰণ, ৰবীন্দ্ৰনাথে সাহিত্যৰ মহত্বৰ যোগেদি পশ্চিমবঙ্গ, ভাৰত সকলোৰে সীমা চেৰাই গৈ বিশ্বৰ বুকুত সুপ্ৰতিষ্ঠিত হৈছে। ৰবীন্দ্ৰনাথৰ লেখনিসমূহ সাহিত্য নহৈ ভাষা হোৱা হ'লে বিশ্ব-সাহিত্যৰ পাঠকে হৃদয়ত সুমুৱাই লোৱাৰ কথা ইমান ঐকান্তিকভাৱে নাভাবিলেহেঁতেন।

### অসমীয়া গ্ৰন্থ প্ৰকাশ আৰু চৰকাৰী পৃষ্ঠপোষকতা

অসমীয়া সাহিত্যত এক চিৰন্তনীয় বিষয় হৈ উঠিছে যে প্ৰকৃতাৰ্থত যিসকল সাহিত্যিক সেই সকলে ৰচনা কৰা গ্ৰন্থৰ পাণ্ডুলিপিৰ পাত পোকৰ আহাৰ হৈ জহি যায় অথচ এদিনো পাণ্ডুলিপি হিচাবে বাকচ বা আলমাৰীত বাগৰি থাকিব নলগাকৈয়ে পাঠকৰ মনৰ খোৰাক যোগাই আহিছে অজস্ৰ অশ্লীল চিত্ৰ আৰু চৰিত্ৰেৰে ভৰা আঙ্গিক বা গঠনবিহীন গল্প আৰু উপন্যাস নামধাৰী গ্ৰন্থ। সুপ্ৰতিষ্ঠিত সাহিত্যিকসকলৰ দ্বাৰা ৰচিত গ্ৰন্থ গ্ৰন্থকাৰৰ অনুৰোধ এৰিব নোৱাৰা প্ৰকাশকৰ দ্বাৰা প্ৰকাশিত হৈ ওলালে সেইবোৰ বিক্ৰী নহৈ বছৰৰ পাচত বছৰ জুৰি দোকানত বাগৰি থাকে। ফলত প্ৰকৃত সাহিত্যৰ সোৱাদৰ পৰা পাঠক বঞ্চিত হয়, সাহিত্যিক আৰু প্ৰকাশকেও তাৰ দ্বাৰা আৰ্থিকভাৱে লাভবান নহয়। আনফালে অনামী, কেতিয়াবা বেনামী লেখকসকলে অনুপযুক্ত ৰচনাৰে ঘটে অনেক অৰ্থ সম্পদ।

দেখা যায়, বজাৰত গভীৰ সাহিত্যৰ গ্ৰন্থ



যিকেইখন বিক্ৰী হয়, তাৰ ক্ৰেতাসকল প্ৰধানকৈ সাহিত্যিক আৰু কিছু সংখ্যক শিক্ষক আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ। অতি আচৰিত কথা, অকল ড্ৰইং-ৰুমৰ সৌন্দৰ্য্যৰ বাবে গ্ৰন্থৰ আলমাৰী একোটা মানুহক দেখুৱাই তৃপ্তি পোৱা আৰ্থিক দিশত টনকিয়াল সম্ভ্ৰান্ত লোক, সাহিত্য সভাৰ বিষয়বাবৰ আকাঙ্ক্ষা কৰি হেতা-ওপৰা লগোৱা বা দৰ্শকৰ সমুখৰ আসনবোৰ অধিকাৰ কৰা সভা-শুৱনি ব্যক্তি, ৰাজনীতিত জৰিত লোকৰ প্ৰায় ভাগেই আৰু মন্ত্ৰী, এম-এল-এৰ লগত হলি-গলি কৰি সমাজসেৱকৰ ভেশচন লোৱা লোকসকলে এই গ্ৰন্থবোৰ কিনি গ্ৰন্থকাৰৰ আৰ্থিক উন্নতি আৰু গ্ৰন্থ ব্যৱসায়ৰ উন্নতিৰ কথা কেতিয়াও নাভাবে। গ্ৰন্থৰ ক্ৰেতাসকলৰ মাজত সংচিন্তা কৰা প্ৰৌঢ় দাৰ্শনিক লোক অৱশ্যে দুই-এজন নথকা নহয়। মহিলা আৰু তৰুণ-তৰুণীসকলৰ মাজত বৰ্ত্তমান বহুসংখ্যক পাঠকৰ সৃষ্টি হৈছে যদিও এই সকলৰ বেছি ভাগেই হ'ল অশ্লীল তৰল গ্ৰন্থৰহে পাঠক।

অসমীয়া সাহিত্যিক, প্ৰকাশক আৰু পাঠকৰ মাজত এই পৰিস্থিতিৰ অৱসান নঘটিলে অসমীয়া সাহিত্যৰ উন্নতি আৰু তাৰ বিশ্বজনীন উদ্দেশ্য সাধন সম্ভৱ নহব। এই উদ্দেশ্য সফল কৰিবলৈ অন্ততঃ তিনিটামান কথা চিন্তা কৰিব পৰা যায়। প্ৰথম, ইতিমধ্যে স্বীকৃত অসমীয়া নবীন-প্ৰবীণ সাহিত্যিকসকলৰ গ্ৰন্থৰাজিৰ কমেও আঢ়ৈ হেজাৰ খনকৈ গ্ৰন্থ চৰকাৰে ক্ৰয় কৰি পুথিভঁৰালবোৰলৈ পঠাব লাগে। দ্বিতীয়তে, চৰকাৰে ৰাজ্যিক আৰু জিলা ভিত্তিত অসম সাহিত্য সভাৰ সহযোগত উপযুক্ত ব্যক্তিৰে পৰিষদ গঠন কৰি তাৰ যোগেদি পাণ্ডুলিপিৰ প্ৰকাশৰ উপযুক্ততা পৰীক্ষা কৰোৱাৰ ব্যৱস্থা থাকিব লাগে। এই পৰিষদে যাতে গ্ৰন্থকাৰৰ সৃষ্টি স্বাধীনতাত হাত নিদিয়াকৈ প্ৰত্যেক তিনি মাহৰ মূৰে মূৰে প্ৰকাশৰ উপযোগী পাণ্ডুলিপিৰ তালিকা প্ৰস্তুত কৰিব পাৰে আৰু পৰিষদে মঞ্জুৰ নকৰা কোনো গ্ৰন্থই যাতে প্ৰকাশ পাব নোৱাৰে তাৰ ব্যৱস্থাও কৰিব লাগিব। প্ৰথম অৱস্থাত এই কাম জটিল যেন লাগিলেও শেষলৈ অনুপযুক্ত অশ্লীল গ্ৰন্থ বাধা হৈ লিখিবলৈ এৰিলে এই পৰিষদে উপযুক্ত গ্ৰন্থ সৃষ্টি আৰু গ্ৰন্থ-ব্যৱসায় শিল্পৰ উন্নতি সাধন কৰাত কৃতকাৰ্য্য হ'ব। তৃতীয়তে, অসম চৰকাৰে অসমীয়া সাহিত্যৰ মৌলিক কাব্য, গদ্য আৰু নাট্য-সাহিত্যৰ শ্ৰেষ্ঠতা অনুসৰি প্ৰতি বছৰে তিনিটাকৈ পাঁচহেজাৰ টকীয়া ৰাজ্যিক সাহিত্যিক ব'টা দানৰ ব্যৱস্থা কৰিব লাগে।

এই ব্যৱস্থা গ্ৰহণ কৰিলে অসমীয়া গভীৰ সাহিত্যৰ সৃষ্টি বৃদ্ধি হ'ব। অসমৰ সাংস্কৃতিক দিশৰ ঐতিহ্য আমাৰ দেশ আৰু বিদেশতো বিস্তাৰিত হ'ব আৰু লেখক আৰু প্ৰকাশকৰ সদিচ্ছা আৰু পুথিভঁৰাল আন্দোলনৰ উদ্দেশ্য বহু পৰিমাণে পূৰণ হ'ব।

### অসমত শিল্পী-সাহিত্যিকৰ বৃত্তি

এইবাৰ চিলিদেশৰ কবি পাব্লোনেৰুদাই সাহিত্যত নবেল ব'টা লাভ কৰিছে। নেৰুদা বৰ্ত্তমান পেৰিচস্থ চিলিৰ ৰাষ্ট্ৰদূত। জনা যায়, সাহিত্য প্ৰতিভাৰ শ্ৰেষ্ঠতাৰ বাবে নেৰুদাক এনে গুৰুত্বপূৰ্ণ পদবীত নিযুক্তি দিয়া হৈছে। ই পৃথিৱীৰ সকলো সাহিত্যিক আৰু সাহিত্য প্ৰেমীৰেই গৌৰৱৰ বিষয়। সাহিত্যিক হিচাপে এনেকুৱা গুৰুত্বপূৰ্ণ পদবীত অধিস্থিত আন এগৰাকী নবেল ব'টা বিজয়ী

কবি আছিল গ্ৰীকদেশীয় ৰাষ্ট্ৰদূত জৰ্জ চেফাৰিচ। অক্সফোৰ্ড বিশ্ববিদ্যালয়ত 'কাব্যৰ অধ্যাপক' নামৰ এটি বৰ সন্মানজনক পদৱী আছে। এই পদত অধিষ্ঠিত হয় ইংলণ্ডৰ বিখ্যাত কবি-সকলৰ কোনোবা এগৰাকী। ৱেষ্টান হিউ অ'ডেন, চি. এম. বাওৰা ইত্যাদি বিখ্যাত কবিসকলে সেই পদৱী অলঙ্কৃত কৰি আহিছে। এই আটাইবোৰ উক্ত চৰকাৰসমূহৰ সাহিত্য-সংস্কৃতিৰ প্ৰতি থকা অপৰিসীম শ্ৰদ্ধা আৰু সুসংস্কৃত ৰাষ্ট্ৰীয় চিন্তাধাৰাৰ উদাহৰণ।

অসমৰ কবি দেৱকান্ত বৰুৱা বিহাৰৰ ৰাজ্যপাল। এই কথা শুনিবলৈ ভাল লাগে। কিন্তু, দেৱকান্ত বৰুৱাই কবিতা লিখিবলৈ এৰিলেই বুলিব পাৰি। ৰাজনীতি নকৰি কবিতা লিখি থকাহেঁতেন নিশ্চয় দেৱকান্ত বৰুৱাই ৰাজ্যপালৰ পদৱী অলঙ্কৃত কৰিব নোৱাৰিলেহেঁতেন। ইয়াত আনন্দৰ মধুৰতাতকৈ বেদনাৰ গভীৰতাহে অধিক।

আজীৱন সাহিত্য চৰ্চ্চা কৰি অহা শ্ৰীমতী নলিনীবালা দেৱীকে আদি কৰি কেই গৰাকীমান সাহিত্যিকক অসম চৰকাৰে যৎকিঞ্চিৎ সাহিত্যিক পেন্সনদি মহত্ব প্ৰকাশ কৰিছিল। কিন্তু, এতিয়া জানিব পৰা হৈছে যে সেই সকলৰ বেছি ভাগেই নানা চৰকাৰী অজুহাতত সেই পেন্সন পোৱা নাই। আপত্তি দৰ্শাই জনোৱাতো সেই বিষয়ত উপযুক্ত সহাৰিৰ অভাৱ বুলি শুনা যায়। এইবোৰ উদাহৰণে ইয়াকে সূচায় যে অসমত সাহিত্যিকসকলৰ প্ৰতি চৰকাৰে সন্মান প্ৰদৰ্শন কৰাৰ ভাব দেখুৱালেও ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰায়েই উদাসীন।

ইজৰাইলৰ কবি আগনন যি ঠাইত বসবাস কৰে তাৰ ওচৰৰ প্ৰায়বোৰ ৰাস্তাতেই চৰকাৰে লিখি থৈছে : "নীৰৱে যোৱা, আগননে কাব্য ৰচনা কৰি আছে।" এই সন্মান অতীব অভূতপূৰ্ব। আমাৰ দেশত কেইজন সাহিত্যিক-শিল্পী আধাপেটী আছে তাৰো খবৰ চৰকাৰে নাজানে, জানিবলৈ সুযোগ নাপায়। এনে সন্মানজনক ব্যৱস্থা আমাৰ দেশত কল্পনাৰো অতীত।

ওপৰৰ কথাবোৰ বাদেই দিছোঁ। যিখন দেশত সাহিত্য চৰ্চ্চাক বৃত্তি হিচাপে লৈ জীৱিকা নিৰ্বাহ কৰিব নোৱাৰি তাত সাহিত্যিকে বাধ্য হৈ চাকৰি কৰে। অসমৰ আধুনিক সাহিত্যিকসকলৰ মাজত অধিক সংখ্যকেই কলেজৰ শিক্ষক আৰু সাংবাদিক, বাকীবোৰৰ কিছু সংখ্যক সাধাৰণ প্ৰসাশন বিভাগৰ লোক। অন্যান্য দুই-এজনৰ ভিতৰত আছে হাইস্কুলৰ শিক্ষক আৰু পুলিচ শুল্ক আৰু শিক্ষা-বিভাগৰ বিষয়া। সাহিত্যিকসকলৰ জীৱিকা নিৰ্বাহৰ ৰীতি আৰু পদ্ধতি অন্যান্য লোকৰ তুলনাত স্বাভাৱিকতে খৰচান্ত। . সাহিত্যিকে তেওঁৰ সৃষ্টি প্ৰতিভাৰ পৰিধি বৃদ্ধি কৰিবলৈ গ্ৰন্থ ক্ৰয় কৰি পঢ়িবলৈ বাধ্য। আধুনিক সাহিত্যিকৰ জীৱনধাৰা সম্পূৰ্ণ সামাজিক ৰীতিত গঢ়লোৱাৰ ফলত তেওঁৰ ঘৰত অতিথিৰ সংখ্যা বেছি। আধুনিক সাহিত্যিকৰ সামাজিক আৰু সাংস্কৃতিক দায়িত্ববোধৰ হেঁচাত তেওঁ সভা সন্মিলন আৰু বিভিন্ন উদ্দেশ্যত ভ্ৰমণ আদিত অধিক খৰচান্ত হ'বলগীয়া হয়। কিন্তু, পৰ্য্যালোচনা কৰিলে দেখা যায়, এই চাকৰিয়াল সাহিত্যিকসকলৰ নিজৰ সাহিত্য-প্ৰতিভাৰ আপুৰুগীয়া গুণৰাজি চাকৰি বা পদোন্নতিৰ ক্ষেত্ৰত কেতিয়াও মূল্যায়ন কৰা নহয়। তেওঁলোকক উপযুক্ত পদ বা স্থানত প্ৰতিষ্ঠা কৰি সৃষ্টিৰ প্ৰতিভা কাৰ্য্যক্ষম বা অধিক মূল্যবান কৰি তোলা প্ৰচেষ্টাও



চৰকাৰীভাৱে কৰা দেখা নাযায়। অসমত সাহিত্য সৃষ্টিত এনেকুৱা চৰকাৰী উদাসীনতা এক অন্যতম হেঙাৰ স্বৰূপ।

সুকুমাৰ কলা তথা সাহিত্যৰ সৃষ্টিত চৰকাৰী পৃষ্ঠপোষকতা চিৰকালৰ অমূল্য সম্পদ। ভৱভূতি, কালিদাস, মাধৱকন্দলি, শঙ্কৰদেৱ, মাধৱদেৱ সকলো কবি-সাহিত্যিক-কলাকাৰৰে সৃষ্টিৰ ক্ষেত্ৰত ৰজাঘৰীয়া পৃষ্ঠপোষকতা প্ৰধানতম অঙ্গ হৈ আহিছে। পৃথিৱীৰ সাহিত্য বুৰঞ্জীত প্ৰায় সকলো সময়তেই ৰাজকবিসকলে দি গৈছে তেওঁলোকৰ অমূল্য সাহিত্যিক অৱদান। চৰকাৰী পৃষ্ঠপোষকতা সাহিত্যিকলৈ তেওঁলোকৰ অৱদানৰ বিনিময় নহয়, ই সমাজতান্ত্ৰিক সমাজৰ চৰকাৰৰ নৈতিক দায়িত্ব আৰু অন্যতম কৰ্ত্তব্য।

## এদল তৰুণ সাহিত্যিকৰ প্ৰয়োজনীয়তা

প্ৰায়েই শুনা যায় লব্ধপ্ৰতিষ্ঠ সাহিত্যিক এগৰাকীৰ ওচৰলৈ তৰুণ লেখক এগৰাকী গলেই এটি হতাশাৰ ভাব লৈ উভতি আহিবলগীয়া হয়। লব্ধপ্ৰতিষ্ঠ গৰাকীয়ে নিজৰ লেখনিৰ মহত্বৰ বিষয়ে ভালেমান কথা উল্লেখ কৰি সাধাৰণতে তৰুণ লেখকজনক অনুৰোধ কৰে—তেওঁৰ অপ্ৰকাশিত কিতাপ কেইখনৰ বাবে এজন প্ৰকাশক বিচাৰি দিবলৈ, অথবা আলোচনীৰ পাতত সিঁচৰিত হৈ থকা নিজৰ সৃষ্টিসমূহ গোটাই পাণ্ডুলিপি তৈয়াৰ কৰি দিবলৈ, অথবা ইতিমধ্যে ছপাশাললৈ যোৱা গ্ৰন্থখনিৰ আহিঁ পাঠ চাই কাম আগবঢ়াই দিবলৈ। আচৰিত কথা, তৰুণ লেখকজনৰ লেখনিৰ সম্পৰ্কে তেওঁৰ গভীৰ নীৰৱতা।

এই কথাই ইয়াকে সূচায় যে লব্ধপ্ৰতিষ্ঠজনে এদল তৰুণ সাহিত্যিকৰ আগমন প্ৰকৃততে অন্তৰেৰে ৰাঞ্ছা নকৰে।

ই বৰ পৰিতাপৰ কথা। লব্ধপ্ৰতিষ্ঠ সাহিত্যিকজনে এই কথা বুজা উচিত তেওঁ অতীতৰ পৰা কঢ়িয়াই অসমীয়া সাহিত্যৰ ঐতিহ্য এই তৰুণ-নবীন লেখকসকলে ভবিষ্যতৰ বুকুলৈ কঢ়িয়াই লৈ গৈ নতুন ভবিষ্যতৰ সূচনা নকৰিলে অসমীয়া সাহিত্যৰ সমৃদ্ধি সম্ভৱ নহয়।

সাহিত্য জীৱনৰ চিন্তাৰ প্ৰতিবিম্ব। তৰুণ লেখকৰ তৰুণ আৰু নবীন চিন্তাধাৰাত লেখকৰ নতুন প্ৰাণৰ স্বাক্ষৰ পোৱা যায় শব্দ, ভাব-ভাষা, শৈলী আৰু আঙ্গিকৰ আধুনিক মুদ্ৰণেৰে। ইয়েই সাহিত্যৰ গতিশীলতা, ইয়েই পৰিবৰ্ত্তন। তৰুণ মনৰ সৎচিন্তাৰ এই পৰিবৰ্ত্তন আকোৱালি লব লাগিব। সেইবাবেই তৰুণ লেখকক অনুপ্ৰেৰণা যোগাব লাগিব—লব্ধপ্ৰতিষ্ঠ সাহিত্যিকে উৎসাহ আৰু উদ্দীপনাৰে।

## সাহিত্য সভা পত্ৰিকা সম্পৰ্কে এষাৰ

অসম সাহিত্য সভা পত্ৰিকাৰ ওপৰত তৰুণ লেখক আৰু পাঠকসকলৰ মাজত একেটিমাত্ৰ অভিযোগকেই শুনা যায় যে এই আলোচনীখনি কেৱলমাত্ৰ একশ্ৰেণীৰ প্ৰবন্ধ লেখক আৰু পাঠকৰ মাজতেই আবদ্ধ থাকে। এই বিষয়ে অভিযোগ আৰু তাৰ আশুপৰিবৰ্ত্তনৰ পৰামৰ্শেৰে ভৰপূৰ ভালেমান প্ৰবন্ধ আৰু চিঠি আজিও বাতৰি কাকতত প্ৰকাশহৈ আছে। এই অভিযোগ আৰু পৰামৰ্শ একেবাৰে দলিয়াই পেলাবলগীয়া নহয়। সেইবুলি

গৱেষণামূলক প্ৰবন্ধ একেবাৰেই প্ৰকাশ নকৰি গল্প আৰু কবিতাৰে অসম সাহিত্য সভা পত্ৰিকা কেতিয়াও পূৰ্ণাঙ্গ কৰিব পৰা নাযায়। আনফালে মূলতঃ যদিও এই পত্ৰিকা গৱেষণামূলক সাহিত্য সৃষ্টিৰ হে মাধ্যম, তাৰ মাজেদি অসমীয়া সাহিত্যৰ সাম্প্ৰতিক কালৰ সৃষ্টিসমূহৰ বিষয়েও পাঠকে পঢ়িবলৈ সুযোগ পোৱা উচিত। অসমৰ তৰুণ লেখকসকলৰ পৰা এই উদ্দেশ্যত সক্ৰিয় সহযোগিতা আকৰ্ষণ কৰা হ'ল।

এই সংখ্যাটি সেই উদ্দেশ্যৰ প্ৰথম পদক্ষেপ হিচাবে ধাৰ্য্য কৰা হৈছে। কিন্তু অতি কম সময়ৰ ভিতৰতে উনত্ৰিংশ বছৰৰ এই দ্বিতীয় সংখ্যাটি যুগুতাই তুলিবলগীয়া হোৱাত সময়মতে প্ৰবন্ধাদি পোৱা নহ'ল। তিনি গৰাকী প্ৰতিষ্ঠাবান নবীন কবিৰ কাব্যচিন্তা আৰু তেওঁলোকৰ কবিতা এই সংখ্যাটিত অন্তৰ্ভুক্ত কৰা হৈছে। এই সংখ্যাটিতে দুগৰাকী নবীন সমালোচকৰ দ্বাৰা তৰুণ আৰু নবীন দৃষ্টিভঙ্গীৰে কেবাখনিও গ্ৰন্থৰ সমালোচনা আগবঢ়োৱা হৈছে। এই কাৰ্য্যত আগভাগ লোৱা এই কবি আৰু সমালোচকসকললৈ আমাৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো। আমি আশা ৰাখিছোঁ অহাসংখ্যা অসম সাহিত্য সভা পত্ৰিকাত কথা সাহিত্যিকৰ দৃষ্টিত গল্প আৰু উপন্যাস আৰু গ্ৰন্থসমালোচনা শিতানত তৰুণ লেখকসকলে এইবাৰৰ দৰে অংশগ্ৰহণ কৰিব। অসম সাহিত্য সভা পত্ৰিকা এচাম বয়োবৃদ্ধ প্ৰবন্ধলেখক বা পাঠকৰ নহয়, অসমৰ সকলো শ্ৰেণীৰ লেখক আৰু পঢ়ুৱৈৰে উমৈহতীয়া সম্পদ। বৃদ্ধ-তৰুণ সকলোৰেই প্ৰতিভা আৰু পৰামৰ্শ অসম সাহিত্য সভা পত্ৰিকাৰ জীৱন আৰু দাপোণ হওক।

**সমাপ্ত**


## আমাৰ প্ৰকাশিত কেইখনমান কিতাপ

শ্ৰীযদু শইকীয়া দেৱৰ টলষ্টয়ৰ বিখ্যাত গ্ৰন্থ Resunectionৰ অনুবাদ—
**"নৱজীৱন"**। শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী এম. এ. দেৱৰ এখন অপূৰ্ব সমালোচনা গ্ৰন্থ—
**"সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা"**: চোভিয়েত দেশ নেহেৰু পুৰস্কাৰ পোৱা কবি শ্ৰীপবেশমল্ল বৰুৱা দেৱৰ চোভিয়েত পটভূমিতে ৰচা কবিতা সঙ্কলন—
**"সোণালী সঙ্গম"**। ডঃ পদ্মেশ্বৰ গগৈ, এম. এ., ডি. ফিল. দেৱৰ দুখনি চিন্তামূলক প্ৰবন্ধগ্ৰন্থ—
**"গণতান্ত্ৰিক সমাজবাদ"** আৰু "অসমত প্ৰচলিত পৌৰাণিক আখ্যানসমূহৰ মূল বিচাৰ"।
**"চৰাই বিনন্দীয়া"**: ডঃ প্ৰফুল্লদত্ত গোস্বামী, এম. এ., ডি ফিল. দেৱৰ অসমৰ কিছুমান চৰাইৰ বিষয়ে লিখা কিতাপ।

**আৰু কেইখন—**

শ্ৰীপীতবাম নাথ সম্পাদিত—শ্ৰীমদ্ভগবদগীতা॥ শ্ৰীহেমচন্দ্ৰ শৰ্মা—মাদাৰ ফুলৰ মালা॥ শ্ৰীবিপুনাথ বুঢ়াগোহাঞি—সিদিনাৰ কথা; হেৰুৱা সুৰৰ সেই ধ্বনি; একাঙ্কিকা বহঘৰা; বেদনাৰ অশ্ৰুৰে॥ মোঃ মুস্তাফিজুৰ ৰহমান—মৌচুমী; মন উৰিভাবে পাল॥ শ্ৰীগোলাপ খাউণ্ড—গিৰমিট॥

**ওৰিয়েণ্টাল বুক কোম্পানী**
পানবজাৰ, গুৱাহাটী-১
(শাখা) কলিকতা: চিলচৰ: বাৰাণসী